# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখঃ ১১/০৯/২০২৩ সোমবাৰ**

---

**আজি ইংৰাজী ১১-০৯-২০২৩ তাৰিখে অসম বিধান সভাৰ নৱ-নিৰ্মিত সদন কক্ষত অসম বিধান সভাৰ শৰৎকালীন অধিৱেশন পূৰ্ব নিৰ্দ্ধাৰিত সময়সূচী মতে ৰাতিপুৱা ৯.৩০ বজাত অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ**

**মৃত্যু প্ৰসঙ্গ**

**১১-০৯-২০২৩**

বিগত সময়ছোৱাত ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা কেইবাগৰাকীও বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে।

সেই সকলৰ ভিতৰত অন্যতম আছিল- (১) অসমৰ প্ৰাক্তন ৰাজ্যপাল তথা ভাৰতীয় সেনা বাহিনীৰ দক্ষ সেনা বিষয়া লেফটেনেন্ট জেনেৰেল অজয় সিং ডাঙৰীয়া, (২) অসমৰ প্ৰাক্তন সংসদীয় সচিব, তথা বিধায়িকা জোনজোনালী বৰুৱা আৰু অসম বিধান সভাৰ প্ৰাক্তন সদস্য-সদস্যা, ক্ৰমে - (৩) আব্দুৰ ৰহিম খান (৪) ৰমেন্দ্ৰ দে (৫) শ্বেইখ এছেহাক আলি ডাঙৰীয়া (৬) ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ বাসন্তী শৰ্মা, (৭) বিশিষ্ট শিক্ষাবিদ দেৱেন দত্ত।

**(১) লেফটেনেন্ট জেনেৰেল অজয় সিং**

অসমৰ প্ৰাক্তন ৰাজ্যপাল তথা ভাৰতীয় সেনা বাহিনীৰ দক্ষ সেনা বিষয়া লেফটেনেন্ট জেনেৰেল অজয় সিং ডাঙৰীয়াৰ যোৱা ১৮ এপ্ৰিল, ২০২৩ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৯ বছৰ।

১৯৩৪ চনত জন্মগ্ৰহণ কৰা সিং ডাঙৰীয়াই ২০০৩ চনৰ পৰা ২০০৮ চনলৈ অসমৰ মহামান্য ৰাজ্যপাল হিচাপে সেৱা আগবঢ়াইছিল। ভাৰতীয় সেনা বাহিনীত যোগদান কৰি সুখ্যাতিৰে কাৰ্য্যনিৰ্বাহ কৰা প্ৰয়াত অজয় সিং ডাঙৰীয়াই ১৯৬৫ আৰু ১৯৭১ চনত পাকিস্তানৰে হোৱা যুদ্ধত সক্ৰিয় ভূমিকা পালন কৰাৰ লগতে ভাৰতীয় সামৰিক বাহিনীলৈ উল্লেখনীয় বৰঙণি আগবঢ়াই থৈ গৈছে। কৰ্তব্যনিষ্ঠা তথা বিশিষ্ট সেৱাৰ বাবে স্বৰ্গীয় সিং ডাঙৰীয়াক ভাৰতীয় সৰ্বোচ্চ সামৰিক সন্মান ‘পৰম বিশিষ্ট সেৱা মেডেলে’ৰ সন্মানিত কৰা হৈছিল। সিং ডাঙৰীয়াই কৰ্মজীৱনত বহু উচ্চস্তৰীয় পদবীত দায়িত্ব বহন কৰি দেশখনলৈ বিশেষ অৱদান আগবঢ়াই গৈছে।

এই গৰাকী অসমৰ প্ৰাক্তন মহামান্য ৰাজ্যপালৰ বিয়োগ দেশ তথা সমাজৰ বাবে এক অপূৰণীয় ক্ষতি।

**(২) জোনজোনালী বৰুৱা**

প্ৰাক্তন সংসদীয় সচিব, প্ৰাক্তন বিধায়িকা জোনজোনালী বৰুৱা ডাঙৰীয়ানী যোৱা ৩০

মে, ২০২৩ তাৰিখে বৈকুণ্ঠগামী হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬৪ বছৰ।

১৯৫৯ চনত জন্ম গ্ৰহণ কৰা বৰুৱা ডাঙৰীয়ানী ২০০১, ২০০৬ আৰু ২০১১ চনত কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে একেৰাহে তিনিবাৰকৈ মৰিগাওঁ বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈ ৰাজ্যখনৰ ঘাইকৈ নিজ সমষ্টিটোৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে উল্লেখনীয় সেৱা আগবঢ়াইছিল। তেখেতে ২০০৬ আৰু ২০১১ চনত দুটাকৈ কাৰ্য্যকাল ৰাজ্য চৰকাৰৰ সংসদীয় সচিব ৰূপেও কাৰ্য্যনিৰ্বাহ কৰিছিল। জীৱন কালত বৰুৱা ডাঙৰীয়ানীয়ে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো জড়িত থাকি সমাজলৈ বিশেষ সেৱা আগবঢ়াই থৈ গৈছে।

এই গৰাকী প্ৰাক্তন সংসদীয় সচিব তথা বিধায়িকাৰ বিয়োগত ৰাজ্যখনৰ সমাজ জীৱনত এক পূৰাব নোৱাৰা ক্ষতি হ'ল।

**(৩) আব্দুৰ ৰহিম খান**

প্ৰাক্তন বিধায়ক তথা বিশিষ্ট সমাজকৰ্মী আব্দুৰ ৰহিম খানৰ যোৱা ১৯ জুন, ২০২৩ তাৰিখে দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬৬ বছৰ।

১৯৫৭ চনত জন্ম গ্ৰহণ কৰা খান ডাঙৰীয়াই ২০১১ চনত এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰখনত বিশেষ অৱদান আগবঢ়াইছিল। তদুপৰি তেখেতে জীৱনকালত বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত থাকি নিষ্ঠা আৰু ঐকান্তিকতাৰে সেৱা আগবঢ়াইছিল।

এই গৰাকী প্ৰাক্তন বিধায়কৰ বিয়োগত ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

**(৪) ৰমেন্দ্ৰ দে'**

প্ৰাক্তন বিধায়ক তথা বিশিষ্ট সমাজকৰ্মী ৰমেন্দ্ৰ দে ডাঙৰীয়াৰ যোৱা ২ জুলাই, ২০২৩ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮২ বছৰ।

প্ৰাক্তন বিধায়ক দে' ডাঙৰীয়াই ৰাজ্যখনৰ ৰাজনৈতিক তথা সমাজ জীৱনত উল্লেখনীয় অৱদান আগবঢ়াই থৈ গৈছে। তেখেতে ১৯৭৮ আৰু ১৯৮৫ চনত বদৰপুৰ বিধান সভা সমষ্টিৰ পৰা দুবাৰকৈ অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল। দে' ডাঙৰীয়াই কিষাণ সভাৰ ৰাজ্যিক সমিতিৰ সদস্যকে ধৰি বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি নিষ্ঠাৰে সেৱা আগবঢ়াই আছিল।

এই গৰাকী প্ৰাক্তন বিধায়ক তথা বিশিষ্ট সমাজকৰ্মীৰ বিয়োগত ৰাজ্যখনৰ সমাজ জীৱনত এক পূৰাব নোৱাৰা ক্ষতি হ'ল।

**(৫) শ্বেইখ এছেহাক আলি**

প্ৰাক্তন বিধায়ক শ্বেইখ এছেহাক আলীৰ যোৱা ১৫ আগষ্ট, ২০২৩ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৫ বছৰ।

প্ৰয়াত আলি ডাঙৰীয়াই ১৯৯১ চনত ইউ এম এফ দলৰ প্ৰাৰ্থীৰূপে আৰু ২০০১ চনত কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে জনীয়া বিধান সভা সমষ্টিৰ পৰা দুবাৰকৈ অসম বিধান সভালৈ নিৰ্বাচিত হৈ নিজ সমষ্টিৰ লগতে ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশত বিশেষ সেৱা আগবঢ়াই থৈ

গৈছে।

তেখেতে শিক্ষক ৰূপেও ৰাজ্যখনৰ শিক্ষা খণ্ডলৈ সেৰা আগবঢ়োৱাৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি নিষ্ঠা আৰু ঐকান্তিকতাৰে সেৱা আগবঢ়াইছিল।

এই গৰাকী প্ৰাক্তন বিধায়কৰ মৃত্যুত ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

**(৬) বাসন্তী শৰ্মা**

ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ, বিশিষ্ট সমাজ সেৱিকা, বাসন্তী শৰ্মাৰ যোৱা ৮ ছেপ্তেম্বৰ ২০২৩ তাৰিখে দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল প্ৰায় ৭৯ বছৰ। ১৯৪৪ চনত জন্মগ্ৰহণ কৰা শৰ্মা ডাঙৰীয়ানীয়ে ১৯৯১ চনৰ পৰা ২০০২ চনলৈকে একেৰাহে দুটাকৈ কাৰ্য্যকালৰ বাবে ৰাজ্যসভালৈ নিৰ্বাচিত হৈ ৰাজ্যখনক প্ৰতিনিধিত্ব কৰিছিল। মৃত্যুৰ পূৰ্বে শৰ্মা ডাঙৰীয়ানীয়ে অসমৰ সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনলৈ অতুলনীয় অৱদান আগবঢ়াই থৈ গৈছে।

এই গৰাকী প্ৰাক্তন সাংসদৰ মৃত্যু সমাজ তথা দেশখনৰ বাবে এক অপূৰণীয় ক্ষতি।

**(৭) দেৱেন দত্ত**

বিশিষ্ট শিক্ষাবিদ, সমাজসেৱক, কটন মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ দেৱেন দত্তৰ যোৱা ইংৰাজী ১৮ আগষ্ট তাৰিখে পৰলোক প্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল প্ৰায় ৮১ বছৰ। ১৯৪২ চনত জন্মগ্ৰহণ কৰা দত্ত ডাঙৰীয়াই সুখ্যাতিৰে শিক্ষা জীৱন সমাপ্ত কৰি শিক্ষাবিদ হিচাপে পোন প্ৰথমে গড়গাওঁ কলেজত শিক্ষকতা আৰম্ভ কৰি পৰৱৰ্তী সময়ত কটন কলেজৰ অধ্যাপক ৰূপে যোগদান কৰে আৰু পিছলৈ কটন কলেজৰ উপাধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে।

অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণ আৰু শুদ্ধ প্ৰয়োগৰ বাবে অবিৰত প্ৰয়াস কৰি অহা প্ৰবীন শিক্ষাবিদ দত্ত ডাঙৰীয়াই জাতীয় জীৱনলৈ আগবঢ়োৱা বৰঙণিৰ বাবে চিৰস্মৰণীয় হৈ ৰব।

এইগৰাকী পুৰোধা ব্যক্তিৰ বিয়োগ সমগ্ৰ দেশ আৰু সমাজৰ বাবে এক পূৰাব নোৱাৰা ক্ষতি।

ইয়াৰ লগতে দেশ তথা ৰাজ্যখনলৈ বিশেষ বৰঙণি আগবঢ়োৱা ভালে কেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটিছে। তেখেত সকল হ'ল ক্ৰমে —

(৮) প্ৰবীণ মুক্তিযোদ্ধা — প্ৰফুল্ল শইকীয়া

(৯) প্ৰবীণ মুক্তিযোদ্ধা — গংগাৰাম বৰুৱা

(১০) কাৰ্বি ৰজা — ৰামসিং ৰংহাং

(১১) অসমৰ সাংস্কৃতিক জগতৰ অন্যতম পুৰোধা শিল্পী — সুদক্ষিণা শৰ্মা

(১২) জ্যেষ্ঠ সাংবাদিক ও বিশিষ্ট সমাজসেৱক — মনজিৎ মহন্ত

(১৩) অসমৰ প্ৰাক্তন আই পি এচ বিষয়া — গোপাল গগৈ

(১৪) লোক-সংস্কৃতিৰ অন্যতম সাধক তথা জনপ্ৰিয় শিল্পী — উমাকান্ত বৈৰাগী

(১৫) ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য তথা বিশিষ্ট পদাৰ্থ বিজ্ঞানী — দেৱদাস কাকতি

(১৬) তেজপুৰ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য তথা শিক্ষাবিদ — কিশোৰী মোহন পাঠক

(১৭) বিশিষ্ট লেখক তথা লোকসংস্কৃতিৰ অন্যতম সাধক — ড° গণেশ পেগু

(১৮) বিশিষ্ট কণ্ঠশিল্পী তথা অধিবক্তা — ঋষিৰাজ শৰ্মা

(১৯) বিশিষ্ট নাট্যকাৰ তথা পৰিচালক — নৰেণ লহকৰ
(২০) প্ৰবীণ চিত্ৰশিল্পী — প্ৰমোদ চন্দ্ৰ ৰয়
(২১) বিশিষ্ট অৰ্থনীতিবিদ তথা প্ৰগতিশীল লেখক — অনন্ত কলিতা
(২২) বিশিষ্ট অভিনেতা — মিহিৰজ্যোতি বৰুৱা
(২৩) প্ৰবীণ নাট্যকাৰ-পৰিচালক — নেত্ৰকমল বৰঠাকুৰ
(২৪) প্ৰবীণ অভিনেত্ৰী — আৰতি বৰুৱা
(২৫) বিশিষ্ট অভিনেতা — বিজয় শংকৰ শইকীয়া
(২৬) প্ৰবীণ অভিনেত্ৰী ও সাহিত্যিক — ফুল হাজৰিকা
(২৭) বৌদ্ধ ধৰ্মীয় আধ্যাত্মিক গুৰু — ড° ভদন্ত শাসনবংশ মহাথেৰা

অতি দুখ আৰু ব্যথিত হৃদয়েৰে আজি অসম বিধান সভাৰ পবিত্ৰ মজিয়াত বৰেণ্য ব্যক্তিসকলৰ বিয়োগত শোক প্ৰকাশ কৰিছো।

প্ৰয়াত লোক সকলৰ বিদেহ আত্মাৰ সদ্‌গতি তথা চিৰশান্তি কামনা কৰি ক্ষন্তেক সময় থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি মই অনুৰোধ জনালো।

এতিয়া প্ৰশ্ন নং-১। **শ্ৰী বিদ্যাছিং ইংলেং ডাঙৰীয়াই কওঁক।**

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উঃ কৰিমগঞ্জ) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াত উত্তৰসমূহ পোৱা নাই।**

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), ধিং ঃ** চাৰ, আমাৰ log in হোৱা নাই। মোবাইলত এটা OTP আহিব লাগে, OTP টো অহা নাই কাৰণে log in টো সম্পূৰ্ণ হোৱা নাই। যাৰ বাবে আমি log in কৰিব পৰা নাই। আমাৰ লগত উত্তৰৰ পেপাৰসমূহ নাই। যাৰ বাবে অসুবিধা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এই খিনি অলপমান চেক কৰি দিবৰ বাবে অনুৰোধ কৰিলো। এতিয়া প্ৰশ্ন নং- ১ ৰ পৰিপূৰক প্ৰশ্ন, মাননীয় সদস্য বিদ্যাছিং ইংলেং ডাঙৰীয়া।

**শ্ৰী বিদ্যা সিং ইংলেং (বৈঠালাংচু)ঃ** অধ্যক্ষ মহোদয়, মোৰ supplementary question টো হৈছে- চুক্তিখনৰ দফা ২ (৩) ত লিখা আছে যে The Govt. of India and the Govt. of Assam will take necessary steps to reserve 34 seats for ST and 10 seats for other open category for all community out of 44 elected seats in KAAC- এইটো কেতিয়া ৰূপায়ণ কৰা হ'ব জানিব বিচাৰিছো আৰু চুক্তিৰ দফা ৩ (৪) ত কাৰ্বি ভাষাটো Associate language কৰাৰ লগতে 8th Scheduleত সোমোৱাৰ কথা অসম চৰকাৰেও চেষ্টা কৰিব বুলি কৈছে আৰু স্বায়ত্ত শাসিত পৰিষদত আলোচনা কৰাৰ কথাও কৈছে, গতিকে, এই ক্ষেত্ৰত ব্যৱস্থা লৈছে নে নাই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মুখ্যমন্ত্ৰী।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কাৰ্বি শান্তি চুক্তি কৰাৰ সময়ত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ বৰ্তমান যি আসনৰ সংখ্যা তাক আমি বৃদ্ধি কৰাৰ বিষয়ে উল্লেখ কৰিছিলো। কাৰ্বি চুক্তিখনত আসনৰ ক্ষেত্ৰত প্ৰথম দফাত আছে যে কিছু আসন সংৰক্ষিত কৰিম আৰু কিছু আসন open কৰিম। কিন্তু, এই গোটেইখিনি কৰিবৰ বাবে ভাৰতবৰ্ষৰ সংবিধানত

সংশোধনী লাগিব। ইতিমধ্যে, ভাৰতবৰ্ষৰ সংবিধানৰ ১২৫ তম সংশোধনী বিল ২০১৯ত ইয়াক incorporate কৰাৰ বাবে ভাৰত চৰকাৰে নীতিগত সিদ্ধান্ত লৈছে । ৰাজ্য চৰকাৰৰ লগত এই বিষয়ে আলোচনা চলিছে। কিছু দিন আগতে আমি BTR চুক্তি অনুসৰি বৰ্ধিত আসন বা সংৰক্ষণৰ বিষয়ে ভাৰত চৰকাৰক জনাইছো। মই আশা কৰো খুব কম সময়ৰ ভিতৰত কাৰ্বি আংলঙৰ ক্ষেত্ৰত আমাৰ যি মত, সেইটো আমি ভাৰত চৰকাৰক জনাব পাৰিম। কাৰ্বি ভাষাৰ ক্ষেত্ৰত ৩.৪ নং দফাত আছে- Govt. of Assam shall set up a Committee to sudy the demand for notifying Karbi Language as an Associate Language in the State. The Committee will also recommend measures to further strengthen and popularize Karbi language at a national level including suitable script in consultation with Karbi Literature Society and other Karbi organization. সমস্যাটো হ'ল যে ভাৰতবৰ্ষৰ অষ্টম অনুসূচীত যি ভাষাই অন্তৰ্ভুক্ত হয় তাৰ লিপি ভাৰতীয় হোৱাটো প্ৰয়োজন। সেইয়া দেবনাগৰী, সংস্কৃত, হিন্দী, বেংগলী বা গুজৰাটীয়েই হওঁক ।Roman is not an Indian script. যদি ৰোমান লিপি ব্যৱহাৰ হয়, তেন্তে ভাৰতবৰ্ষৰ অষ্টম অনুসূচীত ইয়াক অন্তৰ্ভুক্ত কৰিব পৰা নাযায়। 8th Schedule is about Indian Language and Indian scripts. যদি ভাৰতীয় ভাষা হয় আৰু লিপিটো ৰোমান হয় তেন্তে এইটো অষ্টম অনুসূচীত সোমাব নোৱাৰে। এই বিষয়ে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ লগত আমাৰ দীঘলীয়া আলোচনা হৈছে আৰু কাৰ্বি বিভিন্ন সাহিত্য সংগঠনৰ লগত মই প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে বিভিন্ন আলোচনাত তেওঁলোকক লিপিৰ ক্ষেত্ৰত এটা সিদ্ধান্ত লোৱাৰ বাবে অনুৰোধ কৰিছো। তেওঁলোকে যেতিয়ালৈকে ৰোমান লিপি গ্ৰহণ কৰি থাকিব তেতিয়ালৈকে এই ভাষাটো চৰকাৰীভাৱে এটা পৰ্যায়ৰ পিছত আগুৱাই লৈ যাব পৰা নাযাব। অসমীয়া বা দেবনাগৰী লিপি ল'ব লাগিব বুলি কথা নাই, কিবা এটা ভাৰতীয় লিপি গ্ৰহণ কৰিবলৈ মই তেওঁলোকক অনুৰোধ কৰিছো। আমি সাহিত্য, সংস্কৃতি, ভাষা এই বিষয়বোৰত সমাজখনত নিজৰ ভিতৰতে consensus হোৱাটো বিচাৰো। চৰকাৰী দখল আমি ইয়াত কৰিব নিবিচাৰো। সেইকাৰণে আমি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ পৰা এটা বুজা-বুজি বা unanimity among the Karbi society যাতে হয় তাৰ বাবে কাম কৰিবলৈ আগবাঢ়িছো। CEM ডাঙৰীয়াই মোক জনাইছে যে বিভিন্ন পৰ্যায়ত আলোচনা চলি আছে কিন্তু এতিয়ালৈকে তেওঁলোক সহমত হ'ব পৰা নাই। সহমত হ'লে আমি লগে লগে কাৰ্বি ভাষাক সহযোগী ভাষা কৰাৰ লগতে অষ্টম অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ বাবে recommend কৰি দিম।

**শ্ৰী বিদ্যা সিং ইংলেং (বৈঠালাংছু)ঃ** অধ্যক্ষ মহোদয়, মোৰ আৰু এটা প্ৰশ্ন আছে। ৩(৪) নং দফাত লিখা আছে যে- The Govt.of India will examine the demand for notifying Karbi people living outside KAAC area as ST আৰু KAAC ৰ বাহিৰত Karbi Welfare Council গঠন কৰা, এই সম্পৰ্কে অসম চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি ?

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ বাহিৰত থকা সমস্ত কাৰ্বিসকলক লৈ এখন Karbi Welfare Council গঠন কৰিব লাগে। এই ক্ষেত্ৰত আমি এটা সহমত বিচাৰিছো কাৰণ ইতিমধ্যে আম্‌ৰি কাৰ্বি আৰু বিভিন্ন স্বায়ত্ত শাসিত পৰিষদ এই সময়ছোৱাত গঠন কৰা হৈছিল। গতিকে অত পুৰণা পৰিষদ ভাঙি নতুনকৈ Welfare Coun-

cil কৰিম নে আন ব্যৱস্থা কৰিম এই বিষয়েও আমি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ বা কাৰ্বি লোকসকলৰ পৰা প্ৰস্তাৱৰ অপেক্ষাত আছো। তেখেতসকলে আমাক কি structure ত গঠন কৰিব লাগে সেই বিষয়ে যেতিয়াই জনাব আমি এমাহৰ ভিতৰত people living outside Sixth Schedule area ৰ কাৰণে Karbi Welfare Council গঠন কৰিব পাৰিম। ইতিমধ্যে আমি Bodo-Kachari Welfare Council গঠন কৰিছো। Same pattern ত আমি Karbi Welfare Council কৰিব পাৰিম। আজিও যদি আমাক ইয়াৰ ৪জন কাৰ্বি বিধায়কে লিখি দিয়ে যে এইটো structureত আপোনালোকে কৰি দিয়ক, আমি লগে লগে এমাহৰ ভিতৰত notify কৰিব পাৰিম। আনহাতে, Karbi living outside KAAC ক Scheduled Tribe কৰাৰ যি demand আছে, তাত এটা সৰু কথা আছে যে আমাৰ বড়ো সমাজেও কাৰ্বি-আংলঙত বাস কৰে। বড়ো সমাজে কাৰ্বি আংলঙত Hills Tribes status টো বিচাৰি আছে আৰু কাৰ্বি সকলে Plain area ত Scheduled Tribes ৰ status টো বিচাৰি আছে। কাৰ্বি সমাজে বিচাৰে যে কাৰ্বি সকলক Plain area ত Scheduled Tribe কৰিব লাগে কিন্তু বড়ো সকলক Hills area ত Hills Tribe কৰিব নালাগে। ঠিক তেনেদৰে বড়ো সকলে কয় যে কাৰ্বি এটা পাহাৰীয়া জাতি, কাৰ্বি সকলক যদি ভৈয়াম জনজাতিৰ মৰ্যাদা দিয়ে তেতিয়া হ'লে বড়োসকলকো পাহাৰীয়া জনজাতিৰ মৰ্যাদা দিব লাগিব। এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰ্যায়তো আলোচনা চলি আছে আৰু আমিও এটা সমাধান সূত্ৰ উলিয়াবৰ কাৰণে আলোচনা কৰি আছো। বিষয়টো অকণমান অচলাৱস্থাত আছে। বিষয়টো খুব সোনকালে সমাধান কৰাটো সকলোৰে কাৰণে ভাল। সেয়েহে, মই ভাৱো যে আলাপ-আলোচনাৰ মাজেৰে বিষয়টো সমাধান কৰিব লাগে কাৰণ কাৰ্বি চুক্তিত লিখা আছে যে কাৰ্বি সকলক আমি Plains Tribe দিম আৰু বড়ো চুক্তিত লিখা আছে যে বড়োসকলক আমি Hills Tribe দিম। গতিকে, কাৰ্বি চুক্তিখন পঢ়া সময়ত একেলগে বড়ো চুক্তিখনো পঢ়িব লাগে আৰু তেতিয়াই বুজা-বুজি নোহোৱাৰ পৰ্যায় এটা হয়। সেইকাৰণে আমি Welfare Council খন সোনকালে গঠন কৰি দিম। In regards to the Karbi in plains, Bodo in hills আমি আৰু অলপ আলাপ আলোচনা কৰি এটা সিদ্ধান্তৰ ভিতৰত যোৱাটো খুৱেই ভাল আৰু মই মই বিধানসভাৰ মজিয়াতো আমাৰ বড়োলেণ্ডৰ বিধায়ক, কাৰ্বি আংলঙৰ বিধায়কসকল আলাপ আলোচনা কৰি এটা grater concensus নিৰ্মাণ কৰিবৰ বাবে অনুৰোধ জনাম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ supplementary question টো হ'ল কাৰ্বি আংলঙত একেলগে দুখন চুক্তি হৈছে ২০১১ আৰু ২০২১। তাৰ পিছত ডিমা হাচাওৰ বাবে ৭-১০-২০১২ ত এখন চুক্তি হৈছে। বি টি এ ডি ৰ কাৰণে ১৯৯৩, ২০০৩ আৰু শেহতীয়া বি টি আৰ চুক্তি হৈছে। কিন্তু দেখা গৈছে যে চুক্তিবিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণে মূল কথাবিলাকৰ লগতে যিবিলাক সংগঠনৰ লগত চুক্তি হৈছিল তেওঁলোকক পুনসংস্থাপন দিয়াৰ ক্ষেত্ৰত যিবিলাক প্ৰতিশ্ৰুতি দিয়া হৈছিল সেইবিলাক পূৰণ কৰা হোৱা নাই। বিশেষকৈ যোৱা ২০২২ চনত হোৱা ডি এইচ টি, তাৰ পাছত এই সংগঠনবিলাকৰ লগত হ'বলগা JMG ৰ যিবিলাক meeting, সেইবিলাকো হোৱা নাই। যাৰ ফলস্বৰূপে সংগঠন বিলাকৰ ক্ষেত্ৰত যথেষ্ট অসন্তুষ্টি দেখা গৈছে। আমি জানিব পাৰোনে যে এই তিনিওখন চুক্তি ডি এইচ টিৰ লগত হোৱা চুক্তি, কাৰ্বি আংলঙৰ লগত হোৱা চুক্তি, বি টি আৰ চুক্তি এই সমূহ সম্পূৰ্ণৰূপে কাৰ্য্যকৰী কৰিবলৈ সময় নিৰ্দ্ধাৰিত কাৰ্য্যসূচী ল'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** পোন প্ৰথমে মই এই কথা জনাব বিচাৰো যে যোৱা দুবছৰত আমি যিকেইখন চুক্তি কৰিছো তাৰ দ্ৰুত ৰূপায়ণ ইতিমধ্যে আৰম্ভ হৈছে আৰু B.T.R চুক্তিৰ প্ৰায়বিলাক দফাই ইতিমধ্যে ৭০ ৰ পৰা ৯০ শতাংশ ইতিমধ্যে ৰূপায়ণ কৰা হৈছে আৰু B.T.R চুক্তিৰ দুটা বিশেষ দফা -এটা হৈছে B.T.R সম্প্ৰসাৰণ গহপুৰলৈকে আৰু আনটো B.T.Rৰ চিট বঢ়াই তাক reservation বা non reservation বা open এটা সমানুপাতিকভাৱে বৃদ্ধি কৰা, এই দুয়োটাৰ ক্ষেত্ৰত আমি কেইদিনমান আগতে ঐক্যমতত উপনীত হৈছো। মই ভাৱো যে খুব কম সময়ৰ ভিতৰতে B.T.R চুক্তিৰ প্ৰতিটো দফা আমি ৰূপায়ণ কৰিব পাৰিম আৰু সচাঁ কথা ক'বলৈ গলে নতুনকৈ কৰা B.T.R চুক্তিখনৰ ৰূপায়ণৰ দিশ অত্যন্ত সন্তোসজনক। আমি প্ৰায় সঘনাই ABSU,বড়ো সাহিত্যসভা আৰু প্ৰাক্তন সংগঠন NDFB ৰ লগত আমি সঘনাই বহি থাকো। সেইকাৰণে চুক্তি ৰূপায়ণত কোনো অন্তৰায়ৰ সৃষ্টি হোৱা নাই। কাৰ্বি আংলঙৰো আমি নতুনকৈ ৬ টা বিদ্ৰোহী সংগঠনৰ লগত যি চুক্তি কৰিছো তাৰ ফলস্বৰূপে কাৰ্বি আংলঙত প্ৰচুৰ আৰ্থসামাজিক উন্নয়ণ হৈছে। আমাৰ কোনো communication gap হোৱা নাই। আমি সুন্দৰভাৱে বিষয়বিলাকত আগবাঢ়ি আছো। ডিমাচা চুক্তিখন নতুন। বিশেষকৈ Delimitation প্ৰক্ৰিয়াৰ কাৰণে ডিমাচা চুক্তিত কিছু বিলম্ব হৈছিল কাৰণ তেওঁলোকে জিলাখন পুনৰ সংগঠিত হোৱাটো বিচাৰিছিল যিটো চুক্তিতো আছে। মই ভাৱো যে দিল্লীত BJP আৰু আমাৰ চৰকাৰৰ দিনত যিবিলাক চুক্তি হৈছে তাৰ ৰূপায়ণত কোনো অসন্তোষ ব্যক্ত কৰা নাই। বিদ্ৰোহী সংগঠন বিলাকেও কৰা নাই, ছাত্ৰ সংগঠন বিলাকেও কৰা নাই। গতিকে আমি যথেষ্ট সন্তুষ্ট যে আমি এই গোটেই কেইখন চুক্তি ৰূপায়ণ কৰিব পাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Question No. 2, Shri Biswajit Phukan.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী বিশ্বজিৎ ফুকন, (বোকাখাত) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে উজনি অসমৰ যোগাযোগৰ মেৰুদণ্ডস্বৰূপ নুমলিগড়ৰ পৰা ডিব্ৰুগড়লৈকে এই ৰাষ্ট্ৰীয় ঘাইপথছোৱা চাৰিলেনযুক্ত কৰি ইতিমধ্যে নিৰ্মাণ কাৰ্য্য আৰম্ভ হৈছে। LDCLA য়ে যি নিৰ্মাণ কাৰ্য্য চলাই আছে সেয়া কিছু লেহেমীয়া হৈছে যাৰকাৰণে গোটেই অসমৰ যোগাযোগ ব্যৱস্থাত যথেষ্ট ব্যাঘ্যাত জন্মিছে। অসম চৰকাৰৰ গড়কাপ্তানী বিভাগ যথেষ্ট শক্তিশালী। মই ভাৱো এই বিভাগে বিশ্বমানৰ সকলো construction ৰ কাম কৰিবলৈ সাজু। শেহতীয়াভাৱে মালিগাওঁ বা জু-তিনিআলিৰ লগতে চুপাৰ মাৰ্কেটৰ ফ্লাই অভাৰ নিৰ্মাণৰ সময়ত আমি দেখিছো দক্ষতাৰে বিভাগটোৱে কাম কৰি আছে। ইয়াৰ উপৰিও এই বিভাগটোৱে বিভিন্ন ঠাইত দক্ষতাৰে কাম কৰি আছে। এই ফৰলেনৰ যি নিৰ্মাণকাৰ্য্য চলি আছে, এই কাৰ্য্যটো অসম চৰকাৰে প্ৰত্যক্ষভাৱে নকৰাৰ ফলস্বৰূপে ৰাইজে বহুখিনি জীয়াতু ভূগিবলগা হৈছে। সেয়েহে মই এটা কথা জানিব বিচাৰিছো যে প্ৰত্যক্ষভাৱে এনেধৰণৰ নিৰ্মাণকাৰ্য্যত আমাৰ অতি কাৰ্য্যদক্ষ অসম চৰকাৰৰ গড়কাপ্তানী বিভাগটোক জড়িত কৰিব পৰা হয়নে বা কেনেধৰণে কৰি এই ফৰলেনৰ নিৰ্মাণ কাৰ্য্যটো অসমত সম্পূৰ্ণ কৰিব পাৰিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি যিটো উজনি অসমলৈকে ফৰলেন নিৰ্মাণৰ কাম হাতত লৈছিলো বহুতদিনলৈ ভূমি অধিগ্ৰহণ আৰু utility shifting ৰ কাম কৰবাত আবদ্ধ হৈ আছিল। প্ৰথম পৰ্য্যায়ত যিসমূহ construction company য়ে এই

কাম পাইছিল , তেওঁলোকে উৎসাহজনকভাৱে আগবঢ়াৰ পিছতো ভূমি অধিগ্ৰহণৰ সমস্যাটো থাকি গ'ল আৰু লাহে লাহে তেওঁলোকে withdraw কৰিবলৈ আৰম্ভ কৰিলে। আমাৰ চৰকাৰে দায়িত্ব লোৱাৰ পিছত খুৱ কম দিনৰ ভিতৰতে আমি ১০০ শতাংশ land acquisition আৰু utility shifting ৰ কাম সম্পূৰ্ণ কৰি দিওঁ। তাৰ পিছত ক'ভিডযুক্ত পৰিৱেশ আৰম্ভ হয় আৰু বাৰে বাৰে যাকে কাম দিয়া হয় তেওঁলোকে খুৱ কম ৰেটত কামবিলাক লয় কিন্তু পাছত কাম কৰিব নোৱাৰি তাৰ পৰা আঁতৰি আহে। মই দায়িত্ব লোৱাৰ পাছত কেন্দ্ৰীয় মন্ত্ৰী নিতিন গাডকাৰী ডাঙৰীয়াৰ এই ৰাস্তাটো সম্পূৰ্ণ কৰিবৰ বাবে অতি কমেও ৮ বাৰ লগ ধৰিছো। তেখেতেও NHIDCL ৰ বিষয়াসকলক মাতি আনি এটা টাৰ্গেট দিয়ে। কিন্তু তেওঁলোকে টাৰ্গেটটো পূৰণ কৰিব পৰা নাই। NHIDCL কো আমি জনাইছো যে যদি আপোনালোকে কামটো কৰিব নোৱাৰে আমাৰ ৰাজ্য চৰকাৰক কামটো দি দিয়ক। আমি এবছৰৰ ভিতৰত তেতিয়া ৰাস্তাটো সম্পূৰ্ণ কৰি দিম। সেই বিষয়ে তেতিয়া আমি মাজতে বহুতখিনি আগুৱাই গৈছিলো। কিন্তু শেষত তেওঁলোকে আমাক ৰাস্তাটো দিবলৈ অস্বীকাৰ কৰে। যোৱা মাহত মই নিতিন গাডকাৰী ডাঙৰীয়াৰ সন্মুখত NHIDCL ৰ বিষয়াসকলৰ লগত আকৌ এবাৰ আলোচনা কৰিছিলো। তেওঁলোকে মোক আশ্বাস দিছে যে অহাবছৰ বানপানী হোৱাৰ আগতে তেওঁলোকে ৰাস্তাটো সম্পূৰ্ণ কৰি দিব। যোৰহাটৰ পৰা টিয়ক অংশটো টো বাদ দি বাকী কামখিনি ভাল এটা পৰ্য্যায়লৈকে লৈ গৈছে। যোৰহাটৰ পৰা টিয়ক লৈকে কাম কৰা দুইটা নিৰ্মাণকাৰী সংস্থাকে বদলি কৰি তেওঁলোকে আন এটা সংস্থাক আনিছে। তেওঁলোকে মোক আস্বাস দিছে যে এইবছৰ কাম সম্পূৰ্ণ হ'ব। NHIDCL ৰ বাকী ৰাস্তা সমূহৰ track record ভাল। যেনে- যোগীঘোপা, Multimodel Logistic Complex বা বাকী যিসমূহ কাম কৰিছে তাত কোনো সমস্যা হোৱা নাই। এতিয়া হাফলঙতো তেওঁলোকে East-West corridor ৰ কাম দ্ৰুতগতিত কৰি আছে। খুৱ কম সময়ৰ ভিতৰতে শিলচৰলৈকে East-West corridor ৰ কাম সম্পূৰ্ণ হৈ যাব। কিন্তু যিকোনো কাৰণতে নহওক কিয় উজনিত যোৱা ৰাস্তাটোৱে ৰাইজক দুৰ্ভোগ ভোগাইছে আৰু বহুত চেষ্টা কৰাৰ পাছতো এই ৰাস্তাটোৰ কাম শেষ কৰিব পৰা হোৱা নাই। এই বিষয়টোলৈ আমাৰ ক্ষোভ আমি জনাইছো। গুৱাহাটী উচ্চ ন্যায়ালয়েও ৰাজহুৱা স্বাৰ্থৰ এখন petition লৈ NHIDCL ক এই কাম সম্পূৰ্ণ কৰাৰ বাবে জনাইছে। বহু চেষ্টা কৰাৰ পাছতো তাক শেষ কৰিব পৰা হোৱা নাই । বিষয়টো লৈ আমাৰ ক্ষোভ আমি জনাইছো। গুৱাহাটী উচ্চ ন্যায়ালয়েও ৰাজহুৱা স্বাৰ্থৰ এখন পিটিশ্যন লৈ এন এইচ আই ডি চি এলক এই কাম সম্পূৰ্ণ কৰাৰ বাবে জনাইছে কিন্তু যিকোনো কাৰণত মই ভাবো যে তেওঁলোকে এই কাম যিধৰনে কৰিব লাগিছিল কৰিব পৰা নাই । At this stage এই ৰাস্তাটো নোহোৱা বাবে বিধান সভাৰ বা অসমৰ ৰাইজৰ ক্ষোভ আকৌ এবাৰ মই তেওলোকক জনাম। আৰু আশা কৰিম যে এই বছৰৰ ভিতৰতে তেওলোকে ৰাস্তাটো শেষ কৰিব পাৰিব।

**শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী, (যোৰহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ক এটা অনুৰোধ জনাব বিচাৰিছো। যিহেতু কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহন বিভাগৰ অধীনত উজনিৰ ৰাষ্ট্ৰীয় ঘাইপথটো নিৰ্মাণত যথেষ্ট পলম হৈছে, সেইবাবে পথটোৰ ন্যূনতম মেইন্টেনেন্সৰ বাবে যদি সদ্যহতে কিবা এটা বিকল্প ব্যৱস্থা ৰাজ্য চৰকাৰৰ গড়কাপ্তানী বিভাগে গ্ৰহণ কৰে, তেতিয়া ভাল হয়, কাৰণ বিধ্বস্ত ৰাস্তাটোৱে ৰাইজৰ যথেষ্ট অসুবিধাত পেলাইছে। উজনি অসমলৈ অহা-যোৱা কৰা ৰাইজৰ বৃহত্তৰ স্বাৰ্থত, মুখ্যমন্ত্ৰীয়ে এনে এক ব্যৱস্থা assam exception বুলি গণ্য কৰি, সংশ্লিষ্ট বিভাগীয় বিষয়াক নিৰ্দেশ দিবনে। মই এই বিষয়ে জানিব বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি তেওঁলোকক জনাই থাকো যে ৰাস্তাটো সম্পূৰ্ণ নোহোৱালৈকে ৰেগুলাৰ মেইন্টেনেন্স কৰক। মই অধ্যক্ষ মহোদয়ৰ লগতে আপোনালোকক ৰিকুৱেষ্ট কৰিম যে , আমি এই ৰাস্তাটোৰ ক্ষেত্ৰত বিধান সভাৰ কমিটি এটাকো তেওঁলোকৰ লগত কথা বতৰা পাতিবলৈ দায়িত্ব দিব পাৰো । অথবা এদিন বিধান সভাৰ অধ্যক্ষৰ কোঠাতো আমাৰ উজনি অসমৰ বিধায়কসকলে লগ হৈ তেওলোকক মাতি আনি মনৰ ক্ষোভ, উদ্বেগ অসুবিধা ইত্যাদিবিলাক জনাব লাগে। মোৰ পৰ্য্যায়ত মইও কৰি আছো আৰু সন্মানীয় সদস্যগৰাকীয়ে যিটো পৰামৰ্শ আগবঢ়াইছে মই নিশ্চয় তেওলোকক আকৌ এবাৰ অৱগত কৰিম। অহা মাহত মই গাডকাৰী ডাঙৰীয়াক আকৌ সাক্ষাৎ কৰিম তেতিয়া মই আকৌ ব্যাক্তিগত পৰ্য্যায়ত এই বিষয়টো উপস্থাপন কৰিম। তেওঁলোকে এইবাৰ মোক এচুৰেঞ্চ দিছে যে within this year তেওলোকে শেষ কৰিব। আমি মাহে মাহে মনিটৰ কৰি থাকিলে সম্ভৱ আৰু অলপ স্পীড হ'ব পাৰে।

**শ্ৰীপদ্ম হাজৰিকা, (চতিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা অনুৰোধ কৰিব বিচাৰিছো যে উজনি অসমৰ লগতে নৰ্থ বেংকতো যিহেতু ৰাস্তাটোৰ গোণ্ডগোল হৈ আছে তাত আমাকো জড়িত কৰিবলৈ অনুৰোধ জনাইছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ**অধ্যক্ষ ডাঙৰীয়া, নৰ্থ বেংকৰ ৰাস্তাটো উজনি অসমৰ ৰাস্তাটোতকৈ প্ৰগতি অলপ বেটাৰ তথাপি দুয়োটাই যিহেতু আমাৰ লাইফ লাইন গতিকে আমি দুয়োটাকে লগত লৈ আগবাঢ়িম।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** ধন্যবাদ, আৰু কিবা ক'ব নেকি?

**শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী, (যোৰহাট) ঃ** মুখ্যমন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে খুৱ সুন্দৰ উত্তৰ। অধ্যক্ষ মহোদয় এই ক্ষেত্ৰত উজনিৰ বিধায়কসকলৰ এটা সৰু টীম বনাই দিবলৈ আপোনাক অনুৰোধ জনাইছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই অকলে কিমান চেষ্টা কৰিব এইক্ষেত্ৰত বিধায়কসকলৰ এই টীমটোৱে চেষ্টা কৰিলে,ৰাইজলৈ মেচেজটো ভাল যাব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া ভাস্কৰ বৰুৱা।

**শ্ৰীভাস্কৰ বৰুৱা, (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। আমি সকলোৱে দেখিছো বৰ্ত্তমান আমাৰ যিবিলাক বিটুমিন দি ৰাস্তা বনাইছে , মোৰ ব্যক্তিগত অভিমত যে আগতে জীৱনৰ প্ৰাৰম্ভিক অৱস্থাত মইও এনেধৰণৰ কাম বহুতো কৰিছিলো । যিটো বিটুমেন আহে মই খবৰ লৈ গ'ম পাইছো যে আই ও চিৰ পৰা যিটো বিটুমেন আমাৰ ৰাস্তাৰ কামৰ বাবে আহিব লাগে সেইটো কোনো বিশেষ কাৰণত আমাৰ কনট্ৰেক্টৰে পোৱাত অসুবিধা হয়। সেই কাৰণে মেক্সিমাম বিটুমেন বাহিৰৰ পৰা আমদানি কৰে । তাৰ ফলত বিটুমেনৰ যিটো আঠা থাকিব লাগে বা তাৰ ডিউৰাব্লিটি- কোৱালিটি ইত্যাদি লো হয় যাৰ বাবে দুই- তিনিবছৰ বৰষুন পৰি ৰাস্তাটো ভাঙিবলৈ আৰম্ভ কৰে । যিহেতু অসমত যথেষ্ট বৰষুন হয় সেই বাবে ভাল কোৱালিটিৰ বিটুমেন আমাক লাগে আৰু দ্বিতীয়তে, আমি যিবোৰ ৰাস্তা বনাইছো পেৰিয়ডিক মেইন্টেনেন্সৰ অভাৱত আমাৰ ৰাস্তাবোৰ বেয়া হৈছে । মই আজি তিতাবৰৰ পৰা গুৱাহাটীলৈ আহিছো ৰাস্তাটোত আহোতে যথেষ্ঠ সময় লৈছে। যিটো ফ'ৰ লেইন ৰাস্তা, টোলগেটত পইচা দি আহিছো- এই ৰাস্তাটোৰ পেৰিয়ডিক মেইন্টেনেন্স কৰিব নেকি, আৰু এন এইচ এ আইৰ ওপৰত চুকু ৰাখিবলৈ অভাৰভিউ কৰিবলৈ ব্যৱস্থা ল'ব নেকি, কাৰণ আমাৰ লোকেলী কিবা সমস্যা হ'লে মানুহ বিচাৰি নাপাও গতিকে আমাৰ পি ডব্লিউ ডি ডিপাৰ্টমেন্টক এটা অথোৰিটি দিব লাগে

যাতে চকু ৰাখিব পাৰে। এইখিনিয়ে মোৰ প্ৰশ্ন অধ্যক্ষ মহোদয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এটা সময়ত আমাৰ পি ডব্লিউ ডি ডিপাৰ্টমেন্টত চেন্ট্ৰেলাইজড প্ৰকিউৰমেন্ট আছিলে। বিটুমিন আমি কিনো আৰু কনট্ৰেক্টৰে আমাৰ পৰা বিটুমিন লৈ ৰাস্তা বনায়। কিন্তু এটা সময়ত এইটো এটা সিদ্ধান্ত হ'ল যে আমি বিটুমিনাচ নিকিনো, ঠিকাদাৰে কিনিব আৰু ৰাস্তাত ব্যৱহাৰ কৰিব। আমি এটা স্পেচিফিকেশ্যন দিও যে এইটো স্পেচিফিকেশ্যনৰ ভিতৰতে বিটুমিনাছ কিনিব লাগিব। আজিকালি বহু কোম্পানীয়ে বিটুমিনাচ প্ৰডিউচ কৰে আৰু ইম্পপোৰ্টো কৰে গতিকে কনট্ৰেক্টৰসকলে আই ও চিৰ বিটুমিনাছ কিনিব নুখুজে বা তেওঁলোকে ৰেইট লৈ বাৰ্গেনিং কৰে । কেতিয়াবা যদি আই ও চিৰ বিটুমিনাচৰ দাম বেছি থাকে আৰু আনহাতে কোনো কোম্পানীৰ বিটুমিনৰ দাম ক'ম থাকে তেতিয়া তেওলোকে কোম্পানীৰ পৰা কিনে। আই ও চিৰ পৰা বিটুমিনাচ কিনিব লাগিব বুলি অসম চৰকাৰৰ কোনো নিৰ্দেশ নাই । এইটো ক্ষেত্ৰত আমি আজি কিবা নিৰ্দেশ দিব পাৰোনে নাই সেইটো এই মুহুৰ্ত্তত ক'ব পৰা নাযাব কাৰণ বৰ্ত্তমান যিটো আমাৰ প্ৰকিওৰমেন্ট ৰুল , এই ৰুলে কয় যে গৰ্ভমেন্ট অৰ্গেনাইজেশ্যনৰ পৰাও আমি ডাইৰেক্ট কোনো বস্তু কিনিব নোৱাৰো -unless it is tendered কিন্তু ভাৰত চৰকাৰৰ এন এইচ এ আই ডিপাৰ্টমেন্টে এটা কাম কৰিছে যে, তেওলোকে বিভিন্ন নিৰ্মাণকাৰী সংস্থা বা সামগ্ৰী যোগনীয়াৰৰ মাজত এটা টেণ্ডাৰ কৰি যিটো কোম্পানীয়ে আটাইতকৈ ক'ম ৰেট দিছে সেইটো কোম্পানীৰ পৰাই সকলো কনট্ৰেক্টৰে কিনিব লাগিব বুলি এটা নিয়ম কৰিছে। ঠিক তেনেকৈ বিটুমিনাছৰ ক্ষেত্ৰতো বিভিন্ন স্পেচিফিকেশ্যন দি টেণ্ডাৰ কৰিছে আৰু তাতে যোনে পাছ কৰিছে তাৰ পৰাই কিনিব লাগে বুলি তেওঁলোকে নিয়ম কৰিছে। লোহাৰ ক্ষেত্ৰতো তেওলোকে through tender schedule ত তেওলোকে নামবোৰ সোমোৱাইছে । আমি যিহেতু ডাইৰেক্টলী চি পি ডব্লিউ শ্বিডিউল ফলো কৰাৰ ব্যৱস্থাটো বিল্ডিঙত লৈছো, ৰোডছত লৈছো , আমাৰ ৰোডছতো চাৰিখনমান চিডিউল আছে । এই ক্ষেত্ৰত আমি কোৱালিটিছৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ কিছু Goods practicess আমি ল'ব পাৰো নেকি? সেই বিষয়ে আমি কথা বতৰা পাতিছো কিন্তু প্ৰায় ২০০১ চনৰ পৰাই অসম চৰকাৰে সিদ্ধান্ত লৈছিলযে আমি ডাইৰেক্টলী আমি কোনো সামগ্ৰী প্ৰকিউৰ নকৰো । কনট্ৰেক্টৰেহে প্ৰকিউৰ কৰিব। সেই ব্যৱস্থাটো মই পৰিৱৰ্ত্তন কৰা নাই আমাৰ চৰকাৰ অহাৰ পিচতো কিন্তু এবাৰ ডেফিনিটলী আমি এটা সমীক্ষা কৰিব পাৰো, এবাৰ আমি চাই ল'ম কিন্তু আমি আই ও চিৰ পৰা বিটুমিন ডাইৰেক্টলী কিনিব নোৱাৰো যেতিয়ালৈকে তেওলোকে টেণ্ডাৰ প্ৰক্ৰিয়াত অংশ গ্ৰহণ নকৰে । আৰু তেওঁলোকেও আজিকালি চাই থাকে যে ক'ত বেছি দামত আমি বিক্ৰী কৰিব পাৰো। Because it is a free economy সেইটোৱে মূল কথা। আনহাতে National Highway periodic monitoring ৰ যিটো কথা কৈছে যেতিয়া তেওলোকক অধ্যক্ষ ডাঙৰীয়াই মাতিব তাত উজনি অসমৰ বিধায়কসকল থাকিব, আপুনিও তাত থাকিব আপুনিও তেখেতসকলৰ লগত কথা পাতিব পাৰিব ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ -- এতিয়া কোৰেশ্বন নং- ৩ শ্ৰীশ্বেৰমান আলী আহমেদ ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰীশ্বেৰমান আলী আহমেদ,(বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ প্ৰশ্নৰ উত্তৰটো এতিয়াও পোৱা নাই এই ক্ষেত্ৰত মই কেইবাবাৰো ক'লো । যি হওঁক মোৰ দুটা বিষয় আছিল । এটা হ'ল চুপ্ৰিম কোৰ্টৰ অৰ্ডাৰমতে আৰু হাই কোৰ্টৰ অৰ্ডাৰমতে যিসকলৰ ডিটেনশ্বন কেম্পত দুই বছৰৰ বেছি হৈছে তেওলোকক ৰিলিছ কৰিব লাগে। এইটো উত্তৰত কি দিছে মই নাজানো । মই আগতে

কোৰেশ্বন কৰোতে উত্তৰ পাইছিলো যে দুই বছৰৰ পূৰ্ণ হোৱা বহুতো মানুহ এতিয়াও ডিটেইনশ্বন চেন্টাৰত আছে । বহুতো শিশু ১৪ বছৰ বয়সৰ তলত আছে । তেওলোকৰ শিশু অধিকাৰটো খৰ্ব কৰা হৈছে । গতিকে এই সকলক অতি সোনকালে কোৰ্টৰ অৰ্ডাৰ অনুসৰি ৰিলিছ দিয়াৰ ব্যৱস্থা কৰিব নেকি ? আৰু দ্বিতীয়টো - মোৰ এটা ব্যক্তিগত প্ৰশ্ন যে প্ৰায় ৫ মাহমান হ'ল মোৰ পি এচ ওক উইড্ৰ' কৰা হৈছে । কি কাৰনে মোক পি এচ ও দিয়া হোৱা নাই । ইয়াত আমি সকলোৱে ৰাজনৈতিক নেতা গতিকে সদায় শত্ৰু থাকে । My life at risk. গতিকে অধ্যক্ষ মহোদয়, এই দুটা উত্তৰ মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা পাম বুলি আশা কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো মাটিয়াত ডিটেইনশ্বন কেম্প আছে তাতে ৫ জন ইনমেইটচ আছে যিসকলে ইতিমধ্যে সকলোৱে দুই বছৰ সম্পূৰ্ণ কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ যিটো নিৰ্দেশ আছে সেই নিৰ্দেশ অনুসৰি আমি দুই বছৰ সম্পূৰ্ণ কৰাৰ পিচত তেওলোকক ৰিলিছ কৰিব লাগে । উচ্চতম ন্যায়লয়ৰ আৰু এটা ৰায় আহে যিটো ৰায় আমি এনেক্সাৰত ৰাখিছো, ইয়াতে গুৱাহাটী উচ্চন্যায়লয়ৰ নিৰ্দেশৰ লগত উচ্চতম ন্যায়লয়ৰ নিৰ্দেশটো অকনমান পাৰ্থক্য অহাৰ বাবে আমি উচ্চতম ন্যায়লয়ৰ নিৰ্দেশটো আমি পৰীক্ষা কৰিছোঁ আৰু উচ্চতম ন্যায়লয়ে আমাক যিটো শেহতীয়াকৈ নিৰ্দেশ দিছে আমি তাক পালন কৰাৰ বাবে চেষ্টা কৰিছোঁ। ইয়াতে কেইবাটাও গাইড লাইন বনাই দিয়া হৈছিল, সেই কাৰণে আমি অকনমান সময় লৈছোঁ। আৰু তাৰ পিছত এই ক্ষেত্ৰত আমি এটা নিৰ্দেশ ইচ্ছু কৰিব পাৰিম। সন্মানীয় সদস্য গৰাকীৰ যিটো ব্যক্তিগত পি এচ অ' ৰ ঘটনা, সেই গোটেই ঘটনাটোৰ বিষয়ে মই কব খোজা নাই কিন্তু বৰপেটা এচ পি ৰ এটা প্ৰতিবেদন আছিল যে পি এচ অ' ৰ কাম হ'ল কোনোবাই যদি বিধায়ক গৰাকীক আক্ৰমণ কৰে, বিধায়ক গৰাকীক ৰক্ষা কৰা আৰু পি এচ অ' ৰ একমাত্ৰ কাম হ'ল যে যাৰ তেওঁ দেহৰক্ষাৰ দায়িত্বত থাকে, তেওঁ তেখেতৰ দেহ ৰক্ষা কৰিব লাগিব। কিন্তু আমি পি এচ অ' জনক যে তই এইটো কৰ, তই সেইটো কৰ সেই নিৰ্দেশ দিয়াৰ অধিকাৰ আমাৰ কাৰো নাথাকে। এই ক্ষেত্ৰত বৰপেটাৰ এচ পি য়ে আমাক জনাইছিল যে যি গৰাকী বিধায়কৰ লগত পি এচ অ' দিয়া হৈছিল সেই বিধায়ক গৰাকীয়ে পি এচ অ' মিছ ইউচ কৰিছে আৰু পি এচ অ' গৰাকীক গুলি চালনাৰ নিৰ্দেশ দিছিল। সাধাৰণতে পুলিচক আমি কোনোৱে গুলি চালনাৰ নিৰ্দেশ দিব নোৱাৰো। সেই প্ৰতিবেদনৰ পৰিপাক্ষিতত বিধায়ক গৰাকীৰ পৰা দেহৰক্ষী প্ৰত্যাহাৰ কৰা হৈছিল। সেইটোৱে ঘটনা। এইটো এচ পি ৰ প্ৰতিবেদন। মই নিজাকৈ পৰীক্ষা-নিৰিক্ষা কৰা নাই। কিন্তু যেতিয়া এচ পি য়ে কলে যে বিধায়ক গৰাকীয়ে দেহৰক্ষী গৰাকীক কৈছিল তুমি ফায়াৰ কৰি দিয়া অমূকৰ ওপৰত, তেতিয়া অলপ বিতৰ্কও হৈ গ'ল আৰু সেই পৰ্য্যায়ত আমি পি এচ অ' উইদ্ৰ কৰিব লগীয়া হ'ল। এইটোৱে position।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ ছাৰ, মই উত্তৰটো পালো, in criminal offence, if I am involving criminal offence the punishment should given to me and with PSO concern as per my knowledge goes he has not gave any compalin against me.

No. 2 for my offence I may be punished but my life cannot be exposed to the threat, as there are already two cases against me, there are political opponent one at Moinabari OP and another at Alopati PS. Now the question is by withdrawing the PS, whether the Gov-

ernment is just exposing my life to the threat to the Government why I may be assassinated by the my political opponent.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** माननीय अध्यक्ष মহোদয়, সন্মানীয় বিধায়ক গৰাকীৰ যি গৰাকী পি এচ অ' আছিল তেখেতৰ নাম অৰুণ নাথ আছিল। অৰুণ নাথে আমাৰ আলুগুটিচৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছিল। সেই এজাহাৰত বিধায়ক ডাঙৰীয়াৰ লগত যি ঘটনা হৈছিল যে কি ধৰণে গোটেই ঘটনাটো হৈছিল তাৰ বিষয়ে দিছিল। এতিয়া মই বহুত বিতংকৈ যাব খোজা নাই। কিন্তু আমাৰ গোটেই ঘটনাটোত পি এচ অ' জনক যেতিয়া আমাক দিয়া হয় তেওঁৰ ক্ষেত্ৰত কিছুমান নীতি বা নীতিৰ যিটো পৰিৱেশ সেই পৰিৱেশটো maintain কৰিব লাগে। আজি সেই সময়ত বিধায়ক গৰাকীৰ মই সঁচা-মিছা নাজানো, যদি বিধায়ক গৰাকীৰ নিৰ্দেশত fire কৰি দিলেহেতেন তেতিয়াহলে কেনেকুৰা এটা পৰিৱেশ হ'ল হেতেন সেইটো আমি সকলোৰে অনুভৱ কৰিব পাৰিব লাগিব। সেইবাবে বিষয়টো অকনমান পুলিচে কৈছে যে আমি তেখেতৰ লগত আমাৰ পি এচ অ' দিয়াৰ অসুবিধা আছে, তেখেত সকলে আমাক সেই বিষয়ে জনাইছে। কিন্তু মই অস্বীকাৰ নকৰো যে বিধায়ক গৰাকীৰ ওপৰতো life of threat থাকিব পাৰে। গতিকে এই ক্ষেত্ৰত মই আকৌ এবাৰ পুলিচৰ লগত আলোচনা কৰি লম।

**माननीय अध्यक्ष ঃ** ধন্যবাদ।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** ছাৰ, এইখিনিতে মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব খুজিছোঁ যে এই FIR of Arun Nath was not against me, it was against the offender.

**माननीय अध्यक्ष ঃ** Supplementary আছিল।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** अध्यक्ष মহোদয়, এচ পি য়ে আমাক report দিছে যে for the enquiry conducted so far it is found that on a personal issue over payment of an amount between the Hon'ble MLA and J. A. Allam , Shri Sherman Ali MLA, Bhagbar LAC commanded his PSO namely constable Arun Nath to fire at J.A.Alam and even instigated that PSO using unparliamentary words to open fire. It is also mention here that two PSO so and so, so this is the report. আৰু মোৰ ভয় এইটোৰে যে যদি কেতিয়াবা বিধায়ক গৰাকীৰ নিৰ্দেশত পি এচ অ' য়ে সচাই ফায়াৰ কৰি দিলে হেতেন তেতিয়া কি অৱস্থা হ'ল হেতেন, সেই কাৰণে এটা আমি এনেকুৰা ক্ষেত্ৰত আৰু অভিযোগ বিলাক যেতিয়া এজন এচ পিয়ে বিধায়ক এগৰাকীৰ কথা এনেকৈ লিখি দিয়ে, তাক deny কৰাৰ কাৰণে আমাৰ অসুবিধা হৈ যায়। কাৰণ ৰেকৰ্ডত এইটো থাকে। মই অভাৰৰাইট কৰিব লাগিব যে এচ পি ৰ কথা মিছা, গতিকে PSO continue.অথবা মই কোনোবা এজন ডি জি পি আৰু আই জি পিক তদন্ত কৰাৰ বাবে দিব লাগিব যে এচ পি ৰ ৰিপোৰ্টটো সচাঁনে মিছা। কিন্তু মোৰ মেজত যেতিয়া এই ৰিপোৰ্টটো আহে মই এচ পি ৰ প্ৰতিবেদনটো অসত্য বুলি কব নোৱাৰোঁ। আৰু মই বেছিকৈ তদন্ত কৰিব গলে কি হয় তাত যিখিনি ভিছুৰেল টেলিভিচনত আমি দেখিছিলো সেই ভিছুৰেলটো অলপ প্ৰমাণ কৰে যে বিধায়ক গৰাকীয়ে যি কোনো অলপ অসতৰ্ক মুহূৰ্ততে হওঁক যে দুই এটা নকবলগীয়া ইন্‌চট্ৰাকচন দিয়াতো আমি টিভিৰ ভিছুৰেলটো আমি দেখা পাইছিলোঁ। গতিকে যিমানে বিষয়টো মই অনুসন্ধান কৰিম অলপ বেছি বেয়ালৈ যাব বুলি মই অনুসন্ধান নকৰি

ইমানতে সামৰিলোঁ। মই প্ৰতিশ্ৰুতি দিছোঁ যে ঠিক আছে ৫ মাহ পাৰ হৈ গ'ল, আমি পৰিৱেশটো চাম, বিধায়ক গৰাকীৰ লগতো ডি জি পি মহোদয়ে কথা পাতিব আৰু যদি পি এচ অ' ভৱিষ্যতে অপপ্ৰয়োগ নকৰে বুলি এটা লিখি দিব নালাগে আজি এই বিধান সভাৰ মজিয়াতে কৈ দিয়ে যে আমি পি এচ অ' misutilize নকৰো বুলি আৰু আমি কোনেও কৰিব নালাগে কেৱল আমিয়ে নহয়। তেতিয়া মই লগে লগে ডি জি পি ক কৈ দিম যে গধূলি আপোনাক পি এচ অ' দি দিব লাগে। কিন্তু আপুনি কৈ দিলে হ'ল যে এইটোৰ misuse হ'ব নালাগে বুলি।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ভুল হ'ব পাৰে মই যিমানদূৰ জানো পি এচ অ' য়ে মোৰ দেহৰ ৰক্ষা কৰিব লাগে। কিন্তু যেতিয়া সেইদিনাৰ কথাটো ওলাইছে সেইদিনা তেওঁ মোক এটেক্ট কৰিব খুজিছিল, হ'ব পাৰে but he is very close to me and I lost my temper, I agree.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক মহোদযে সময়ে সময়ে অলপ-চলপ টেম্পাৰ লুছ হয়, কেতিয়াবা আপুনি টেম্পাৰ লুছ হৈ আমাকো কিবা-কিবি কয়, আমি শুনি থাকো। সেইটোকলৈ আমাৰ আপত্তি নাই। কিন্তু ফায়াৰেন্স হাতত লোৰা থকাৰ ওচৰত আমি অকনমান best of ability নিজক কৰিব লাগে। কাৰণ কেতিয়াবা পি এচ অ' সকল বহুত দিন আমাৰ লগত থাকিলে আমাৰ close হৈ যায়, ভাৱে যে ছাৰেটো বচাবয়ে গতিকে গুলিয়াই দিওঁ। যদি গুলিয়াই দিলে হেতেন তেতিয়াহলে আজি আপোনালোকক আমি ইমান ভালকৈ কথা বতৰা পতাৰ সুবিধা নাপালোহেতেন, গতিকে এই কথাখিনিক চাই along with our age, আমি অকনমান matured আৰু অকনমান নিজক ভালদৰে কনভাৰ্ট কৰিব লাগে। যি নহওঁক আপুনি যিহেতু কৈছে মই আজিয়ে ডি জি পি মহোদয়ক কৈ দিম আপোনাক পি এচ অ' দি দিব। কাৰণ আপোনাৰ জীৱনৰ প্ৰতিও নিৰপত্তাৰ প্ৰশ্ন আছে। মই জানো। ভৱিষ্যতে এইটো কথা যদি আকৌ ৰিপিট হয় তেতিয়া আপুনিও মোক অনুৰোধ নকৰিব কাৰণ না ক'বৰ কাৰণে মোৰো লাজ লাগিব। গতিকে বিষয়টো যাতে কেতিয়াও নহয় আৰু We have to matured along with the age. আপুনিটো বিধায়ক হোৱা বহুত দিন হ'ল। গতিকে we have to act with lots of maturity. আৰু এটা কথা মই কৈ থওঁ যে how immaturities reflected.ইয়াত মাটিয়াৰ detention ৰ লগত মোৰ PSO টোৰ প্ৰশ্ন লগ লগাই দিয়াত কোনো অৰ্থ থাকিব নোৱাৰে। মাটিয়াৰ প্ৰশ্নটো হ'ল in public interest, আপোনাৰটো personal interest হ'ব নোৱাৰে। MLA সকলে তিনিটা ধুনীয়া ধুনীয়া কথা লিখি চাৰিনম্বৰটো নিজৰ প্ৰশ্ন লিখি দিয়ে। গতিকে both incidents are not co-related আৰু কোনো কথাও নহয় আৰু মাননীয় সদস্য গৰাকীৰ যি PSO আছে আমি তাক restore কৰি দিম। কেৱল মোৰ বিনম্ৰতাৰে সৈতে অনুৰোধ যে আপুনি যাতে ভৱিষ্যতে অত্যন্ত maturity লৈ কাম কৰে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম(জ্যেষ্ঠ, ধিং)ঃ** মই চাৰ, এই কথাটোৱে ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ হ'ব। শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, detention camp ত কোনোবা এজন মানুহে বন্দিত্বৰ জীৱন কটাই যেতিয়া ঘৰলৈ ঘূৰি আহে, তাৰ পাছত সেই ব্যক্তিজনে সপ্তাহে সপ্তাহে থানাত গৈ হাজিৰা দিব লাগে আৰু এই সপ্তাহে সপ্তাহে থানালৈ যাব লগা হোৱাত

সেই ব্যক্তিজন যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰতি অনুৰোধ জনাম যে এই যিটো এক সপ্তাহৰ সময় সেই ক্ষেত্ৰত অলপ শিথিল কৰিব নেকি? আৰু শিথিল কৰি সেই ব্যক্তি সকলক যাতে অসুবিধাৰ পৰা অকনমান দূৰ কৰে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, This was a landmark decision যে আগতে detention camp ত মানুহ বহুত দিনলৈ থাকি গৈছিল, গুৱাহাটীৰ উচ্চন্যায়ালয়ে এটা Judgement দিলে যে আপোনালোকে detention camp ত দুবছৰতকৈ বেছি থকা detainee সকলক release কৰিব কোনোবাই যদি তেওঁলোকৰ হৈ আবেদন কৰে বা তেওঁলোকৰ দায়িত্ব লয় । তাৰ লগত আৰু এটা অৰ্ডাৰ লিখি দিলে যে তেওঁলোকে সপ্তাহে সপ্তাহে ওচৰৰ পুলিচ থানাত গৈ report কৰিব লাগিব। গতিকে মই ভাবো ইয়াতে চৰকাৰৰ কৰিব লগা খুব কম থাকে, সন্মানীয় বিধায়কগৰাকীয়ে গুৱাহাটী উচ্চন্যায়ালয়ত এখন intervening petition দি দিলে যে এইটো সাত দিন নহয় একমাহ কৰি দিব লাগে। মই ভাবো তেওঁলোকে বিবেচনা কৰিব। কিন্তু বিষয়টোৰ লগত ন্যায়পালিকা জড়িত। ইয়াত আমাৰ কৰিবলগীয়া একো নাই। আৰু আমি চৰকাৰৰ পৰা তেনেকুৱা petition এখন লৈ যোৱাত অসুবিধা এই কাৰণেই যে কোনোবা যদি পিছত হেৰাই যায় তেতিয়াহলে দায়িত্বটো আমাৰ হয়। কিন্তু হাইকোৰ্টে নিজেই কৈ দিয়ে instead of one week, it may be one month তাত আমাৰ আপত্তি কৰিবলগা একো নাই। গতিকে মই সন্মানীয় বিধায়কগৰাকীক অনুৰোধ কৰিম যে বহুত সংগঠন আছে, যিবিলাকে civil liberty, civil justice ৰ ওপৰত কাম কৰে, চৰকাৰৰ ফালৰ পৰা কোনো আপত্তি নাই এক সপ্তাহৰ ঠাইত একমাহ হ'লে। প্ৰধান বিষয়টো হ'ল তেওঁলোক হেৰাই যাব নালাগে। অসমত আগতে চিনাক্ত হোৱা বিদেশী, বহুতবোৰ বিদেশী হেৰাই গৈছে। that is the key issue, হেৰাই ন'গলে, কোনোবাই দায়িত্ব ললে একসপ্তাহৰ ঠাইত একমাহত হাজিৰা দিলে তাত মোৰ কোনো আপত্তি নাই, চৰকাৰৰ ইয়াত কোনো আপত্তি নাই।but we have to abide by the order of the Hon'ble Court.

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং-৪ কৰিম উদ্দিন বৰভূইয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী কৰিম উদ্দিন বৰভূইয়া, (সোনাই)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Election Commissionয়ে যি Delimitation কৰিছে, আমাৰ চৰকাৰ পক্ষৰ কোঠাত বিচাৰি বিচাৰি এইখন Delimitation সম্পুৰ্ণ হৈছে। তাত কোনো সমষ্টি এনেকুৱা হৈছে ৭০ কিঃ মিঃ ৮০ কিঃমিঃ ৯০ কিঃ মিঃ ১০০ কিঃ মিঃ উদাহৰণ স্বৰূপে মোৰ সমষ্টি সোনাই শিলচৰ মনিপুৰ ব'ৰ্ডাৰৰ পৰা মিজোৰাম ব'ৰ্ডাৰলৈকে আছে। এনেকুৱা বহুত কেইখন সমষ্টি দেখিছো মই ধুবুৰী Parliamentary Constituency দেখিছো, বৰপেটাৰ পৰা ৪০০ কিঃ মিঃ মানকাছাৰলৈকে । যিয়ে নহওঁক এই পৰিস্থিতিত চৰকাৰৰ উত্তৰত দিছে যে ব্যৱস্থা লোৱা হ'ব। স্পেচিয়েলী দিয়াৰ কাৰণে যিবিলাক সমষ্টি বহুত দীঘলীয়া হৈ গৈছে। স্পেচিয়েলী এই চেচনৰ পিছতে হওঁক মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ এই অঞ্চলৰ বিধায়ক সকলৰ লগত বা মোৰ লগত কথা পাতিয়েই হওঁক চৰকাৰৰ বিভাগৰ লগত কথা পাতিয়েই হওঁক roads and bridge ৰ কিবা ব্যৱস্থা ল'ব নেকি? ইয়াৰ লগতে মোৰ সমষ্টিত দুখন দলং অতি প্ৰয়োজনীয়, এখন শিলঘাট দলং আৰু বাকুম চাপকৰাকান্দি দলং। এই দুয়োখনৰ কাৰণে মই সদনত বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মুখ্য মন্ত্ৰী।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো ঠিকেই আছিল। লগত Election Commissionটো লৈ অহাৰ কাৰণে মই দুটা সৰু শব্দ কওঁ যে বৈঠালাংচুৰ বিধায়ক গৰাকী ইয়াত উপস্থিত আছে। আগতে বৈঠালাংচু সমষ্টিটো আৰম্ভ হয় মেঘালয়ত আৰু শেষ হয় জাগীৰোডত। ইমান কিঃ মিঃ মানুহ যে কোনো বিধায়ক জীৱনত ইফালৰ পৰা সিফাললৈ যাব নোৱাৰে। আজি সেই সমষ্টিটো দুটা কৰা হৈছে, গতিকে নিৰ্বাচনী আয়োগে ক'ব আমিটো তাতে ধুনীয়া কৰি দিলো। জোনাই সমষ্টি বহুত দীঘলীয়া আছিল কেতিয়াও গৈ শেষ কৰিব নোৱাৰি। জোনাই সমষ্টিটো এতিয়া দুটা কৰি দিলে, সেয়েহে এতিয়া ধুনীয়া হৈ গ'ল। দিশপুৰ সমষ্টিটোৰ সীমাৰ জোখ লেখ নাছিল। মাননীয় অতুল বৰা ডাঙৰীয়া ইয়াত আছে, তেওঁক এককোটি টকা দিলে একোৱেই নহয়। এককোটি টকা মানে হাতীৰ আগত এটা কল আগুৱাই দিলে যিটো হয়, তেনেকুৱা হয়। কিমান ডাঙৰ সমষ্টি এতিয়া সেইটো দুটা ভাগ হৈ গ'ল। গতিকে সমস্যাৰ সমাধান হৈ গ'ল। গতিকে মই ভাবো নিৰ্বাচনী আয়োগৰ আগত বা তেওঁলোকৰ বিষয়ে আমি sweeping comment কৰাৰ আগতে অসমৰ ভিতৰত আমাৰ এটা সম্যক ধাৰণা হ'লেটো ভাল হয়। আগতে আমি যদি বৈঠালাংচুলৈ যাওঁ, দিশপুৰলৈ দি যাওঁ যদি জোনাইলৈ যাও, তেতিয়াহ'লে আমি কম যে ইমান ধুনীয়া সমষ্টিৰ পুনৰ বিভাজন কেতিয়াও হ'ব নোৱাৰে। এতিয়া সোনাইৰ ক্ষেত্ৰত যিটো আপুনি ১০০ কিঃ মিঃ ৰ কথা কৈছে, মোৰ জালুকবাৰীৰ সমষ্টিটো সদায় ১০০ কিঃ মিঃ মানেই আছে। ভূটনাথৰ পৰা আৰম্ভ হৈ ডুমুনিচকীত শেষ হয়। ইফালে আকৌ গৈ হাজোত শেষ হয়। গতিকে এই কথাবিলাক এটা মানুহৰ ধাৰণা। কিন্তু মেপখন চালে সকলোৰে চাইজটো এইটোৱে। কিন্তু অসমত পাহাৰ, পৰ্বত, নদী থকাৰ বাবে সমস্যা হয়। যোৱাকালি মই বৰাকভেলীলৈ গৈছিলো, উধাৰবন্দত শিলচৰৰ মাগুন যোৱাৰ কাৰণে তেওঁলোকৰ বহুতৰ আপত্তি, কিন্তু যেতিয়া মই মথুৰাঘাটৰ দলংখন ঘোষণা কৰি দিলো,নদী আৰু নদী সংযাগ হৈ গ'ল তেতিয়া মানুহে কৈছে এতিয়া আমাৰ কোনো অসুবিধা নাই, আমাৰ শিলচৰ একেই হৈ থাকিল। ঠিক তেনেকৈ আমাৰ বিধায়ক গৰাকীৰ শিলঘাট দলংখন ঘোষণা কৰি দিলো। আন এখন দলং সেইদিনাখন ঘোষণা হৈ গ'ল, গতিকে এতিয়া শিলচৰ টাউন সোনাইৰ মানুহ আহি পাওঁতে আগতকৈ বেছি ওচৰ হৈ গ'ল। অৰ্থাৎ অসমৰ special geography টো যদি দলং আমি বিভিন্ন নদীৰ ওপৰত বনাই গৈ থাকিব পাৰো তেতিয়া সমস্যা বিলাক সমাধান হ'ব। আজি মোৰ সমষ্টিটো, যোৱাবাৰৰ সমষ্টিটো ইমানেই দীঘলীয়া আছিল যে ১৯০ কিঃ মিঃ আছিল। কিন্তু গুৱাহাটী- উত্তৰ গুৱাহাটী দলংখন হোৱাৰ লগে লগে সেইটো আধা হৈ যাব। সেই কাৰণে নিৰ্বাচনী আয়োগে এইটো কৰা নাই, অসমৰ ভৌগলিকটোৱে এনেকুৱা যে কাৰোবাক চুটি কৰিবলৈ গ'লে কাৰোবাৰ অলপ দীঘল হ'ব। গতিকে if we have to celebrate, we have to celebrate Assam and we have to blame, we have to blame Assam, because that is our State. ইয়াত এটা concept একেধৰণে, ধুনীয়াকৈ ৰেষ্টুৰেন্টত ৰসোগোল্লাৰ চাইজ যেনেকৈ একে বনাই, তেনেকৈ বনোৱাটো কাৰো কাৰণে সম্ভৱ নহয়। যদি আমাৰ ভোট বিচাৰি বিচাৰি সমষ্টি বনাইছে, AIUDF ৰ ভোট বিচাৰি বিচাৰি সমষ্টি বনাইছে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নকালীন ঘন্টা সমাপ্ত হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা সৰু ঘোষণাৰে মই সামৰণি মাৰিছো। যিহেতু question hour শেষ হৈছে। আপুনি মোক অলপ সময় দিয়ক। লোকনিৰ্মাণ বিভাগে পুনৰ নিৰ্ধাৰিত সমষ্টিৰ ওপৰত ইতিমধ্যে sub-division আৰু division বিলাক

ঘোষণা কৰিছে। আজি বা কালি আপোনালোকে notification ৰ কপি লৈ ল'ব পাৰিব। আমি ইতিমধ্যে কৰি দিছো। অহা কেবিনেটত Flood control, Irrigation য়েও পুনৰ নিৰ্ধাৰিত সমষ্টি বেচিচত মণ্ডল আৰু সংমণ্ডল বিলাক ঘোষণা কৰিব। পুনৰ নিৰ্ধাৰিত সমষ্টিৰ ওপৰত প্ৰায় ৭৯ নতুন মহকুমা/উপ-জিলাও গঠন কৰা প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। তেতিয়া আমি পুনৰ নিৰ্ধাৰিত সমষ্টিৰ ভিত্তিত PWD, Water Resources Department ক টকা-পইচা পঠাম সেই পুনৰ নিৰ্ধাৰিত সমষ্টিৰ typical problem বিলাক যেনে- এই দলং খন বনাই দিলে ৰাস্তাটো চুটি হৈ যাব, ইয়াত এটা ৰাস্তা বনাই দিলে মানুহৰ সুবিধা হ'ব সেই দৃষ্টিভংগীৰে কাম কৰিব। গতিকে মাননীয় বিধায়ক কৰিম উদ্দিন বৰভূঞা ডাঙৰীয়াই যিটো প্ৰস্তাৱ আগবঢ়াইছে তাৰ ওপৰত চৰকাৰে ইতিমধ্যে ব্যৱস্থা লৈছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১০ মিনিট সময় বঢ়াই দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Adjornment Motion আছে। আমাৰ মাননীয় বিধায়ক শ্ৰী অখিল গগৈ, শ্ৰী মনোৰঞ্জন তালুকদাৰ, আমিনুল ইছলাম আৰু মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াৰ পৰা প্ৰস্তাৱ পাইছো। প্ৰথমে মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই তেখেতৰ বক্তব্য দাঙি ধৰিব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিটো বিষয় লৈ প্ৰশ্ন উত্থাপন কৰিছো এই বিষয়টো সামাজিক ভাৱে গুৰুত্বপূৰ্ণ বিষয়। যোৱা কিছুদিন ধৰি ৩১ আগষ্ট তাৰিখৰ পৰা অসমত বিদ্যুতৰ অৱস্থা সাংঘাতিক ভয়ানক হৈ উঠিছে। এই বিষয়ে প্ৰত্যেকখন বাতৰি কাকতত ওলায়েই আছে। অসমীয়া প্ৰতিদিন কাকতত ওলাইছে যে 'উৎকট গৰমত লোড শ্বেডিঙত অতিষ্ঠ জনতা' এনেদৰে প্ৰতিদিনে প্ৰতিখন বাতৰি কাকতত বাতৰি ওলাই আছে। মই ভাবো যে অসমত যি বিদ্যুৎ সংকট হৈছে, এই বিদ্যুৎ সংকট ভয়ানক বিদ্যুৎ সংকট আৰু এই বিদ্যুৎ সংকটে প্ৰমাণ কৰিছে যে আচলতে অসম চৰকাৰে বিদ্যুৎ উৎপাদনৰ কাৰণে কোনো ধৰণৰ ব্যৱস্থা নোলোৱাৰ কাৰণে আজি যি সময়ত peak hour ত আমাক ২৫৪০ মেগাৱটৰ বিজুলীৰ প্ৰয়োজন হৈছে, সেই সময়ত অসমৰ peak hour ৰ উৎপাদন কেৱল ২৮১ মেগাৱট। ১০ শতাংশ বিদ্যুৎ আমাৰ অসমে উৎপাদন কৰিব পাৰে। তাৰ বিপৰীতে আমি দেখিবলৈ পাইছো যে অসমৰ বিদ্যুতৰ যিটো ৰেট বা বিজুলীৰ যিটো মাচুল সেইটো ভাৰতবৰ্ষৰ ভিতৰতে ৭ নম্বৰৰ ওপৰত। একেবাৰে ওপৰৰ পৰা চালে ৭ নম্বৰত। আজিৰ দিনটোত আমি ঘৰুৱা বিদ্যুৎ ৭ টকা ৬০ পইচাকৈ কিনিব লাগে। আমি গ্ৰাহক সকলে আগতীয়াকৈ পেমেণ্ট কৰি দিছো। আজিকালি বিদ্যুতৰ কাৰণে আগতীয়াকৈ পইচা লৈ লয়। কিন্তু আগতীয়াকৈ পইচা লোৱাৰ পিছত চৰকাৰে বা APDCL য়ে আমাৰ গ্ৰাহক সকলক ভালদৰে বিদ্যুৎ যোগান ধৰিব পৰা নাই। যাৰ ফল স্বৰূপেএদিনত এটা ঘৰত ২৪ ঘণ্টাৰ ভিতৰত ১০ ঘণ্টাৰ পৰা ১২ ঘণ্টা পয্যন্ত বিজুলী নাথাকে। পৰিস্থিতি এনেকুৱা হৈছে যে কোনোবা এখন গাঁৱৰ কাৰণে মানুহে জেনেৰেটৰ ভাৰা কৰি লৈছে। ৰাতিৰ কাৰণে গোটেই গাঁৱৰ মানুহ আহি নামঘৰত বসবাস কৰিছে। মোৰ নিজৰ সমষ্টিতে কেচুঁৱা ৰাখিবৰ কাৰণে ওচৰত থকা এখন এ.চি বাচ ভাড়া কৰি পৰিয়ালটো ৰাতি থাকিব লগীয়া হৈছে। অসমৰ পৰিস্থিতি এনেকুৱা হৈছে। সাংঘাতিক গৰমৰ কাৰণে আজি আমাৰ মানুহৰ অৱস্থা বহুত বেয়া হৈছে, ব্যৱসায় বাণিজ্য সাংঘাতিক ধৰণে বেয়া হৈছে, হস্পিতাল বিলাকৰ অৱস্থা বেয়া হৈছে। একেটা সময়তে আমি দেখিবলৈ পাইছো যে ব্যাপক ৰূপত লোড শ্বেডিং কৰা হৈছে। মই ভাবো এই গোটেই পৰিস্থিতিৰ কাৰণে এইটো এটা নিৰ্দিষ্ট বিষয়। আমি এটা নিৰ্দিষ্ট বিষয় উত্থাপন কৰিছো যে বিদ্যুৎ সংকট হৈছে। আগতীয়াকৈ

টকা-পইচা লৈ এতিয়ালৈকে তেওঁলোকে বিদ্যুৎ যোগান ধৰিব পৰা নাই। বিদ্যুৎ যোগান ধৰিছে যদিও আমাৰ পৰা সাংঘাটিক ধৰণৰ দাম লৈছে। দাম লোৱাৰ পিছতো কিন্তু আমাক প্ৰয়োজনীয় বিদ্যুৎ যোগান ধৰিব পৰা নাই। গতিকে অসমৰ সামগ্ৰিক জীৱন ব্যাহত কৰি পেলাইছে। আজি যিবিলাক মানুহে বেটাৰীত চলা ৰিক্সা লৈছে তেওঁলোকে বেটাৰীটো চাৰ্জ দিবৰ কাৰণে বিদ্যুৎ নাই। অৰ্থাৎ ব্যৱসায়-বাণিজ্য, উদ্যোগ, ঘৰুৱা জীৱন সকলো শেষ কৰি দিছে। মই ভাবো যে এনেকুৱা পৰিস্থিতিত এই বিষয়টো আন সকলো বিষয় বন্ধ কৰি আলোচনা কৰিব লাগে। যিখন চৰকাৰে বিদ্যুৎ উৎপাদন কৰিব পৰা নাই, যিখন চৰকাৰে বিদ্যুতৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'বৰ বাবে কোনো ব্যৱস্থা কৰা নাই এইখন চৰকাৰে বেলেগ কোনোবা কোম্পানীয়ে, NPC য়ে বিদ্যুৎ বঢ়াব এইবিলাক বিষয় লৈ হুলস্থুলৰ সৃষ্টি কৰি থাকে, গতিকে মই ভাবো যে এই বিষয়টো আলোচনা কৰাৰ কাৰণে আমাৰ সদনক অনুমতি দিব লাগে আৰু আন সকলো কাম বন্ধ কৰি এই বিষয়টো সদনত আলোচনা হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য সকল, আমি আজি সভা স্থগিত প্ৰস্তাৱৰ জাননী ৪ খন পাইছো। আপোনাৰ আৰু মাননীয় বিধায়ক শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া দুইজনৰে পাইছো। বিষয়টো গুৰুত্বপূৰ্ণ আৰু জনসাধাৰণৰ লগতে সম্পৰ্কিত। আপোনালোকে এই বিষয়টোৰ ওপৰত সভা স্থগিত প্ৰস্তাৱ আনিছে যে আমাৰ আজিৰ কাৰ্য্যসূচী বাদ দি এই বিষয়টোৰ ওপৰত আলোচনা কৰিব লাগে। মাননীয় বিৰোধী দলৰ দলপতি।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিহেতু সভা স্থগিত প্ৰস্তাৱ আনিছো Kaul and shakdher ৰ 7th edition ৰ ৫৬২ ত যিখিনি condition আছে সেইখিনি আৰু আমাৰ নিজৰ condition এই গোটেইখিনি makeup কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ বিফলতাৰ বাবেই আমাৰ যিটো Ministry of Responsibility ত to give a decent life, আমাৰ যিটো ভালধৰণে বসবাস কৰাৰ অধিকাৰ আমাৰ সংবিধানত আছে এইখিনিৰ পৰা আমি বঞ্চিত হৈছো। আমি সকলোৰে জ্ঞাত যে অসমত কিমান বিদ্যুৎ লাগে। গতিকে এই বিদ্যুৎ উৎপাদনৰ কাৰণে সময়ে সময়ে চৰকাৰে যি আঁচনি বোৰৰ জৰিয়তে বিদ্যুৎ উৎপাদন কৰা হ'ব বুলি আমাক প্ৰতিশ্ৰুতি দিছিল তাৰ ভিতৰত ২০১৫ চনৰ Power for All 24x7 by 2019 এইটো কেন্দ্ৰীয় চৰকাৰৰ ভাৰতীয় জনতা পাৰ্টীয়ে কৰা ঘোষণা। ইয়াৰ পিছত ২০১৫ চনৰ smart city গুৱাহাটীতো বিদ্যুৎ নাই, ২০১৭ চনৰ State Renewable Action Plan আছিল। ২০১৮ চনত vision Assam 2030 আছিল, ২০১৯ চনত Grid connected rooftop solar power এই গোটেইবোৰ আঁচনিৰ উপৰিও আমাৰ নামৰূপ, লাকুৱা এই গোটেইবোৰতেই re-generation plan আৰু মাৰ্ঘেৰিটাত এটা নতুন 600 unit আৰু বঙাইগাওঁতো বিদ্যুত উৎপাদন বৃদ্ধি কৰাৰ কথা আছিল। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ উপৰিও আমাৰ অসমত per capita যথেষ্ট কম। আমি এতিয়া power নাই বুলি কথা পাতি আছো। কিন্তু Oil India ৰ average ২০১৮-১৯ চনতেই অসমত per capita consumption ৩৪১ হয়। Oil India ৰ average হৈছে ১১৮১ per capita. APDCL য়ে ২০৩০ চনৰ ভিতৰত ৯২৪ কৰাৰ কথা কৈছে। কিন্তু এতিয়া আমি লোড শ্বেডিঙৰ সন্মুখীন হৈ আছো। যিটো সময়ত চৰকাৰে প্ৰকৃততে আমাক সকাহ দিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল সেইটো আমি দেখা পোৱা নাই। যেতিয়া ঠাণ্ডা আহিব আৰু AC, Fan আদি নচলিব সেইখিনি সময়তহে আমি সকাহ পাম বুলি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কেইদিন মান আগতে

আমাক কৈছিল। আজি Prepaid meter ত ৪২০০ টকা এডভাঞ্চ লোৱা হৈছে আৰু pre-paid meter installation কাৰণে ৪২০০ কোটি টকা ব্যয় কৰা হৈছে। সেই টকাৰেও আমি আগতীয়াকৈ বিদ্যুৎ কিনিব পাৰিলো হয়। যিবোৰ আমাৰ বহুদিন ধৰি চুক্তি আছে। এতিয়া গছপুলি বিতৰণৰ কাৰণে আমি ইমান টকা লৈছো। এইবোৰ আমি প্ৰশংসা কৰিম। কিন্তু আমাৰ যিটো বিদ্যুৎ পোৱাৰ অধিকাৰ, যিটো নহ'লে আমাৰ ব্যৱসায়-বাণিজ্য বন্ধ হৈ যায় আৰু বহুতে জেনেৰেটৰও কিনিব নোৱাৰে। যাৰ ফলত ব্যৱসায়-বাণিজ্যৰ ক্ষতি হয়, ল'ৰা-ছোৱালীৰ পঢ়া-শুনা ক্ষতি হয়। গতিকে এই গোটেইবোৰ চাই এই বিষয়টো যথেষ্ঠ গুৰুত্বপূৰ্ণ। আমি বিদ্যুৎ একেবাৰে কম দামত পাইছো সেইটোও নহয়। গোৱা, মণিপুৰত আমাতকৈ কম খৰছত বিদ্যুৎ উৎপাদন হয়। সেই কাৰণে এই বিষয়বোৰ অতি গুৰুত্বপূৰ্ণ। গতিকে আজি এটা আলোচনা কৰিব বিচাৰিছো। এইখিনিয়েই মোৰ আপোনাৰ ওচৰত অনুৰোধ থাকিল।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই সভা স্থগিত প্ৰস্তাৱটো আনিছো কাৰণ এই বিষয়টো আপোনোলোক সকলোৰে জ্ঞাত। সমস্যাটো যিহেতু acute, আমাৰ সমস্যাটো হৈছে যে বিদ্যুৎ ব্যৱহাৰত ২০১১ চনৰ লোক বিলৰ মতে আমি ৩৭ শতাংশ ব্যৱহাৰ কৰো। তৎস্বত্বেও আমাৰ অৱস্থাটো এনেকুৱা হৈছে আমি জনমুৰি যিটো বিদ্যুৎ ব্যৱহাৰ কৰো, অসমে মাত্ৰ ৩৩৯ কিলো ওৱাট ব্যবহাৰ কৰে, কিন্তু সৰ্বভাৰতৰ ক্ষেত্ৰত ১১২২ কিলো ওৱাট ব্যৱহাৰ হয়। ইমান কম ব্যৱহাৰ, অৱশ্যে এতিয়া ব্যৱহাৰটো বাঢ়িছে। মই লোকবিলৰ তথ্যটোহে কৈছো। কিন্তু ব্যৱহাৰ সাংঘাটিকো বঢ়া নাই। তৎস্বত্বেও আমাৰ যিটো crisis হৈছে, এই crisis টো makeup কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে? এই ক্ষেত্ৰত বহুতো প্ৰতিশ্ৰুতি আছিল, সেই প্ৰতিশ্ৰুতি অনুযায়ী কাম হৈছে নে নাই, এই কথা বিলাক বিতংভাৱে আলোচনা বিলোচনা কৰাৰ দৰকাৰ, আৰু যদি এনেকুৱা অৱস্থাত থাকে, এতিয়া ২৫০০ মেগাৱাট বিদ্যুৎ আমাক লাগে, আমি সেইখিনি উৎপাদন কৰিব পৰা নাই। আমি লাকোৱা থাৰমেল পাৱাৰ ষ্টেচনৰ পৰা ১৬৭.২ মেগাৱাট বিদ্যুৎ উৎপাদন কৰি থকা হৈছে। লামডিং থ্ৰাৰমেল পাৱাৰৰ পৰা ৯৯.৫ মেগাৱাটত কাৰ্বিলাংপিৰ ১০০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰি আছো, হাইড্ৰোইলেকট্ৰিক প্ৰজেক্টৰ পৰা ৪.৫ মেগাৱাট। মুঠ ৩৭১.২ মেগাৱাট। পূৰ্বতে ২০১১-১২ চনত বিদ্যুৎ উৎপাদনৰ ক্ষমতা আছিল ৪০১.৫ মেগাৱাট। কিন্তু এইটো ক্ৰমাগত ভাৱে কমি গৈ আছে। যদি এনেকৈ কমি গৈ থাকে, তেনেহলে ৰাজ্যখনত কেনেকৈ বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত চাহিদা পূৰণ কৰিব পাৰিম, বাহিৰৰ পৰা আনিব লগা হৈছে। মাননীয় মুখ্যমন্ত্ৰীয়ে নিজে কৈছে কেন্দ্ৰীয় চৰকাৰৰ লগত কথা পতিব বিদ্যুৎ অনাৰ কাৰণে। This is not sufficient। এনেকুৱা এটা পৰিস্থিতিত বিদ্যুৎ সংকট মোচন দুৰ কৰাৰ কাৰণে আলোচনা কৰাৰ দৰকাৰ কাৰণে এই adjourment motion টো আনিছো। আমি এই সম্পৰ্কত বিবেচনা কৰাৰ কাৰণে অনুৰোধ কৰিছো যে এই বিষয়টো আলোচনালৈ আনক। আমি আলোচনালৈকে যাব খোজে কাৰণ এইটো ক'ত হয়তো, কিয় হৈছে ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া সন্মানীয় সদস্য হাফিচ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এটা অতি গুৰুত্বপূৰ্ণ আৰু জলন্ত বিষয়ৰ ওপৰত adjournment motion আনিছো, সভা স্থগিত প্ৰস্তাৱ বিচাৰিছো।

প্ৰস্তাৱটো হ'ল - "বিগত জুলাই মাহৰ শেষৰ সপ্তাহত মঙ্গলদৈ মহৰ্ষি বিদ্যা মন্দিৰত ৰাষ্ট্ৰীয় বজৰং দলৰ উদ্যোগত অবৈধ অস্ত্ৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰি অসমত ৰক্তাক্ত পৰিবেশ সৃষ্টি

কৰিব বিচৰাটো এক ভয়ংকৰ ভৱিষ্যতৰ ইঙ্গিত বহন কৰিছে। এনে ধ্বংসাত্মক কাৰ্য্যকলাপ কঠোৰভাৱে নিষিদ্ধ কৰা হওঁক"। আৰু কিছুমান ভিডিও পোৱা গৈছে যে অস্ত্ৰ প্ৰশিক্ষণৰ লগত তাৰ কিছুমান বিষাক্ত, তেনেধৰণৰ সম্প্ৰদায়িক বীজ বিয়পোৱা তেনেকুৱা ধৰণৰ কিছুমান ভাষণ দিছে যে একাংশ যুৱকক অসমৰ পৰা চিলেক্ট কৰি আনি তেওঁলোকক কোনো জনগোষ্ঠীৰ বিৰোধে সম্প্ৰদায়িক বীজ বিয়পোৱা আৰু প্ৰশিক্ষণ দিয়া। ইয়াৰ উদ্দেশ্যটো কি, এইটো এটা কিমান ভয়াবহ পৰিকল্পনা, মাননীয় অধ্যক্ষ মহোদয় চৰকাৰে গোপেনে এনেকুৱা ধৰণৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে নেকি ? ইয়াৰ কাৰণে আমি adjournment motion আনিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী শ্বেৰমান আলি আহমেদ।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ বিষয়টো আছিল যে বহৰি সত্ৰ ৰত্নেশ্বৰ মন্দিৰৰ কাৰণে সত্ৰ বৈঠাসুতা multipurpose flood shelter at Konora and Bohori embankment are about to be washed away due to erossion of river Brahmaputra and hence immediate measures for control of erosion in the above places is to be undertaken for protection of the same.

ইয়াত আমাৰ যিকেইটা quality fulfill কৰিব লাগে, ১ নং আছিল ministerial responsibility, since water comes under sl. no. 1 of the state list enhance management of water resources and therefore control of errosion is the responsibility of the State Government. Matter must be definit and as the matter relates to single specific matter i.e. protection of satras and mandirs etc. from the erosion of Brahmaputra river.

**মাননীয় অধ্যক্ষ ঃ** আপুনি আলোচনা কৰিব নালাগে।

**শ্ৰী ফণীভুষণ চৌধুৰী, (বঙাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, adjournment motion আনিলে admissibility ৰ ওপৰত কব লাগে। ইয়াত admissibility ৰ ওপৰত কোৱা নাই। গোটেইখিনি discussion হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কিহৰ কাৰণে adjournment motion আনিছে, কিয় আমি আলোচনা কৰিব লাগে, সেইটো কৈ দিয়ক।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয় বস্তুৰ ওপৰত কব দিছে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি কিবা এটা কোৱাৰ আগতে মোৰ পৰা দুই আষাৰ শুনি লৈ আপোনাৰ ruling দিলে ভাল হ'ব। আজি আমাৰ এই পবিত্ৰ বিধান সভাত প্ৰথম দিন। আৰু যদি সভা স্থগিত প্ৰস্তাৱটো আমি নলও বুলি কওঁ, বিৰোধী পক্ষই walk out কৰিব আৰু ব্যক্তিগত ভাৱে মই বিচৰা নাই যে আজিৰ দিনটোত walk out হওঁক। কাৰণ আজি প্ৰথম দিন গতিকে মই ভাৱো যে আপুনি সভা স্থগিত প্ৰস্তাৱ কেইটা স্বীকাৰ কৰি লওঁক। কাৰণ আজি বিধান সভাৰ merit কোৱা নাই। কিন্তু আজি প্ৰথম দিন আৰু এই দৃশ্যটো আমি অসমৰ মানুহক দেখুৱাবলৈ খোজা নাই। কাৰণ যোৱা তিনিদিন ধৰি বিদ্যুৎৰ scarcity অসমত নাই। আৰু যেতিয়া কোনোবাই কয়, গাঁৱত AC বাছত আছে, তেতিয়া গাঁৱৰ নামটো আমাক লাগিব, কাৰণ সেই

গাঁৱখনত আমি মানুহ পঠাব লাগিব। মোক APDCL য়ে কোৱা মতে যোৱা দুদিন ধৰি অসমত বিদ্যুতৰ কোনো অসুবিধা নাই। অসমত বিদ্যুতৰ অসুবিধা কৰা মুখ্য মানুহজনে আজি যেতিয়া বিদ্যুতৰ কথা কৈছে, এইটো আমাৰ কাৰণে খুৱ শুভ লক্ষণ। কাৰণ এই কথাখিনিকে ২০১০-১১ চনত মই বিধান সভাত চিঞৰি চিঞৰি কৈছিলো যে আমাৰ অসমত কি ভয়াবহ পৰিবেশ হ'বলৈ গৈ আছে।

গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই সদনৰ নেতা হিচাপে আপোনাক অনুৰোধ কৰিম যে আপুনি adjournment motion আজি গ্ৰহণ কৰক। যিহেতু power is all about development গতিকে আমিও আমাৰ ৰাজ্য চৰকাৰৰ কেনেকৈ দুই বছৰৰ ভিতৰত ১৮ কিলো মেগাৱাটৰ পৰা demand ২৫ শ মেগাৱাটলৈকে গুছি গ'ল। This is our achievement গতিকে সফলতাখিনি সদনৰ আগত কব পাৰিম। মোৰ কোনো অসুবিধা নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়, বিদ্যুতৰ ক্ষেত্ৰত অখিল গগৈ আৰু মনোৰঞ্জন তালুকদাৰৰ সভা স্থগিত প্ৰস্তাৱ মঙ্গলদৈৰ ঘটনাৰ ওপৰত আমিনুল ইছলাম ডাঙৰীয়াৰ সভা স্থগিত প্ৰস্তাৱ আৰু বহৰিৰ ওপৰত শ্বেৰমান আলি ডাঙৰীয়াৰ সভা স্থগিত প্ৰস্তাৱ গ্ৰহণ কৰাৰ বাবে মই মাননীয় অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিছোঁ।

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় সদস্য সকলে এটা বিশেষ বিষয়ৰ ওপৰত আলোচনা কৰাৰ কাৰণে জাননী দিছে, আৰু ইয়াৰ responses ত আমাৰ সদনৰ দলপতি ডাঙৰীয়াই ইতিমধ্যে কলে যে সেই বিষয়টোৰ ওপৰত আলোচনা কৰাত তেখেতৰ আপত্তি নাই। এতিয়া সদনৰ মুৰব্বীয়ে কলে আৰু মই ভাৱো বিষয়টো গুৰুত্বপূৰ্ণ বুলি সকলোৱে একমত। তেতিয়াহলে আজি আমি এই বিষয়টো আলোচনা কৰিব পাৰিম। তাৰ কাৰণে আমি এতিয়া বিবেচনা কৰিম যে কোন বিষয়ত কিমান সময় আলোচনা কৰিব পাৰিম।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সভা পাঁচ মিনিটৰ কাৰণে স্থগিত কৰি আপুনি বি. এ. চি. মিটিং এখন লৈ লওঁক আৰু দুই-তিনি ঘন্টা যিমানেই সময় নালাগক কিয় চাৰি নং বিষয়টোকে ধৰি গোটেই কেইটা বিষয় আলোচনা কৰা হওঁক। যিহেতু সভা স্থগিত প্ৰস্তাৱটোৰ পিছত প্ৰশ্নকালীন ঘন্টাও হ'ব নালাগিছিল কিন্তু সভাটো স্থগিত নহ'লেই যিহেতু লগে লগে প্ৰশ্নকালীন ঘন্টা হৈ গ'ল গতিকে বিষয়টো আপুনি যেতিয়াই আলোচনা নকৰক কিয় পাঁচ মিনিটৰ কাৰণে সভা স্থগিত কৰি আপুনি বি. এ. চি. মিটিঙত যদি গোটেই কেইটা বিষয়ৰ কাৰণে দুই ঘন্টাকৈ সময় ধৰি দিয়ে তেতিয়া তিনিওটা বিষয়ৰ ওপৰত আপোনালোকে যেতিয়াই বিচাৰে মই তেতিয়াই একে লগেই উত্তৰ দিম । শ্বিলংৰ পৰা অহাৰ পিছত অসমৰ ৰাইজে আজি প্ৰথম এটা স্থায়ী অসম বিধান সভাৰ ভৱন পাইছে গতিকে আজি বিশেষকৈ সদন ত্যাগ কৰিব নালাগে। গতিকে অধ্যক্ষ মহোদয় সভা স্থগিত কৰি আপুনি বি এ চি মিটিং এখন লওঁক আৰু তাত যিটো সিদ্ধান্ত লয় সেইটো চৰকাৰে গ্ৰহণ কৰিব।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)** ঃ অধ্যক্ষ মহোদয়, সদনত যেতিয়া পইন্ট অৱ অৰ্ডাৰ দিও, যদি এটা দলে সভা স্থগিত প্ৰস্তাৱ আনিছে সেইটো হৈ যোৱাৰ পিছতহে বাকী কেইটা আহিব লাগে। মিক্স কৰি আমি একেলগে কৰিব নোৱাৰো। তথাপি আমাৰ সদনৰ নেতা গৰাকীয়ে যিটো কথা কৈছে সেইটো আচলতে পৰম্পৰা নহয়। যিহেতু আপুনি গ্ৰহণ কৰিছে গতিকে কথা খিনি আপুনি ভালদৰে আলোচনা কৰিব লাগিব। আমাৰ সদনৰ দলপতি গৰাকীয়ে কৈছে যিহেতু প্ৰশ্নকালীন ঘন্টাৰ আগতেই সদন আৰম্ভ হৈয়ে গ'ল গতিকে আমি বিতৰ্কত নাযাও গতিকে আপুনি কৈ দিয়ক

যে অহাবাৰ আমি কোনটো কৰিম। গতিকে মই ভাবো যে মিক্স কৰিব নালাগে। গতিকে অধ্যক্ষ মহোদয় শক্তি বিভাগটো প্ৰথমতে আমাক দিয়ক তাৰ পিছত বাকী কেইটা বিষয় আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** সভা পোন্ধৰ মিনিটৰ কাৰণে স্থগিত কৰা হ'ল ।

**পোন্ধৰ মিনিট যোৱাৰ পিছত সদন পুনৰ আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদন, BAC (Business Advisory Committe) অনুষ্ঠিত হৈ গ'ল। BAC ত সিদ্ধান্ত হ'ল যে, বিদ্যুৎৰ ওপৰত দুঘণ্টা আলোচনা হ'ব। এঘণ্টা Opposition ৰ সকলোৱে মিলি আৰু এঘণ্টা replies হ'ব আৰু আমাৰ যিটো দুটা বিষয় আছিল তাত কেৱল এজন এজন ক'ব আৰু ইয়াৰ response টো Government য়ে clearification দিব। কেৱল আলোচনা হ'ব Power ৰ ওপৰত আৰু কিছুমান কথা জানিবৰ কাৰণে ঠিক কৰিব সেইমতে Government য়ে response দিব। ইয়াৰ পাছত আমাৰ কিছুমান Bill আছে সেই bill খিনি আমি শেষত introduction কৰি থোৱাৰ কাৰণে সিদ্ধান্ত লৈছো, যিহেতু Amendment ৰ কথা আছে নহ'লে সময়টো নিমিলে। গতিকে Reports আৰু Bill সেইবোৰ আমি আজি introduction কৰি ল'ম আমাৰ আলোচনাৰ শেষত। এতিয়া আমি বিদ্যুৎৰ ওপৰত আলোচনা আৰম্ভ কৰিম।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** চাৰ Zero Hours ৰ report বিলাক কি হ'ব।

**মাননীয় অধ্যক্ষ ঃ** Adjournment ত একো নাথাকে।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ যিটো বিষয় আছিল সত্ৰ আৰু মন্দিৰ।

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়ত আপুনি ভাষণ দিব আপোনাৰ এই বিষয়ত। তাৰ কাৰণে আপুনি ক'ব চৰকাৰে response দিব। BAC য়ে decide কৰিছে।

**শ্ৰীফনীভূষণ চৌধুৰী, (বঙাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয় BAC ৰ decision ৰ ওপৰত মই ক'ব বিচৰা নাই। মই ক'ব বিচাৰিছো যে Rules of Procedure and Conduct of Business ৰ 57(i) ত লিখা আছে যে, not more than one such motion shall be made at the same sitting. এটাই হ'ব বাকী দুটা আপুনি adjourment motion হিচাপে গণ্য কৰিব নোৱাৰিব। বাকী দিনকেইটা adjourment motion হিচাপে গণ্য কৰিব নোৱাৰিব তেওঁলোকে। দ্বিতীয়তে, adjounrment motion আৰম্ভ হ'ব। Adjourment Motion ৰ পাছত Business হ'ব পাৰে নেকি ? মই ভাৱো যে আগতে আমাৰ যিখিনি business আছে, সেইখিনি ১০ মিনিটত শেষ হৈ যাব। গতিকে Business শেষ কৰাৰ পাছত ইয়াতে যিটো আছে after business আপুনি discussion টো আনক।

**শ্ৰীপীয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় বিধায়ক ডাঙৰীয়া, আপোনাৰ কথাখিনি ১০০ শতাংশই শুদ্ধ। আমি Rules of Procedure and Conduct of Business খন চায়ো BAC ত এটা decision ল'লো, যিহেতু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'লে আগতে adjournment motion খিনি accept কৰাই নাযায়। আজি প্ৰথম বাৰৰ কাৰণে accept কৰা হ'ল আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'লে যে, আজি প্ৰথম বাৰৰ কাৰণে স্থায়ী অসম বিধান সভাখন অসমৰ ৰাইজে পাইছে গতিকে নতুন এটা প্ৰক্ৰিয়াৰে যাওঁ। গতিকে আমি BAC আমি deceision ললো যে adjournment motion ৰ পাছত কোনো business নহয়।

কিন্তু যিহেতু আমাৰ হাতত সময় নাই তিনিদিন সময় opposition ক লাগিব আমাৰ bill খিনি তেখেতসকলে study কৰিবৰ কাৰণে। বাকী বিলখিনি আমি introduce কৰিম। বাকী আৰু একো নহয়।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ , (উত্তৰ কৰিমগঞ্জ) ঃ** Hon'ble MLA is right.

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** আপুনি যে right বুলি কৈছে, আপুনিতো BAC meeting ৰ পৰা ওলাই অহা নাই জানো?

(সদনত গন্দগোল)

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** BAC meeting ত আপোনালোকৰ leader আছিল, Deputy leader আছিল আপুনিও আছিল। আপুনি rule মানি আহিছে।

**মাননীয় অধ্যক্ষ ঃ** Please সময় এনেয়ে যাব।

**শ্ৰীদূৰ্গা দাস বড়ো, (কলাইগাওঁ) ঃ** মাননীয় অদ্যক্ষ মহোদয়, BAC Committee ৰ সিদ্ধান্ত হোৱাৰ পিছত মই ভাৱো আমি আটাইসকলে BAC ত আছিলো। গতিকে সেই বিষয়টো আমি আলোচনা নকৰি মুল বিষয়টোলৈ যাওঁ।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ দেশত আইন-কানুনসমূহ অভিজ্ঞ ব্যক্তি সকলে বনাই থৈ গৈছে, ভৱিষ্যতলৈ যাতে যিকোনো সমস্যাৰ সমাধান থাকে। সেই কাৰণে মই আজি ইয়াত ঘোষণা কৰিছো এইটো সিদ্ধান্ত লৈছো অধ্যক্ষ হিচাপে Rule 314 ত আছে if any doubt aries as to the interpretation of any of the provisions of these rules, the decision of the Speaker shall be final.

**শ্ৰীফনীভূষণ চৌধুৰী, (বঙাইগাওঁ)** ঃ চাৰ, মই মানিছো। কিন্তু এইটো যাতে ভৱিষ্যতে পৰম্পৰা নহয়।

**মাননীয় অধ্যক্ষ ঃ** মই সেই কাৰণে কৈছো কিছুমান বিষয় আছে সেইসমূহ এৰাধৰা কৰি চলিব লাগে। সেই কাৰণে provision টো ৰাখি থৈ দিছে। যাতে আলোচনা নহয়। মাননীয় সদস্য শ্ৰীভৰত চন্দ্ৰ নৰহ।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** চাৰ, আমি যিটো সভাস্থগিত প্ৰস্তাৱৰ কাৰণে এটা বিষয় উত্থাপন কৰিছিলো। বিষয়টো আছিল আমাৰ ব্যাপক হাৰত বিদ্যুৎ কৰ্তন, load shadding আৰু অত্যাধিক বিদ্যুৎ মাচুলে ৰাজ্যখনৰ জনসাধাৰণৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত কৰিছে। জুন, জুলাই, আগষ্ট, চেপ্তেম্বৰত গোটেই ৰাজ্যত ব্যাপক হাৰত বিদ্যুৎ কৰ্তন হৈছে, load shadding হৈছে। ৰাইজে জ্বলাকলা খাব লগা হৈছে, হাৰাশাস্তি হৈছে সেইকাৰণে আমি এই সভাস্থগিত প্ৰস্তাৱটো আনিছো। APDCL ৰ শক্তি বিভাগৰ ৬৩ লাখ উপভোক্তা আছে। এই ৬৩ লাখ উপভোক্তাৰ individual নহয় ৬৩ লাখ উপভোক্তাৰ পৰিয়াল আছে। কিন্তু ব্যক্তি হিচাপে চাব গ'লে ৩ কোটি ২৬ লাখ হ'ব। চাৰ, এইটো এনেকুৱা এটা বিভাগ essential service হয়। অত্যাৱশ্যকীয় সেৱা হয় শক্তি বিভাগটো। যোৱা দুবছৰ চাৰিমাহৰ ভিতৰত আমাৰ এই চৰকাৰে আৰু মাননীয় মুখ্যমন্ত্ৰীয়ে প্ৰথম বাৰৰ কাৰণে স্বীকাৰ কৰিছে যে শক্তি বিভাগটো চলোৱাত আমি অসমৰ্থ হৈছো, আমি ব্যৰ্থ হৈছো। কাৰণ মাননীয় মুখ্যমন্ত্ৰীয়ে ক'লে যে দিনে মুকলি বজাৰৰ পৰা বিদ্যুৎ কিনিবলৈ ৬ কোটি লাগে আৰু বছৰেকত ১৮০ কোটি লাগে। এই ১৮০ কোটি টকা আমাৰ হাতত নাই আৰু যদি এই ১৮০ শ কোটি টকা কিনিবলগীয়া হয় তেতিয়াহ'লে আমি per unit ১ টকাকৈ বঢ়াব লাগিব আৰু যদি আমি ১৮০ কোটি দিবলগীয়া হয় তেতিয়াহ'লে আমি কৰ্মচাৰীক দৰমহা দিব

নোৱাৰিম। এইটো মাননীয় মুখ্যমন্ত্ৰীয়ে শক্তি বিভাগৰ ক্ষেত্ৰত complete surrender কৰাৰ নিচিনা হ'ল। মাননীয় মুখ্যমন্ত্ৰী অসমৰ যি ঠাইতে যায়, যিকোনো আঁচনিত কয়, মই ১ শ কোটি দিম, মই ২ শ কোটি দিম, মই ৩ শ কোটি টকা দিলো। তেতিয়া শক্তি বিভাগ APDCL ক মাননীয় মুখ্যমন্ত্ৰীয়ে কিয় ১৮০ কোটি টকা দিব নোৱাৰে। য'ত ৬৩ লাখ উপভোক্তা আছে, য'ত ৩ কোটি ২৬ লাখ মানুহ জড়িত আছে। এইটো এনেকুৱা নহয় যে, য'ত দিনত তিনিবাৰকৈ লাগে। এইটো ২৪ ঘণ্টাই লাগে। যোৱা নিৰ্বাচনত আপোনালোকে কৈছিলে যে আমি ২৪ ঘণ্টাই বিজুলি যোগান দিম আৰু চৰকাৰ গঠন কৰাৰ পাছত মাননীয় মুখ্যমন্ত্ৰী আৰু তেতিয়াৰ শক্তি মন্ত্ৰী শ্ৰীবিমল বৰা, মোৰ তাৰিখটো মনত নাই। গুজৰাটৰ শক্তি বিভাগৰ লগত vertual meeting conference হৈছিল আৰু গুজৰাটৰ MD য়ে তাৰ Chairman য়ে presentation দিছিল কেনেকৈ বিদ্যুৎ চাহিদা পুৰণ কৰিব পৰা যায়। Government of Assam য়ে presentation লৈছিল। তাৰ পাছত মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছিল আৰু মাননীয় মন্ত্ৰী শ্ৰীবিমল বৰাই কৈছিল যে আমাৰ অসমত 100% billing নহয়,100% metering নহয়, 100% connection নহয়। আমি এইখিনি কৰিবলৈ ব্যৱস্থা লৈছো। মাননীয় মুখ্যমন্ত্ৰী, চৰকাৰে যদি আপোনালোকে pre pay smart meter ৰ কাৰণে ৪ হাজাৰ ২ শ কোটি টকা খৰচ কৰিব পাৰে, অসমৰ বিহু বিশ্ব অভিলেখ গঢ়িবৰ কাৰণে Guinness Book of World Record কৰিবৰ কাৰণে ১ শ কোটি খৰচ কৰিব পাৰে, যদি আপোনালোকে অমৃত বৃক্ষ ৰোপনৰ কাৰণে বিশ্ব অভিলেখ গঢ়িবৰ কাৰণে যদি ৫০ কোটি খৰচ কৰিব পাৰে, অসমৰ ৬৩ লাখ উপভোক্তাৰ কাৰণে ৩ কোটি ২৬ লাখ মানুহৰ কাৰণে ১৮০ কেটি টকা দিব কিয় নোৱাৰে? আমাৰ ১৮০ কোটি টকা নাই। আমি per unit ১ টকা বঢ়াব লাগিব নহ'লেতো কৰ্মচাৰীক দৰমহা দিব নোৱাৰিম। মাননীয় মুখ্যমন্ত্ৰীয়ে প্ৰকাৰন্তৰে indirectly কৈছে, যে তোমালোকে adjust কৰা, তোমালোকে সহ্য কৰা load shadding ত, গৰমত তোমালোকে থাকা, তোমালোকে যদি ধৰ্ণা দিয়া চিঞৰ-বাখৰ কৰা মই এটকা বঢ়াই দিম। জুলাইৰ প্ৰথম সপ্তাহত অসমত বৰষুণ কমি যায়, অসমৰ আকাশৰ পৰা মেঘ আঁতৰি যায়। তেতিয়া গৰম বেছি হয়, চাহিদা বেছি হয়, সেই কথাটো আপোনালোকে জানে। APDCL ৰ ক্ষেত্ৰত আপোনালোকৰ চৰকাৰৰ Planning আৰু strategy কি? আপোনালোকে কিহৰ কাৰণে APDCL ৰ বাবে emergency fund ৰখা নাই। আপোনালোকে বহু কোটি কোটি টকা খৰচ কৰিছে, বহু unproductive কামতো টকা খৰচ কৰিছে। আপোনালোকে APDCL ৰ কাৰণে ছয় শ কোটি টকাৰ imergency fund কিয় ৰাখিব নোৱাৰিলে? আপোনালোকে APDCL ৰ যি পইচা মুকলি কৰি দিব লাগে সেইখিনিও সময় মতে মুকলি কৰি দিয়া নাই। তাৰ মানে অসুবিধাটো পইচাৰ কাৰণে নহয়। অসুবিধাটো হৈছে- আপোনালোকে শক্তি বিভাগক যিটো অগ্ৰাধিকাৰ দিব লাগে, সেইটো দিয়া নাই বা যিটো মনোযোগ দিব লাগে সেইটো দিয়া নাই। যিটো strategy কৰিব লাগে সেইটো কৰা নাই। যাৰ কাৰণে আমাৰ অসমত ৰাইজৰ অৱস্থা এইটো হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সদায় কয় যে আমি গুজৰাটক অনুসৰণ কৰো, আমি গুজৰাটৰ নিচিনা হম। গুজৰাট এনেকুৱা এখন ৰাজ্য যিয়ে নিজৰ প্ৰয়োজনীয় ১৪,৯৮২ মেগাৱাটৰ বিপৰীতে ২৫,১৭৬ মেগাৱট উৎপন্ন কৰে। গুজৰাটৰ গাওঁ আৰু চহৰত 24 x 7 বিদ্যুৎ যোগান থাকে। সেই কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে গোটেই দেশতেই বিদ্যুতৰ উৎপাদন কমি গৈছে। কয়লা নাই কাৰণে বঙাইগাওঁ বন্ধ হৈ গৈছে। যিমান যোগান দিব লাগিছিল সিমান যোগান ধৰিব পৰা নাই। আমি য'ৰ পৰা যিমান বিদ্যুৎ পাব লাগিছিল সিমানখিনি পোৱা

নাই। সেই কাৰণেই এনেকুৱা হৈছে। আচলতে এইটো নহয়। আপোনালোকে Planning আৰু strategy ভালদৰে কৰা নাই। আপোনালোকে যিটো মনোযোগ দিব লাগে সেইটো দিয়া নাই। যাৰ কাৰণে আপোনালোকে আজি সভা স্থগিত প্ৰস্তাৱটো স্বীকাৰ কৰিবলগীয়া হৈছে। আজি সকলো কাৰ্য্যসূচী স্থগিত কৰি এইটো গ্ৰহণ কৰিবলৈ আপোনালোকে বাধ্য হৈছে। কাৰণ বিষয়টো কিমান গুৰুত্বপূৰ্ণ। আজি শক্তি বিভাগৰ কাৰণে চৰকাৰৰ যিটো efficiency, যিটো performance তাৰ ওপৰত প্ৰশ্ন আহিছে। চৰকাৰৰ যিবিলাক শক্তি বিভাগৰ প্ৰজেক্ট চলি আছে বা under construction ত আছে সেই প্ৰজেক্ট বিলাকৰো গতি অতি মন্থৰ। ১২০ মেগাৱাট নামনি কপিলী জলবিদ্যুৎ প্ৰকল্প যাৰ বাবে এ ডি বি এ ৩২০ মিলিয়ন ডলাৰ দিছে। এই প্ৰকল্পটোৰ টেণ্ডাৰ দিওঁতে ২ বছৰ সময় লাগিছে। কাৰ্বি লাংপি মধ্য প্ৰকল্পৰ মাটি চমজাই লওঁতে ডেৰ বছৰ লাগিছে। আপোনালোকে ৰাইজক যোৱা বাৰ নিজেই কৈছিল যে ২৪ ঘণ্টা বিজুলী দিব। আপোনালোকে নিজৰ দায়িত্ব অন্ততঃ শক্তি বিভাগৰ ক্ষেত্ৰত পালন কৰা নাই। আপোনালোক বেলেগ বেলেগ কামত ব্যস্ত হৈ গৈছে। সেই কাৰণে এই বিভাগটোত আপোনালোকে মনোনিৱেশ কৰক। যিবোৰ প্ৰজেক্ট চলি আছে, সেইবোৰ খৰতকীয়া কৰক। তাৰ বাবে আপোনালোকে বিশেষ টীম লগাওঁক। আপোনালোকে এই বিভাগটোত অতি কেজুৱেলি লৈ আছে আৰু এনেদৰে কেজুৱেলি ল'ব নালাগে। মই এইখিনিয়েই ক'লো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমে এই বিষয়টো আপোনাৰ ওচৰলৈ আনিছিলো আৰু তেতিয়া কিছু কথা কৈছিলো। এতিয়া প্ৰশ্নটো হৈছে আমাৰ ৰাজ্যখনৰ বিদ্যুতৰ এই সংকট হোৱাৰ বাস্তৱ ভিত্তি কিবা আছে নে? এই কথাটো মই এই কাৰণেই কৈছো যে ভাৰত বৰ্ষৰ যিটো surface water তাৰ ৪০ শতাংশ আমাৰ অসমত আছে। ইমানখিনি surface water থকাৰ পিছতো শক্তি উৎপাদনৰ ক্ষেত্ৰত আমি deficit state হিচাপে গণ্য হৈছো। আমাৰ যিটো বিশাল সম্ভাৱনা আছিল, আমাৰ অসমত ১৬০ মিলিয়ন টন খাৰুৱা তেলৰ ভাণ্ডাৰ যিটো দেশৰ মুঠ ভাণ্ডাৰৰ ২৬ শতাংশ । কয়লা ভাণ্ডাৰ হৈছে ১৫১বিলিয়ন টন। কয়লাৰ নাটনিৰ কথা শুনা যায়। আমাৰ ইমান বেছি কয়লা নহ'লেও ১৫১বিলিয়ন টন কয়লা আছে। সৌৰ শক্তিৰ সম্ভাৱনীয়তা আছে ১৩.৮ । ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্পৰ যোগেদি শক্তি আহৰণৰ সম্ভাৱনা ২৩৯ মেগাৱাট। এই সম্ভাৱনাক যদি আমি বাস্তৱায়িত কৰিব পাৰিলোহেঁতেন, এই সম্ভাৱনাক লৈ যদি আমি পৰিকল্পনা কৰি কাম-কাজ কৰিব পাৰিলোহেঁতেন, তেতিয়াহ'লে আমি বিদ্যুতৰ নাটনি এৰাই চলিব পাৰিলোহেঁতেন। কৰবাত অন্য ৰাজ্য গুজৰাটৰ কথা কৈছে তাতকৈ আমাক যিটো সম্ভাৱনীয়তা সেইটো বেছি। যিহেতু জলবিদ্যুৎৰ সম্ভাৱনীয়তা আছিল। কিন্তু আমি তাক explore কৰিব নোৱাৰিলো। যাৰ বাবে এই সংকটটো হৈছে। মই যিটো কথা ক'ব বিচাৰিছো, আমাৰ বিদ্যুৎ উৎপাদনৰ যি ব্যৱস্থা সেইটো ক্ৰমাগতভাৱে নিম্নগামী হৈছে। তাৰ বাবে কোন responsible সেইটো স্পষ্ট। যোৱা সাত টা বছৰত ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰে চৰকাৰ চলালে। তেওঁলোকে ২৪ ঘণ্টাই বিদ্যুৎ দিম বুলি কৈছিল। সেই ২৪ ঘণ্টা বিদ্যুৎ দিয়াৰ প্ৰতিশ্ৰুতিটো ব্যৰ্থতাত পৰিণত হৈছে। সেইটো অতিকৈ স্পষ্ট। আগতে ২০১১-১২ চনত বিদ্যুৎ উৎপাদনৰ যি সংস্থাপিত ক্ষমতা সেইটো আছিল ৪০১.৫ মেগাৱাট । ২০১৮ চনত বিদ্যুৎ উৎপাদনৰ যি সংস্থাপিত ক্ষমতা সেইটো হৈছিল ৩৭১.২ মেগাৱাট। কিন্তু ২০২০-২১ চনত সেইটো আকৌ কমি আহিল আৰু আমাৰ সংস্থাপিত ক্ষমতা ৩৪১.৯৫ লৈ হ্ৰাস পাইছে। এতিয়া ৰাজ্যৰ চাহিদা

বাঢ়ি গৈছে আঢ়ৈ হাজাৰ মেগাৱাটলৈ। আমি যেতিয়া ৩৪১.৯৫ মেগাৱাট উৎপাদন কৰিম তেতিয়াহ'লে স্বাভাৱিকতে কেনেকৈ ২৫০০ মেগাৱাটৰ চাহিদাটো পূৰণ কৰিম? সেইখিনি চাহিদা পূৰণ কৰিবলৈ হ'লে আমি বিদ্যুৎ কিনিব লাগিব আৰু তাৰ বাবে টকা লাগিব আৰু পইচাৰ নাটনি হৈ আছে। এইবোৰ কথা-বতৰা আহি থাকে। আমাৰ ৰাজ্যৰ বিগত বছৰবোৰত লাকুৱা থাৰ্মেল প্ৰজেক্টত ১৬৭.২ মেগাৱাট এইটো হয়তো অলপ বঢ়া-টুটা হৈছে। নামৰূপ সাৰ থাৰ্মেলত আমি ৯৯.৫ মেগাৱাট উৎপাদন কৰিছো। কাৰ্বি লাংপি হাইড্ৰ' ইলেক্ট্ৰিক প্ৰজেক্টত আমি এশ মেগাৱট উৎপাদন কৰিছো। আমি মুঠতে ৩৭১ মেগাৱাটত আছিলো আৰু এতিয়া আহি ৩৪১ মেগাৱাট হৈছে। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে অলপ আগতে এটা কথা কৈছে যে আমাৰ ৰাজ্যখনত ২৫০০ মেগাৱাট লগা হৈছে। তেওঁ এটা কথা indicate কৰিছে যে আমাৰ ৰাজ্যখনত বহু ক্ষেত্ৰত উন্নয়ন হৈছে। যাৰ বাবে বিদ্যুতৰ ব্যৱহাৰ বাঢ়িছে। এই কথাটো মই অস্বীকাৰ নকৰো। কিন্তু যিহেতু চাহিদা বাঢ়িছে আমি উৎপাদনত কিয় চকু দিয়া নাই? উৎপাদনৰ ক্ষেত্ৰত আমি আমাৰ পৰিকল্পনা কাৰ্য্যকৰী কৰা নাই। আমি যদি গুৰুত্ব দিলোহেঁতেন, এই বিষয়ে মই আগতেও উল্লেখ কৰিছো যে আমাৰ যিটো সম্ভাৱনীয়তা আছে সেই হিচাপে আমি উৎপাদন কৰা নাই। এই চৰকাৰে সেই উৎপাদনত গুৰুত্ব নিদিয়াৰ বাবেই আমাৰ এই সমস্যাটো হৈছে। যদি ৰাজ্যখনৰ উদ্যোগীকৰণ কৰিবলগীয়া হয়, বিদ্যুৎ লাগিব আৰু প্ৰচুৰ পৰিমাণে বিদ্যুৎ ব্যৱহাৰ হোৱাৰ সম্ভাৱনা আছে। অচিৰেই হয়তো আমাৰ ৰাজ্যখনত ৩০০০ মেগাৱাট বিদ্যুতৰ প্ৰয়োজন হ'ব। এই যি প্ৰয়োজন সেইটো কেনেদৰে পূৰণ হ'ব? এইদৰে যদি চৰকাৰে পৰিকল্পনা বিহীনভাৱে বিদ্যুৎ উৎপাদন কৰি থাকে তেতিয়াহ'লে আমাৰ ৰাজ্য বিপদত পৰিব। যিমানেই আমি উন্নয়নৰ পথত অসম বুলি ঢাল-ঢোল নবজাও কিয় আমি কিন্তু মুখ থেকেচা খাই পৰিম। এইখিনিয়েই মোৰ বক্তব্য আৰু সেইকাৰণে চৰকাৰে বিদ্যুৎ উৎপাদনৰ কাৰণে বিশেষ গুৰুত্ব আৰোপ কৰিব লাগে আৰু তাৰ বাবে মই আবেদন জনালো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ৰকিবুল হুছেইন ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিদ্যুৎ বিভাগৰ বিষয়ে সভা স্থগিত প্ৰস্তাৱটো গ্ৰহণ কৰাটো পৰম্পৰা নহয় এটা ইতিহাস হৈছে। ভৰত নৰহ ডাঙৰীয়াই ইতিমধ্যে কৈছে। মই আৰু কাৰিকৰী কথাখিনি নকওঁ। মই ক'ব খুজিছো যে বৰ্তমান ড° হিমন্ত বিশ্ব শৰ্মা দেৱৰ সৈতে বি জে পি চৰকাৰখনৰ সাত বছৰ হ'ল। সাত বছৰ আগতে ২০০১ চনত প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰ আছিল। তেতিয়া কৰ্মচাৰীক দৰমহা নিদিয়াৰ পৰা আৰম্ভ কৰি সমস্যাসমূহ বেলেগ আছিল। ২০০৬ চনত আকৌ ৰাইজৰ ওচৰলৈ আহিলে আৰু ৰাইজে সমৰ্থন কৰিলে। বিভিন্ন ধৰণৰ সমস্যাসমূহ সমাধান কৰিলে। ২০১১ চনত পুনৰ আমি ৰাইজৰ ওচৰলৈ গ'লো আৰু ৰাইজক ক'লো যে প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰখনে ভাল কাম কৰি আছে। কৰ্মচাৰীক দৰমহা দিলে, কেন্দ্ৰীয় চৰকাৰৰ বি জে পি আৰু ৰাজ্য চৰকাৰ অগপ চৰকাৰৰ মাজত MOU কৰিছিল আৰু নিয়োগ বন্ধ কৰি ৰাখিছিল। আমি নিয়োগটো খুলিলো। আলফাৰ সমস্যা সমাধান কৰিবৰ বাবে ল'ৰাবোৰক মাতি আনিলো, কথা পাতিলো। সমস্যাবোৰ সমাধান কৰি আকৌ ৰাইজৰ ওচৰলৈ গ'লো। ২০১১ চনত ৰাইজে আকৌ আমাক সমৰ্থন কৰিলে। সেই সময়ত NRC ৰ মাধ্যমেৰে বিদেশীৰ সমস্যা সমাধান কৰিবলৈ বিচৰা গ'ল। AASU ক মাতি আনি, মুখ্যমন্ত্ৰী, প্ৰধান মন্ত্ৰী পৰ্যায়ত বহা হ'ল। কিন্তু, ২০১৬ চনত যেতিয়া আমি আহিছিলো, সেই সময়ত ৰাইজে আমাক গ্ৰহণ নকৰিলে। কথাটো হ'ল যে কিয় নকৰিলে। সেই সময়ত আমি টি.ভি. খোলাৰ লগে লগে এটা বিজ্ঞাপন দেখো যে এগৰাকী মহিলাই ঘামেৰে গা মচি আছে, ইমান গৰমত কেনেকৈ

থাকিব। কংগ্ৰেছৰ দিনত কাৰেণ্ট নাইকিয়া হৈ গৈছে। ইমান বিদ্যুৎ নাইকিয়া হ'লে গৰমত মহিলাসকল, খেতিয়কসকল কেনেকৈ থাকিব। তাৰ লগে লগে বিজেপিৰ symbol টো আহে আৰু লগতে কয় যে আমাক চৰকাৰ কৰিবলৈ সুবিধা দিয়ক আমি ২৪ ঘন্টা বিজুলী দিম। আমি উজনিৰ কেইখনমান বাগানত গৈছিলো, তাৰ এগৰাকী মহিলাই এখন বেনাৰ লৈ আহিছিল। বেনাৰখনত লিখা আছে- ঘৰে ঘৰে ২৪ ঘণ্টা বিদ্যুতৰ Guarantee। আজিকালি Warranty দিয়ে কিন্তু এইটো Guarantee। মানুহগৰাকীয়ে বেনাৰখন থৈ দিছে। ২৪ ঘণ্টা ঘৰে ঘৰে বিদ্যুতৰ Guarantee দিম বুলি প্ৰতিশ্ৰুতি দিয়া আজিৰ চৰকাৰখনে আজি অসহায় হৈ কৈছে যে আমি অক্টোবৰলৈকে দিব নোৱাৰো। গৰমত দিব নোৱাৰো, যেতিয়া ঠাণ্ডা পৰিব, ফেন নালাগে, তেতিয়া নৱেম্বৰত দিব পাৰিম। খোৱাং, শিঙৰীগাওঁ আৰু নাজিৰাৰ মেধিপুৰ এই তিনিখন বাগানত আমি কেইদিনমানৰ আগত কংগ্ৰেছৰ বাগানে বাগানে মিটিং কৰিব গৈছিলো। তেতিয়া তিনিগৰাকী মানুহ আমাৰ ওচৰত বিদ্যুতৰ বিল লৈ আহিছে আৰু কৈছে যে আমাৰ গাঁৱৰ গোটেই কাৰেণ্ট কাটি দিছে। ইমান গৰমত ৮ ঘন্টা বাগানত কাম কৰি ঘৰলৈ যেতিয়া ল'ৰা-ছোৱালীৰ লগত খাবলৈ বহো, ফেন নাই। আমি সুধিলো কাৰেণ্ট গৈছে নেকি, তেতিয়া ক'লে যে কাৰেণ্ট অহাতো বাদেই আমাৰ সংযোগ কাটি দিছে। কিয়নো আগতে আমাৰ ৩০০ টকা বিল আহিছিল, এতিয়া ৩০০০ টকা আহিছে, মজুৰী ২৪০০ টকা পাওঁ। এজনে কৈছে যে আমাৰ বহুতৰে কাটি দিছে। দুখন গাঁৱৰ শ শ মানুহৰ ঘৰত বিজুলী নাই। নামকেইটা লাগে যদি মই দি দিম, আমি লিখি আনিছো। অধ্যক্ষ মহোদয়, মানুহখিনি অসহায়। কৈছে যে আপোনালোকে বিধান সভাত কওঁক। সেই কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ উপস্থিতিত অনুৰোধ কৰিছো যে আপোনালোকে চাওঁক। আন এটা কথা চৰকাৰৰ গোচৰে হৈছে নে অগোচৰে হৈছে নাই নাজানো যে টাউনবিলাকত এজনে বিদ্যুৎ বিল পৰিশোধ নকৰিলে কেৱল তেওঁৰ ঘৰৰ সংযোগ কাটি দিয়ে, কিন্তু গাওঁ অঞ্চলত এটা ট্ৰান্সফৰ্মাৰত যদি ৫০ ঘৰ মানুহৰ লগোৱা থাকে, সেই ৫০ জনৰ ৫ জনে যদি নিদিয়ে, ৪৫ জনে যদি দিয়ে, ৰাজহুৱা জৰিমনা হিচাপে ট্ৰান্সফৰ্মাৰটোত সকলোৰে সংযোগ কাটি দিয়ে। বাগানত সেইবোৰ কথা আমাক কোৱা বাবে মই আজি কৈছো অধ্যক্ষ মহোদয়। বিভিন্ন ঠাইত কাৰেন্ট থকা দেখি আছো, কিন্তু ভল্টেজ নাই। এই কথাবোৰ বাস্তৱ। কথাখিনি হয় নে নহয় চৰকাৰখনে চাওঁক। যদি হয়, তেন্তে ইয়াৰ জোৰা মাৰক। মানুহে ইমান টকা ক'ৰ পৰা দিব? দুখীয়া মানুহখিনিয়ে Compound Interest ৰ system ত যদি পইচাখিনি দিব লাগে তেন্তে সেই মানুহখিনিয়ে কাৰেণ্ট লগাব নোৱাৰে। আমি যিমান মেগাৱাট বঢ়াই নাথাকো কিয়, আমাৰ ৩০০ টকাৰ ঠাইত যদি ৩০০০ টকা bill আহে, গাঁৱৰ মানুহে কোনোপধ্যেই বিদ্যুৎ লগাব নোৱাৰে। আমি শুনিছিলো যে দিনত কাৰেণ্টৰ নিৰিখ বঢ়াই দিব, ৰাতি কমাই দিব। কিন্তু দিনত ডাঙৰ ডাঙৰ ব্যৱসায়ীসকলে শিল্পত বিদ্যুৎ ব্যৱহাৰ কৰে, ৰাতিহে গাঁৱৰ মানুহবোৰে ঘৰত গৈ ল'ৰা-ছোৱালীক পঢ়ায়। গতিকে, এই কথাবোৰ সত্য নে অসত্য মই নাজানো, কিন্তু ডাঙৰ ডাঙৰ আখৰেৰে কাগজত উত্থাপন হৈছে আৰু বহুত ক'বলগীয়া আছে কিন্তু সময় নাই বুলি কৈছে। অধ্যক্ষ মহোদয়, এই কথাবোৰ ৰাজহুৱা স্বাৰ্থৰ লগত জড়িত। আজি আমি বিধান সভাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ উপস্থিতিত এই কথাখিনি কৈছো। দৰকাৰ হ'লে চৰকাৰে বেলেগ খৰচবোৰ কমাওঁক, কিন্তু এককালীন ভাৱে অলপ বেছিকৈ টকা বিদ্যুৎ বিভাগক দিয়ক। বেলেগৰ পৰা ধাৰ লৈ এহাজাৰ কোটি টকা যদি বিদ্যুৎ বিভাগক চৰকাৰে দিয়ে তেন্তে মই ব্যক্তিগতভাৱে ইয়াত আপত্তি নকৰো। ধনী ধনী মানুহৰ ক্ষেত্ৰত আপোনালোকে যি ব্যৱস্থাই নলয় কিয় দুখীয়া মানুহসকলৰ যুৱ-প্ৰজন্মই পঢ়া-শুনা কৰাৰ পৰা বিভিন্ন ক্ষেত্ৰত ঘৰত বিদ্যুতৰ প্ৰয়োজন

আছে । গতিকে ২৪ ঘণ্টা কাৰেণ্ট দিয়া চৰকাৰৰ যি guarantee, সেইটো যাতে পূৰণ কৰে। বহুতে কয়, ২৪ ঘণ্টা কাৰেন্ট দিয়া চৰকাৰৰ দিনত ২৪ বাৰ কাৰেন্ট কাটে, কাৰেণ্ট নাথাকেই। গতিকে, অধ্যক্ষ মহোদয় এই দুখীয়া মানুহবোৰৰ বিলৰ ক্ষেত্ৰত Compound Interest যাতে নলগায়, ট্ৰান্সফৰ্মাৰ ৰাজহুৱাকৈ নাকাটে, ভল্টেজ যাতে ভালকৈ পায়, মই টেক্‌নিকেল কথাখিনি নকৈ, এই চাৰি-পাঁচটা কথা গুৰুত্ব সহকাৰে লোৱাৰ বাবে আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো ...interruptions ...

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ)ঃ** আপুনি টেক্‌নিকেল কথাই পৰামৰ্শ কৰক।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** চাৰ, আমি খুব গুৰুত্বপূৰ্ণ কথা কৈছো তাত আকৌ কি টেক্‌নিকেল ...interruptions ...

**মাননীয় অধ্যক্ষঃ** Please silent. তৰ্ক কৰিব নালাগে। এতিয়া শ্ৰী আমিনুল ইছলাম, কনিষ্ঠ। এ.আই.ইউ.ডি.এফৰ সময় আছে ১৫ মিনিট, ৪ জন সদস্যৰ নাম দিছে। গতিকে, আপোনালোকে সময়টো অলপ মিলাই ল'ব।

**মোঃ আমিনুল ইছলাম, (মানকাচাৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই আধুনিক যুগত আমি বিদ্যুৎ নোহোৱাকৈ কোনো জীৱন ধাৰণ কল্পনা কৰিব নোৱাৰো। শিক্ষা, উদ্যোগ, চিকিৎসা, কৃষি ক্ষেত্ৰতেই হওঁক বা সাধাৰণ জীৱন যাপনৰ ক্ষেত্ৰতেই হওঁক, প্ৰতিটো খোজতে আজি বিদ্যুৎ অবিহনে চিন্তা কৰিব নোৱাৰো। কিন্তু বিদ্যুতৰ বৰ্তমান যি অৱস্থা হৈছে, কৃষি খণ্ডত যি মেচিন লগোৱা হৈছে বিদ্যুৎ অবিহনে নচলে। খেতিত পানী দিব নোৱাৰে। আধাতে যদি কেইবাদিন বিদ্যুৎ নাথাকে, তেন্তে খেতি-বাতিত চিৰাল ফাট। গাঁৱলীয়া হস্পিতালবোৰত X-Ray কৰিব নোৱাৰে। তাত যি জেনেৰেটৰ থাকে বেছিভাগেই অকাৰ্য্যক্ষম। X-Ray কৰা বা চিকিৎসাৰ বাবে যি প্ৰয়োজন সেইখিনি নহয়। হস্পিতালবোৰ ভালকৈ বনোৱা হৈছে, হস্পিতালৰ বিচনাত ৰোগী আছে, কিন্তু বিদ্যুৎ নথকা বাবে তেওঁলোকে কক্‌বকাই থাকিবলগীয়া হৈছে। স্কুলৰ ক্ষেত্ৰত গৰমৰ কাৰণে ক্লাছবোৰ ৰাতিপুৱালৈ shift কৰা হৈছিল। এনেকুৱা এটা অৱস্থা হৈছিল যে স্কুলৰ পৰা গৈ পোৱাৰ পিছত ল'ৰা-ছোৱালীৰ মুখলৈ চাব নোৱাৰি। প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰে আপত্তি। আমি যেতিয়া প্ৰথম বিধায়ক হৈ আহিছিলো, Alternative power কেনেকৈ generate কৰিব পাৰি তাৰ ওপৰত আমাক যথেষ্টখিনি lession দিয়া হৈছিল। আমি বাধ্য ছাত্ৰৰ নিচিনাকৈ ক্লাছ কৰিছিলো। Power কেনেকৈ sustain কৰিব পাৰো, তাৰ ওপৰত কথা চলিছিল। Once for all যদি Power টো Solar system কৰিব পাৰো, বিমল বৰা ডাঙৰীয়া মন্ত্ৰী হৈ থাকোতে প্ৰতিটো জিলা ভিত্তিক, সমষ্টি ভিত্তিত Solar system কৰাৰ বাবে মাটি বিচাৰি আমাক চিঠি দিয়াও হৈছিল। কিন্তু, আজিলৈকে সফল হৈ নুঠিল, কি প্ৰচেষ্টা লৈছিল নাজানো। BAC ৰ পৰা হোৱা যিকেইটা ডাঙৰ প্ৰজেক্ট লোৱা হৈছে, উজনি অসমত বিভিন্ন ডাঙৰ ডাঙৰ চ'লাৰ প্ৰজেক্ট লোৱা হৈছে সেইখিনি কিন্তু আজিও মুকলি নহ'ল বা তাৰপৰা আমি এতিয়াও sufficient power পোৱা নাই। গতিকে আমাৰ কথা হ'ল যি উৎসৰ পৰাই আমি বিদ্যুৎ পাব পাৰো, আজি আমি বিদ্যুৎ উৰিষ্যাৰ পৰা কিনিবলগা হৈছে। কিন্তু আমাৰ ইমান পৰ্য্যাপ্ত surface water থকাৰ পাছতো, ইমান সৌৰশক্তি থকাৰ পাছতো, ইমান কয়লা মজুত থকাৰ পাছতো আমি সেইখিনি sustain কৰিব পৰা নাই। এতিয়া আমাৰ ১৮০০ মেগাৱাট পাই আছো কিন্তু জনসংখ্যা অনুসৰি আমাক ২৫০০ মেগাৱাট টাৰ্গেট কৰা হৈছে। বৰ্তমান আমাক ৩০০০ বিদ্যুৎ লাগি যায়। এতিয়া মোৰ কথাটো হ'ল পাঞ্জাৱত ১৪,০০০ মেগাৱাট production হৈ আছে। আমি কিয় এতিয়ালৈকে ইমান তলত আছো।

গতিকে এই ক্ষেত্ৰত আমাৰ ৰাজ্যত কি ব্যৱস্থা ল'ব পৰা যায় তাৰবাবে ব্যৱস্থা হাতত ল'ব লাগে। স্বাধীনতাৰ পিছৰে পৰা আমাৰ মানকাচৰ জিলাত sufficient বিদ্যুৎ পোৱাই নাছিলো। এইবাৰ প্ৰথমবাৰৰ কাৰণে আমাৰ তাত sub-station বহাইছে, connection দিছে। এই connection দিয়াৰ লগে লগে যি ৫ টা sub-station থাকিব লাগে সেইকেইটা হৈ উঠা নাই। দক্ষিণ শালমৰা মানকাচৰত যদি আজিৰ দিনত ২০০-৩০০ Transformer দিয়া হয় তেতিয়াহ'লে এই সমস্যা সমাধান হ'ব। এই Sub-station কেতিয়া হ'ব, বিদ্যুতৰ অভাৱ কেতিয়া পূৰণ হ'ব? চৰকাৰে যি ডাঙৰ ডাঙৰ ঘোষণা কৰিছে, যিহেতু পাৱাৰ এটা important sector গতিকে এই ক্ষেত্ৰত চৰকাৰ আমি সম্পূৰ্ণ ব্যৰ্থ হোৱা বুলি কম। এই ক্ষেত্ৰত আমি চৰকাৰৰ সদিচ্ছাৰ অভাৱ অনুভৱ কৰিছো। এই ক্ষেত্ৰত চৰকাৰৰ যিটো গতি সেই গতিটো slow হৈ থকা যেন অনুভৱ হৈছে। সেইবাবে আজি এই যি special motion ৰ জৰিয়তে বিষয়টো আলোচনা কৰাৰ সুযোগ দিছে ,এই সুযোগতে ক'ব বিচাৰিছো যে এই ক্ষেত্ৰত চৰকাৰৰ সদিচ্ছা লাগিব। বৰ্তমান Air Conditioner luxury item হৈ থকা নাই। মানুহৰ necessity হৈ পৰিছে। ধনী মানুহৰে যদি এই অৱস্থা, গাৱঁৰ দুখীয়া ৰাইজৰ কি অৱস্থা হ'ব? গতিকে আমি অনুৰোধ কৰিব বিচাৰিছো যাতে অতি সোনকালে টকা ধাৰ কৰি হ'লেও কি ব্যৱস্থা কৰিব পৰা যায় তাৰ ওপৰত গুৰুত্ব দিব। বিদ্যুতৰ নিৰিখত অসম ৭ নং স্থানত উপনীত হৈছে। কিন্তু পইচা দিয়াৰ পাছতো কাৰেণ্ট পোৱা নাই। কৰবাত বিল আহি আছে কিন্তু আজিলৈকে তেওঁলোকে connection য়ে পোৱা নাই। চৰ অঞ্চল বিলাকত আজিও grid connectivity হোৱা নাই। কিন্তু আজিলৈকে চৰ অঞ্চলবিলাকত grid connectivity ৰ পৰিৱৰ্তে চ'লাৰ system দিব লাগিছিল। কিন্তু চ'লাৰ system দিয়া কোম্পানীবিলাকে য'ত free installation দিব লাগিছিল তাত তেওঁলোকে sub contractor ৰ জৰিয়তে প্ৰতিজন consumer ৰ পৰা ৫ ৰ পৰা ১০,০০০ টকালৈ চোলাৰ connectivity দি আছে। তাৰবাবে আমাৰ signature লাগে। আমাৰ signature নোহোৱাকৈ contractor ৰ বিল নহয়। বিভিন্ন contractor য়ে আমাক offer দি থাকে যে আপোনালোকে পইচা লওক আৰু চাইন কৰি দিয়ক। গতিকে আজিলৈকে সেই চৰ সমূহত চ'লাৰ connectivity হোৱা নাই। এইবিলাক বাহিৰৰ ধনী মানুহবিলাকে কিনিছে। এই অভিযোগ আমি আগতেও ইয়াত দিছো। গতিকে আমাৰ কথাটো হ'ল যে চৰকাৰে এই পাৱাৰ চেক্টৰটো অত্যন্ত গুৰুত্ব সহকাৰে লওক। ইয়াৰ উপৰিও চৰকাৰে যাতে এই পাৱাৰৰ জৰিয়তে স্বাস্থ্য, শিক্ষা, উদ্যোগ,জীৱিকা সকলো ক্ষেত্ৰতে যাতে উপযুক্ত ব্যৱস্থা কৰে তাৰবাবে মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এই বিষয়টো আলোচনা কৰিবলৈ দিয়া বাবে আপোনাক ধন্যবাদ জনাইছো। আমি বিদ্যুৎ সংকটৰ ওপৰত সভা স্থগিত প্ৰস্তাৱ উথাপিত কৰিছিলো। মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে অসমত সাংঘাতিকধৰণে বিদ্যুৎৰ চাহিদা বৃদ্ধি পাইছে। মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক ক'ব বিচাৰিছো যে Central Electricity Board য়ে যিদিনা হিচাপ দিছিলে যে peak hour ত মহাৰাষ্ট্ৰত যিদিনা বিদ্যুতৰ চাহিদা ২৮,০৭৫ আৰু অসমত সেইদিনা লাগে ২,১২৬ মেগাৱাট। আজিৰ দিনটোত লাগে ২,৫৪০ মেগাৱাট। গুজৰাটত ১৯,৪৫১ মেগাৱাট, উত্তৰ প্ৰদেশত ২৪,৯৬৫ মেগাৱাট লাগে। তেনে ক্ষেত্ৰত অসমত ২,৫৪০ মেগাৱাট লাগোতেই মুখ্যমন্ত্ৰী ডাঙৰীয়াই হাত দাঙি দিছিল। অথচ

তেওঁলোকৰ চৰকাৰে গেৰান্টি দিছিলে যে আমি ২৪ ঘন্টাই বিজুলী দিম। কিন্তু তেওঁলোকে যদিও গেৰান্টি দিছিলে সেয়া পৰিপূৰণ কৰিবৰ কাৰণে যি আন্তঃগাঁথনি নিৰ্মাণ কৰিব লাগিছিলে তাৰবাবে কোনো ব্যৱস্থা লোৱা নাই। তেওঁলোকে মাত্ৰ বাহিৰৰ পৰা বিদ্যুৎ কিনে আৰু মধ্যভোগীৰ নিচিনাকৈ অধিক দামত আমাৰ ইয়াত বিক্ৰী  কৰে। যাৰফলস্বৰূপে আপোনালোকে দেখিবলৈ পাব যে ভাৰতবৰ্ষৰ দমন আৰু ডিউত আটাইতকৈ কম, মাত্ৰ ২.৩২ টকাত ঘৰুৱা বিদ্যুৎ বিক্ৰী কৰে। দাদৰা আৰু নগৰ হাভেলীত ২.৭১ টকা, চিকিমত ৩.২১ টকা, গোৱাত ৩.৭৫ টকা কিন্তু অসমত ৭.৬০ টকাত প্ৰতি ইউনিট  বিক্ৰী কৰে। উচ্চ দামৰ ক্ষেত্ৰত মহাৰাষ্ট্ৰ , বিহাৰ, কেৰেলা, মধ্যপ্ৰদেশ, কৰ্ণাটক আৰু ৰাজস্থানৰ পাছত অসমে আটাইতকৈ বেছি বিদ্যুৎৰ দাম লয়। লগতে আগতে পইচা কাটি লয় কিন্তু তাৰ পিছতো বিজুলী যোগান ধৰিব পৰা নাই কাৰণ তেওঁলোকৰ নিজাকৈ বিদ্যুৎ উৎপাদনৰ কোনো ক্ষমতা নাই।   তেওলোকৰ নিজাকৈ বিদ্যুত উৎপাদনৰ কোনো ক্ষমতা নাই । বিদ্যুৎ উৎপাদনৰ ক্ষমতা ১৯৫০ চনৰ ৩১ মাৰ্চত গোটেই ভাৰতবৰ্ষত - যিটো Installed generation capacity  বুলি  কয় সেইসময়ত সেইটো আছিলে ১৭১৩ মেগাৱাট । তেতিয়া আমি ভাৰতবৰ্ষই ১৭১৩ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব পাৰিছিলো আৰু এতিয়া ভাৰতবৰ্ষই প্ৰায় চাৰি লাখ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব পাৰো।  কিন্তু অসমৰ বিদ্যুতৰ উৎপাদনৰ তালিকাখন যদি গাই দিওঁ তেন্তে এইটোত কিন্তু খুৰ লাজ পাবলগীয়া কথা । আপোনালোকে দেখিব যে যদিও অসমৰ নিজাববীয়াকৈ বিদ্যুৎ উৎপাদনৰ ক্ষমতা আছে ৪১৯.৫ মেগাৱাট কিন্তু পিক আৱাৰত আমি বিদ্যুৎ উৎপাদন কৰিব পাৰো কেৱল ২৮১ মেগাৱাট ।  আনহাতে আমাক লাগে ২৫৪০ মেগাৱাট  কিন্তু আমি নিজে উৎপাদন কৰো মাত্ৰ  ২৮১ মেগাৱাট। গতিকে এইটোৱে হ'ল আমি বিদ্যুৎ নোপোৱাৰ মূল কাৰণ আৰু সেই কাৰণে আমাৰ অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিদ্যুৎ বিচাৰি দিল্লীলৈ যাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে । অথচ তেওলোকে নিৰ্বাচনত কৈছিলে চৰকাৰে বাৰংবাৰ কৈ থাকে যে ২৪ ঘন্টাই বিজুলী দিয়াটো তেওঁলোকৰ গেৰান্টি ।  মই মাত্ৰ আৰু দুটামান কথা ক'ব বিচাৰিছো । আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক সুধিছিল যে কোনখন গাওঁত এনেদৰে  বাছ ভাড়া কৰিব লগীয়া            হৈছে । মই সেই গাওঁখনৰ নাম কৈ দিছো। সেই গাওঁখনৰ নাম নাওজান গাওঁ, দৰিকাপাৰ দিচাং মুখ পঞ্চায়ত । এইটো হ'ল মোৰ সমষ্টিৰ গাওঁ । মুখ্যমন্ত্ৰীমহোদয়ে আজি হাত দাঙি দিছে। অসমৰ মুখ্যমন্ত্ৰী মহোদয়ে কয় যে অসমক ভাৰতবৰ্ষৰ ভিতৰতে এক নম্বৰ ৰাজ্য কৰিব আৰু এই এক নং হ'ব বিচৰা ৰাজ্যখনে নিজৰেই বিদ্যুৎ যোগান ধৰিব নোৱাৰে। আধুনিক যুগত বিদ্যুৎ যোগান ধৰিব নোৱাৰা ৰাজ্য কেতিয়াও উন্নতিৰ জখলাত আগবাঢ়িব নোৱাৰে । এইটো চৰকাৰৰ অদুৰদৰ্শিতা । মুখ্যমন্ত্ৰী মহোদয়ে ইমান ডাঙৰ ডাঙৰ কথা কয় । ইমান দক্ষতাৰ কথা কয় অথচ অসমখন আজিৰ দিনটোত বিজুলী উৎপাদনৰ ক্ষেত্ৰত  সাংঘাতিকধৰনে  অতি পিছপৰা। এই মুৰ্হুত্তত বিদ্যুৎ যেতিয়ালৈকে ২৪ ঘন্টা যোগান ধৰিব নোৱাৰে তেতিয়ালৈকে পইচা আগতীয়াকৈ লোৱাটো বন্ধ কৰিব লাগে আৰু লগতে বিদ্যুতৰ মাচুল হ্ৰাস কৰিব লাগে । গাওঁৰ মানুহো যাতে ২৪ ঘন্টাই বিজুলী পায় এইটো নিশ্চিত কৰিব             লাগে ।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** এইটো কাৰণে নদীবান্ধক লৈ অখিল গগৈ ডাঙৰীয়াই আন্দোলন  কৰে  ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয়,  যি নদীবান্ধৰ কথা কৈছে , এই নদীবান্ধৰ পৰা , এন এইচ পি চিৰ বিনামূলীয়া কৈ মাত্ৰ ২৫ মেগাৱাট বিদ্যুৎ  আমিপাম আৰু ২০০০ মেগাৱাটৰ পৰা মাত্ৰ ৩০০ মেগাৱাট বিজুলী কিনিব পাৰিম। এই বিলাক মিছা কথা কৈ একো লাভ নাই । ২০১২

চনত বৰ্ত্তমানৰ মুখ্যমমন্ত্ৰী ডাঙৰীয়াৰ লগত কথা হৈছিল ।

**মাননীয় অধ্যক্ষ ঃ** প্লিচ বহক... বহক । এতিয়া শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়,একজন অন্ধ লোক মন্দিরে গিয়েছিল তখন আরেকজন লোক সেই অন্ধলোককে বলল তুমি তো অন্ধ, তাহলে তুমি কেন মন্দিরে এসেছ,তুমি ঠাকুরকে কিভাবে দেখবে? তখন অন্ধলোকটি বলল আমি তো ঠাকুরকে দেখতে পারছি না কিন্তু ঠাকুর আমাকে দেখতে পারছেন। অর্থাৎ দৃষ্টিকোণ পরিবর্তন করতে হবে।যেখানে তিন কোটি ত্রিশ লক্ষ মানুষ আছে, এবং সমস্ত অসমের মানুষের সার্থ জড়িত আছে যে বিদ্যুতের সাথে। সেই বিদ্যুতের ব্যাপারে যখন মানুষ প্রশ্ন করে তখন সেটার সঠিক কোন উত্তর পাওয়া যায় না। আমাদের মাননীয় মুখ্যমন্ত্রী অনেক সময় অনেকলক্ষ্য নিয়ে থাকেন। কদিন পর পর আমরা দেখি এক হাজার কোটি, পাঁচশ কোটি কখনো দুই হাজার কোটি ঋণ নিয়ে থাকেন। কিন্তু সেই ঋণ নেওয়া হয় শুধু অভার ব্রিজ, চার্টার্ড ফ্লাইট, ক্যাবিনেট মিটিং এবং গ্রিনিস রেকর্ড করবেন এইগুলোর জন্য। কিন্তু যেখানে মানুষের স্বার্থ, মানুষ যেভাবে উপকৃত হবে সেই ক্ষেত্রে আপনি সেই ঋণের যদি একটা অংশ বিদ্যুতের ক্ষেত্রে দিতেন তাহলে হয়তো মানুষের অনেক উপকার হত।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী বক্তব্যে বলেছেন ২৫৪০ মেগাওয়াট বিদ্যুৎ আমাদের পিক আওয়ার্সে লাগে, আসাম অনেক উন্নত হয়ে গিয়েছে। ডেভেলপ্ড মানে ২৫৪০ মেগাওয়াট বিদ্যুৎ পিকআওয়ারর্স এ সাপ্লাই দিলাম,আমাদের বিদ্যুৎ ব্যয় গেল। আজ রাজীব গান্ধি বিদ্যুৎ যোজনা, দীনদয়াল আঁচনি এইগুলির মাধ্যমে বিদ্যুতের যে চাহিদা ছিল সেটা অনেকটা বৃদ্ধি পেয়েছে। আজ দুঃখের সঙে বলতে হচ্ছে,আপানারা অ্যাডভানটেজ আসাম করলেন, আসামকে ভারতবর্ষে পাঁচটি রাজ্যের মধ্যে একটি রাজ্য গড়তে চাইছেন। কিন্তু দুঃখের সঙে বলতে হচ্ছে যে ব্যক্তিগতভাবে আমরা ২০০ থেকে ২৫০ মেগাওয়াট বিদ্যুৎ আমরা নিজে উৎপাদন করতে পারি। এটাই কি বিকশিত আসাম? এটাই কি আসামের পরিবর্তন ?এটাই কি ডেভেলপমেন্ট? মাননীয় মুখ্যমন্ত্রী হাইলাকান্দি গিয়ে বলেছিলেন যে আপনি রাস্তাঘাটের জন্য ২০০ কোটি টাকা দেবেন। ভালো কথা, আপনি মুখ্যমন্ত্রী হিসাবে দিতে পারেন। কিন্তু আপনার সেটাওতো বলা উচিৎ ছিল যে বিদ্যুৎ সমস্যা নিয়ে নাজেহাল মানুষ। আমরা আজ কথা দিলাম সেই বিদ্যুৎ সমস্যা আর হবেনা। প্রয়োজনে আমরা আমাদের চার্টার্ড ফ্লাইট, ক্যাবিনেট মিটিং এগুলোর খরচ কিছু কমিয়ে বিদ্যুতের উপর অধিক গুরুত্ব দেব। বিদ্যুৎ সমস্যা থেকে যাতে আসামের মানুষ মুক্তি লাভ করতে পারে তারজন্য কি ধরণের পদক্ষেপ নেওয়া দরকার সে ব্যাপারে মিটিং ডাকা দরকার ছিল, স্টেটেজি বানানো দরকার ছিল। কিন্তু দেখা যায় বর্তমানে এই সরকার বিদ্যুৎ সমস্যা সমাধানের ক্ষেত্রে যে ধরণের পদক্ষেপ নেওয়া উচিৎ ছিল সেই পদক্ষেপ নিচ্ছেন না। লজ্জার সঙে বলতে হচ্ছে যে আজকের দিনে একদিকে বিদ্যুৎ সমস্যা অন্যদিকে বিদ্যুৎ বিভাগের যে অবস্থা,আমি একটি উদাহরণ দিচ্ছি। দেবজ্যোতি রায়,আলমখালি,গত ২৯ আগষ্ট বিদ্যুৎপৃষ্ঠ হয়ে মারা গিয়েছে। প্রায়ই এরকম ঘটনা ঘটে থাকে। বিদ্যুৎকর্মীরা যেখানে সেখানে লাইন লাগিয়ে দেয়, যা ইচ্ছে হয় তাই করে থাকে। ওনারা বলেছিলেন যে আমাদের ভূল। কিন্তু আজ সেই পরিবারটি কিভাবে চলবে। কিন্তু দেখা যাচ্ছে বর্তমান সরকার বিদুতের উপর কোন গুরুত্ব দিচ্ছে না। এবং গুরুত্ব না দেওয়ার জন্যই আজ এই অবস্থা। আমাদের মুখ্যমন্ত্রী বলে থাকেন যে আমরা এই করেছি, সেই করেছি। ঠিক আছে আপনি ফ্লাই ওভার করেছেন। কিন্তু অধ্যক্ষ মহোদয়, এই ছবিটি দেখুন সেখানে

মুখ্যমন্ত্রী,প্রাক্তন মুখ্যমন্ত্রী এবং প্রধানমন্ত্রীর ছবি আছে এবং তাতে লেখা আছে যে ঘরে ঘরে ২৪ ঘন্টা বিদ্যুতের গ্যারান্টি। আজকাল প্রায় দিনই সসিয়্যাল মিডিয়ায় এই ছবিটি ভাইর্যাল হয়। আপনারা গ্যারান্টি দিয়েছিলন যে ২৪ ঘন্টা বিদ্যুৎ দেওয়ার কথা। কিন্তু আজকের দিনে আপনারা ফ্লাইওভার নির্মাণ করছেন। সে ক্ষেত্রে হয়তো কোনো রহস্য থাকতে পারে। কিন্তু আজকের দিনে সেই বাজেটটা একটু কাট করে তিন কোটি ত্রিশ লক্ষ মানুষকে সমস্যা থেকে মুক্তি দেওয়া বা ওদেরকে সঠিক পথ দেখানো, ওদের সমস্যা সমাধানের ক্ষেত্রে পদক্ষেপ নেওয়া উচিৎ ছিল। কিন্তু আজ এই সরকার মোটেই করতে পারছেনা। তাই ডেভেলপমেন্ট মানে ২৫৪০ মেগাওয়াট বিদ্যুৎ নয়, ডেভেলপমেন্ট মানে শুধু ফ্লাইওভার, চার্টার্ড ফ্লাইট, ক্যাবিনেট মিটিং এ খরচ করলেন সেটা নয়, ডেভেলপমেন্ট মানে হল মানুষের উপকারে,মানুষের স্বার্থে এবং তিন কোটি ত্রিশ লক্ষ মানুষ যখন উপকৃত হবে সেটাই হবে ডেভেলপমেন্ট। এবং আমি মনে করি আমাদের মুখ্যমন্ত্রী সেই পথে এগিয়ে যাবেন। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ... । কৰিমুদ্দিন বৰভূঁইয়া ।

**শ্ৰীকৰিম উদ্দিন বৰভুঁইএগ্ৰা , (সোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই চৰকাৰক স্পেচিফিক কেইটামান প্ৰশ্ন কৰিব বিচাৰিছো । মাননীয় মুখ্যমন্ত্ৰী সদনত আছে গতিকে স্পেচিফিক ৰিপ্লাই আমি বিচাৰিছো। আমাৰ ৰাজ্যখনৰ টোটেল প্ৰডাকশ্যন কিমান, আউট চোৰ্চ কিমান, আজিৰ দিনটোত আমাৰ ৰিকোৱাৰমেন্ট কিমান স্পেচিফিক লাগিব? ডোমেষ্টিক কিমান , কৰ্মাচিয়েল কিমান , ইণ্ডাষ্ট্ৰিয়েল কিমান স্পেচিফিক লাগিব। চৰকাৰে ইয়েৰৱাইজ, নেক্সট ইয়েৰত আমাক কিমান লাগিব, ছয়মাহ পিছত আমাক কিমান লাগিব । কাৰণ প্ৰজেক্টখিনি চলি আছে, ৰুৰেল ইলিক্ট্ৰিফিকেশ্যন চলি আছে, ট্ৰেন্সমিশ্যন লাইন বহুৱাই আছে। তেনেহ'লেতো ২৫০০-৩০০০ হ'ব তাৰ কাৰণে চৰকাৰে কিবা প্লেনিং লৈছে নেকি যে নেক্সট ইয়েৰত ইমানখিনি কৰিম, ইমানখিনি প্ৰডাকশ্যন কৰিম বা ইমানখিনি আউটচোৰ্চ কৰিম। ২ বছৰৰ এটা প্ৰজেক্টশ্যন চিডিউল এই হাউচত দাখিল কৰিব লাগে , অসমৰ ৰাইজে জানিব বিচাৰে । মোৰ দুটা প্ৰশ্ন আছিলে । চৰকাৰে এই সন্মানীয় সদন আৰু অসমৰ ৰাইজক কিমান চিৰিয়াচলী লৈছে, ইনক্ৰিছ অৰ পাৱাৰৰ ক্ষেত্ৰত, তাৰে এটা মই এটা সৰু উদাহৰণ দিব খোজো । মই যেতিয়া প্ৰথম বাৰলৈ বিধান সভালৈ নিৰ্ব্বাচিত হৈ আহিছিলো, মোৰ দৰে বহুতো সন্মানীয় বিধায়কে প্ৰথমবাৰলৈ নিৰ্ব্বাচিত হৈ আহিছে আৰু সদনৰ প্ৰথম দিনটোত তেতিয়া আমাৰ শক্তি মন্ত্ৰী বিমল বৰা ডাঙৰীয়াৰ পৰা লেটাৰ পাইছিলো যে আপোনালোকে আপোনালোকৰ সমষ্টিৰ পৰা ২০-২৫ বিঘা মাটি আমাক ব্যৱস্থা কৰি দিয়ক । খাচ লেণ্ডে হওঁক ডোনেট কৰা লেণ্ডে হওক তাত আমি মিনি চোলাৰ পাৱাৰ প্ৰজেক্ট কৰিম যাতে আপোনালোকৰ লোকালেটিত আমি ছাফিচিয়েন্ট পাৱাৰ চাপ্লাই দিব পাৰো । আজি আঢ়ৈ বছৰ হ'ল , অফিচত যোগাযোগ কৰিলে কয় যে নন অফিচিয়েলী লেটাৰ দিয়া হৈছিল কিন্তু এইটো কোনো ফিজিবল প্ৰজেক্ট নহয় ।

মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব লাগে যে আপোনাৰ চৰকাৰে পাৱাৰৰ ক্ষেত্ৰত অসমৰ ৰাইজক বা নিৰ্বচিত প্ৰতিনিধি সকলৰ ওচৰত কি কাৰণ আছিল এইটো ৰাজহুৱা কৰিব লাগে। আৰু শক্তিমন্ত্ৰীয়ে ৰাইজৰ ওচৰত ক্ষমা বিচাৰিব লাগে, এনেকুৱা তৰল লেটাৰ ইচ্ছু কৰিব নালাগে, দায়িত্বশীল মন্ত্ৰীয়ে এনেকুৱা কৰিব নালাগে। আৰু অন্য এটা কথা আছে, ২০০৯-১০, ২০১০-১১, ২০১১-১২ ত এটা ডাঙৰ প্ৰজেক্ট আমাৰ তৎকালীন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিং ডাঙৰীয়াৰ প্ৰচেষ্টাত তাত এটা পাৱাৰ প্ৰজেক্ট উদ্বোধন কৰিছিল, তাত ৭৫০ মেঘাৱাট প্ৰডাক্চনৰ কেপাচিটি

আছিল, কেন্দ্ৰীয় চৰকাৰ আৰু উত্তৰ-পূবৰ all stake holder তেতিয়া অসমৰ শক্তিমন্ত্ৰী প্ৰদ্যুৎ বৰদলৈ ডাঙৰীয়া North-East technical committee ৰ Chairman আছিল আমাৰ ৰাজ্যৰ allegation আছিল out of 750 MW 125 MW. আৰু তাত Jt 400 KV distribution substation to silchar কৰা হৈছিল। ত্ৰিপুৰাৰ পৰা transmission line গোটেই অসমৰ কাৰণে উত্তৰ-পূবৰ কাৰণে যিটো লাইন draw কৰা হৈছিল গোটেই বৰাক ভেলীৰ মাটিৰ ওপৰত খেতিয়কৰ বহুত ভূমি নিছিল low compensationত আমাৰ খেতিয়ক সকলে আমাৰ মানুহ সকলে মাটি provide কৰিছিল। এটা condition আছিল তাত North-East technical committee 2021 ৰ revalution ত আছিল, যে বৰাকভেলীৰ কাৰণে out of 125 Assam allegation ৰ পৰা 45 MW বৰাকভেলীত specialy দিয়া হ'ব। যাতে বৰাকভেলীৰ requirement তেতিয়া যিটো আছিল বা lapse আছিল 75MW. কিন্তু আচৰিত কথা last one year, two year, three year ৰ পৰা আমাৰ requirement বাঢ়িছে, বা তাত 45 MG আমাৰ supply আজিৰ তাৰিখত নাই। কব পাৰে যে allegation টো আৰ্বানৰ কাৰণে আছিল, কিন্তু তাৰ বাবে কথা আছে, যিহেতু আমাৰ contribution আছে, আমাৰ conditional মাটি দিয়া হৈছিল, আলোচনা আছিল যেতিয়া, এইটো মুখ্যমন্ত্ৰী ডাঙৰীয়াই স্পষ্ট কৰিব লাগে বৰাকৰ কাৰণে এতিয়া এইখিনি কিয় দিগ্দাৰ দি আছে। আজিৰ দিনটোত আমাৰ এটা ধাৰণা বহুত মানুহে পাইছে যে পাৱাৰ যদি আমি পাৰ্চেচ কৰিব লগা হয় তেতিয়াহলে ডাঙৰ ডাঙৰ transmission line বনাব লাগে, গুজৰাটৰ চোৰ্চতে হওঁক, দিল্লীৰ চোৰ্চতে হওঁক, মহাৰাষ্ট্ৰৰ চোৰ্চতে হওঁক তাত গৈ transmission line তাৰ পৰা অসমত আনিব লাগে no, আজিৰ দিনত পাৱাৰ online purchase হয়, online sale হয়, আৰু আমাৰ বিল যিখিনি বঢ়াইছে domesticয়ে হওঁক, commercialয়ে হওঁক, industrialয়ে হওঁক আমি easily purchase কৰিব পাৰো, even private party ৰ পৰা আমি purchase কৰিব পাৰো, তাত কোনো আমাৰ আপত্তি নাই। মানুহ সকলেতো বিলখিনি দিয়ে আছে। আজি BPL category, APL category, commercial industrial সকলোৱে bill দি আছে, বিলটো outstanding নাই। মই প্ৰথম বিধান সভাৰ দিনা চৰকাৰক অনুৰোধ কৰিছিলো যে APDCL ৰ leakage খিনি বন্ধ কৰক আৰু লগতে revenue খিনি যিমান pending আছে সোনকালে collection কৰিব লাগে, সেইখিনি seriously লৈছিল, মই ভাল পাইছো, আমি বিচাৰো বিল collection হ'ব লাগে। তাত কোনো আপত্তি নাই, ৰাইজে বিল দি আছে, আজিৰ তাৰিখত minimum outstanding আছে, almost মোৰ তাত যিখিনি non official data আছে, almost bill 90% clear আছে domestic, industrial and commercial তেনেকৈ আছে। যেতিয়া আমাৰ এতিয়া outstanding নাই মানুহে bill দি আছে, high rateত purchase কৰি আছে। তেতিয়াহলে চৰকাৰৰ কি অসুবিধা outsource কৰিব নোৱাৰে বা কিয় outsource কৰিব নোৱাৰে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক আহ্বান কৰি আছো আপুনি আজি নোৱাৰিলেও within 5 days অধিবেশনৰ ভিতৰত atleast আমাৰ requirement যিমান আপুনি easily কৰিব পাৰে। আমাৰ major production ৰ পৰা domestic যদি দিয়ে এ পি এল, বি পি এল ক দিয়ে, যদি outsource কৰা power খিনি commercial industrial ৰ rate বেছি তাত বিতৰণ কৰি দিলে কি আপত্তি আছে? মানুহ সকলেও পাব আৰু অসমে পাব। উদ্যোগ সমূহৰ যি commercial activity আছিল সেইখিনি

থাকিব, তাৰ কাৰণে specific আমাৰ চৰকাৰৰ পৰা অলপমান লাগে যদি যাওঁক যে আমি outsource power ৰ পৰা বহুত আমি প্ৰাইভেড বহুত সুবিধা, criteria আছে অনলাইন বিক্ৰী কৰি চৰকাৰে পাছ কৰি লৈ যাব লাগে থিক য'ৰ পৰা পাৰাৰ আহি থাকিব। কিন্তু আজি মেনেজ কৰি আমাৰ চৰকাৰে যদি ভাৱে যে অসমৰ ৰাইজ ইমান বুৰ্বক আৰু আমি ইমান বুৰ্বক যে আজি বিধান সভা আৰম্ভ হ'ব আৰু তিনি দিন পাৱাৰ থিক থাকিব তাৰ পিছত আকৌ ঠিক নহ'ব ইয়াৰ কাৰণে চৰকাৰক অনুৰোধ কৰিব বিচাৰিছোঁ, মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো, বহুত মানুহ আছে অসমত টেক্‌নিকেলি বহুত বস্তু জানে আপুনি এই মানুহ খিনিৰ লগত কথা পাতি কিবা এটা conflict decisionত আহক, আহি চৰকাৰৰ সমূহ অপোচ কৰা আমি অপোচ কৰা নিবিচাৰো, যদিও আমি বিধায়ক বিৰোধী দলৰ opinion লাগে, আমি এইটো easily within 6 to 12 days ত resultটো ল'ব পাৰো। তাত কোনো অসুবিধা নাই। এই কাৰণে চৰকাৰে কি সিদ্ধান্ত ল'ব সেইটো স্পষ্ট কৰিলে আমি ভাল পাম। এই আশা ৰাখিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Now reply.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো সভাস্থগিত প্ৰস্তাৱ আহিছিল তাত পোনচতে চৰকাৰে না বুলি কব পাৰিলেহেতেন কিন্তু মই ব্যক্তিগত ভাৱে বিশ্বাস কৰিছিলো যে যিটো দিনত মহামানৱ মহত্মা গান্ধীৰ প্ৰতিমূৰ্তী আমি এই পবিত্ৰ সদনৰ সন্মুখত উদ্বোধন কৰিছো, সেইদিনা খন কোনোবাই মহত্মা গান্ধীৰ প্ৰতিমূৰ্তীৰ সন্মুখত গৈ আন্দোলন নকৰক, এটা পবিত্ৰ ভাৱে আৰম্ভণি হওক, সেইবাবে মই সভাস্থগিত প্ৰস্তাৱটোত সন্মতি দিছিলোঁ। মই অত্যন্ত বিনম্ৰতাৰে কম যে অসমত power crisis ৩১ তাৰিখে আছিল, ১ তাখিৰে, ২ তাৰিখে আছিল, এতিয়া অসমত power crisis বুলি কথা নাই। যোৱা তিনি দিন ধৰি নিয়ন্ত্ৰণ ভাৱে বিদ্যুৎ সকলো মানুহে পাই আছে। মই অত্যান্ত বিনম্ৰতাৰে কম যে গুৱাহাটী মহানগৰৰ কোনোবাই যদি কয় যে কালি load shedding হৈছে, তেজপুৰত যদি কয় কালি load shedding হৈছে, যোৰহাটত যদি কয় কালি load shedding হৈছে, শিৱসাগৰত যদি কয় load shedding হৈছে, ডিব্ৰুগড়ত যদি কয় load shedding হৈছে, মই নিশ্চয় মানি লম, কিন্তু মই জানো যে সেই তিনি দিনক বাদ অসমত কোনো load shedding হোৱা নাই। আৰু ভৱিষ্যতেও load shedding হোৱাৰ সম্ভৱণা বিশেষ নাই। সেই পৰ্য্যায় আমি অতিক্ৰম কৰি গলো। গতিকে এতিয়া আমি আহিব খুজিছো যে অখিল গগৈ ডাঙৰীয়াই এখন গাঁৱৰ কথা কৈছে, মোৰ মনত ততাতয়াকৈ এটাই ভাৱ আহিল যে এখন গাঁৱত যদি লাইট নাই সেই গাঁও খনৰ মানুহে এ চি বাছত আছে, কাষৰ গাঁও খনত কেনেকৈ লাইট থাকিলে? সেই গাঁৱৰ মানুহেওতো এ চি বাছত উঠিব লাগিছিল। তাৰমানে definitely সেই গাঁৱৰ specific transformer কিবা বেয়া হ'ব লাগিব, নহ'লে গোটেই সমষ্টিটোৰ মানুহে এ চি বাছ ভাড়া কৰি ললেহেতেন সেই গাঁও খনৰ মানুহে কিয় এ চি বাছ ভাড়া কৰিব? গতিকে definitely গাঁও খনৰ মই নামটো লৈ লম আৰু অহা কালি সদনক জনাই দিম যে সেই গাঁও খনৰ কি specific প্ৰশ্ন আছে। কাৰণ আমাৰ কোনো সমষ্টিত কোনো গাঁৱৰ মানুহে এ চি বাছ ভাড়া কৰিছে নেকি? গতিকে অহাকালি মই তাৰ উত্তৰ দিম।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** মানে দৈনিক অসম বাতৰি কাকতত আছে লোড চেডিংৰ কথা, জেনেৰেটৰৰ কথা।

................(হুলস্থূল)..............

**माननीय अध्यक्ष** ঃ আপুনি বহক। মুখ্যমন্ত্ৰীয়ে উত্তৰ দি আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মানি ললো, এই গোটেই কেইখন গাঁৱত কালি আমাৰ বিধায়ক সকল যাব, সেই গাঁও কেইখনৰ সমস্যা বুজি আহিব আৰু গাঁও কেইখনৰ সমস্যা আমি সমধান কৰি দিম। যদি এখন গাঁৱত জেনেৰেটৰ লৈছে বাকী ২৮০০০ য়ে কিয় লোৱা নাই? তাৰ মানে সেই গাঁও খনে কিবা এটা specific সমস্যা আছে। গতিকে কালিলৈ নগাওঁৰ বিধায়ক সেই গাওঁখনলৈ গৈ সমাধান কৰি দিব। গধুলিলৈকে আপুনি ৰিপোৰ্ট পাই যাব যে গাঁৱত লাইট আহি গ'ল। যেতিয়া ২৮ হাজাৰ গাঁৱৰ মাজত কোনোবা বাতৰি কাকতে বুটলি আনি এখন গাঁৱৰ কথা লিখে তাৰ logical deduction কি যে ২৭,৯৯৯ গাৱত তাৰ মানে লাইট পাই আছে। That is a logical deduction. এজন মানুহে কেনেকৈ বুজিব লাগিব...

(হুলস্থুল..)

সকলোৱে নিজৰ কথাখিনি শুনি নিজৰ নিজৰ সমষ্টিত আমি কেনেকৈ সেৱা কৰিব পাৰো তাৰ ওপৰত গুৰুত্ব দিব লাগে। প্ৰথম কথাটো হ'ল মাননীয় অধ্যক্ষ মহোদয়,মাননীয় বিধায়ক অখিল গগৈ ডাঙৰীয়াই Central Electricity Board ৰ reference দিছে। Central Electricity Board ৰ reference মতে মই দায়িত্ব লোৱাৰ পিছত ২০২১ আৰু ২২ চনত অসমত কি কাৰণত মাত্ৰ ৫ মেগাৱাটহে load shedding হৈছিল। তাৰ বাদে অসমত যোৱা প্ৰথম বছৰটোত কোনো load shedding নাই। Out of 2500 megawatt requirement in peak hour we were deficited by only 5 megawatts. This is the Report আৰু যেতিয়া অসমত ৫ মেগাৱাট power deficit আছিল সেই মুহূৰ্তত Himachal Pradesh was in 2021-22 deficited by 250 megawatts, Panjab was deficited by 125 megawatts, Uttar Pradesh was deficited by 170 megawatts, Maharastra was deficited by 59 megawatts, Andhra Pradesh was deficited by 519 megawatts, Bihar was deficited by 664 megawatts, Jharkhand was deficited by 276 megawatts and Assam was deficited by only 5 megawatts. This is the Report of Central Electricity Authority যাৰ Report আপুনি Quote কৰিছে। তাৰ মানে আপোনালোকে মোক ধন্যবাদ দিয়ক যে প্ৰথম বছৰ মই without load shedding চলাইছো। Load shedding was only 5 megawatts. অধ্যক্ষ মহোদয় ২০২২-২৩ চনত অসমত এতিয়ালৈকে average Load shedding যদি আমি চাব যাওঁ ২০২২ আৰু ২০২৩ চনৰ peak hour ৰ যিটো Report তাত জম্মু কাশ্মীৰত deficit ১৭০ মেগাৱাট , Rajasthan is deficited by 190 , Uttar Pradesh is deficited by 780, Madhya Pradesh is deficited by 109 megawatts, যি মহাৰাষ্ট্ৰৰ কথা আপুনি Quote কৰিলে যে ইমান জেনেৰেশ্যন আছে, মহাৰাষ্ট্ৰত এইবছৰ deficit হৈছে ২০০০ মেগাৱাট আৰু কেৰেলাত ৩২৯ মেগাৱাট deficit চলি আছে। বিহাৰত deficit হৈছে ১২২০ মেগাৱাট demand not made either through load shedding বা যি কৰি তেওঁলোকে মেনেজ কৰি আছে। ঝাৰখন্দ ৩৩৬, ৱেষ্টবেংগলত অখিল গগৈ ডাঙৰীয়াই সাক্ষ্যাৎ কৰি আহিছিল কলিকতাৰ মুখ্যমন্ত্ৰীক, ২২৫ and Assam is deficited by only 3 megawatts আমাৰ এইটো ২০২২-২৩ চনৰ। তাৰমানে অসমত তিনিদিন বাদ দি load shedding ৰ কোনো সমস্যা

নাছিল, আৰু পবিত্ৰ সদনক মই আজিৰ দিনত ঠিয় হৈ আশ্বাস দিব পাৰো যে এতিয়াৰ পৰা আৰু load shedding ৰ সমস্যা নাথাকে। we have overcome the period. তিনি চাৰি দিন ময়ো অলপ নাৰ্ভাচ হৈছিলো, মই দিল্লীত কথা পাতিলো, লগে লগে তেওঁলোকে মোক যিখিনি পাৰাৰ লাগে দিলে, now thats the art যে এজন মুখ্যমন্ত্ৰীয়ে কিবা এটা কথা ৰাইজৰ লগত সদায় communication খোলা ৰাখিব লাগে। সঁচা কথা ৰাইজক ক'ব লাগে যে ৰাইজ মোৰ লগত সমস্যা হৈছে, মই দিল্লীলৈ যাওঁ, বিচাৰিম আৰু পালে মই এনেকৈ কম নাপালে মই এনেকৈ কম। ৰাইজৰ লগত communication টোক কোনো ব্যৰ্থতা বুলি নকয়। সেই কথাটোক সদায় আমি বুজি পাব লাগে , in a democracy, India is a mother of democracy "ভাৰত গনতন্ত্ৰ কী জননী হে" গতিকে গনতন্ত্ৰত সদায় ৰাইজৰ লগত কথা পাতিব লাগে। মই বিৰোধী পক্ষক আজিলৈকে সন্মত কৰিব পৰা নাই যে বিহুটোক আপোনালোকে কিয় বাৰে বাৰে টানি আনে ? আৰু বহুত উদাহৰণ আছে। মোৰ charter খনৰ উদাহৰণ টানি আনিছে ভাল কথা। তাত কোনো অসুবিধা নাই। কেতিয়াবা হেলিকেপ্তাৰত যোৱা হয়, সেইটো টো মই অস্বীকাৰ নকৰো। যদি মই ডিব্ৰুগড়ত এদিন যাব লাগে , তিনিচুকীয়াত আহিব লাগেগধুলি লক্ষীমপুৰত আহিব লাগে, ভগৱানে দুখন হাত দুখন ভৰি দিছে কাৰোবাৰটো সহায় ল'বই লাগিব। বা যি নহওঁক এতিয়া কথাটো হ'ল মই বিৰোধী পক্ষক বিনম্ৰতাৰে সৈতে অনুৰোধ জনাম যে আপোনালোকে বিহুৰ গীনিজ ওৰ্ল্ড বুকৰ ৰেৰ্কডটো লৈ গৌৰৱ কৰিবলৈ শিকক। ইয়াত প্ৰত্যেক উদাহৰণত টানি আনি নিজক কিয় সৰু কৰে ? আজি অমৃত বৃক্ষ আন্দোলন হৈছে। মানুহে এককোটি গছ পুলি ৰুব। পৰিবেশ ভাল হ'ব। ইয়াত আমাৰ Global warming ৰ বিৰুদ্ধে অসমে ফাইট কৰিব। এতিয়া ডিবেইটত সেই দুটা উদাহৰণ মানি আমাৰ চাৰ্টপেন্ট, ঘৰত আমি কি খাওঁ তাৰো উদাহৰণ হ'ব পাৰিছিল। এই বিধান সভাখন কিয় ধুনীয়াকৈ বনালে তাৰো উদাহৰণ দিব পাৰিলেহেতেন। আমাৰ এম এল এ হোষ্টেল কেইট া কিয় ভালকৈ বনালে সেইটোৰো উদাহৰণ দিব পাৰিলোহেতেন। আমি মন্ত্ৰীৰ কোৱাটাৰখিনি কিয় ভালকৈ বনাইছো তাৰো উদাহৰণ দিব পাৰিলোহেতেন। বিহুটোৰে আপোনালোকৰ মনত কিয় ইমান দুখ দিছে? মই ভৰত নৰহ ডাঙৰীয়াক অত্যন্ত বিনম্ৰতাৰে অনুৰোধ কৰিম বিহুটোক লৈ দুখ কৰাটো এৰি দিয়ক। বিহু দিল্লীটো হ'ব আৰু ২৫ হাজাৰে বিহু কৰিব। গতিকে তাক লৈ আপত্তি নাই। গতিকে বিহু, গছ, খেল মহাসংগ্ৰাম এই বিলাক প্ৰয়োজনীয় কাম আমি এই প্ৰয়োজনীয় কামবোৰ সময়ৰ লগত কৰি কৰি গৈ থাকিব লাগিব।

**শ্ৰী অখিল গগৈ ,(শিৱসাগৰ)ঃ** এতিয়া মুখ্যমন্ত্ৰী মহোদয়, বিহুক ইমান ভাল পায় যেতিয়া জি ২০ ত আমাৰ ১০ গৰাকী ভাল নাচনী পঠিওৱা হ'লে ভাল আছিল। বিশ্বৰেৰ্কড কৰি যিটো বিহু দেখুৱালে বৰ ভয়ানক হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অখিল গগৈ ডাঙৰীয়া, এইটো কোনো কমিউনিষ্ট পাৰ্টীৰ এগজিকিউটিভ হৈ থকা নাই। বাৰে বাৰে কাৰেন্টত চৰ্ট কৰাৰ দৰে চকীৰ পৰা উঠিব নামিব আপোনাৰ চকীখনত যদি কিবা কাৰেন্ট লাগি আছে, আপোনাৰ নেকৈ উঠা বহা কৰি থাকোতে ব্যায়াম হৈ থাকিব। কেতিয়াবা নিজেও অলপ চাব লাগে ১২৫ জন বহি আছে আৰু ময়ে পিং পংৰ দৰে নাচি আছো। মইনো বেলেগত গৈ superior কিয় দেখুৱাব লাগে। আপোনাতকৈ জ্যেষ্ঠজন যেনেকৈ ফণীভূষণ চৌধুৰী, কোনোবাৰ ২৫ বছৰ কোনোবাৰ, ২০ বছৰ, ধুনীয়াকৈ বহি আছে, কোৱাৰ দায়িত্ব কৰিলে যিমান চৰকাৰক সমালোচনা কৰিব লাগে কৰিলে, মোকটো কোনেও ৰেহাই দিয়া নাই। আপুনি অহাবাৰ ১০ জন জিকাই আনক, ৩০ মিনিট লওঁক, কোনেওটো আপত্তি কৰা নাই। দূৰ্ভাগ্য

বশত মানুহে আপোনাক এখন আসন দিছে, অহাবাৰ সেইটোও দিয়ে নে নাই সন্দেহ আছে। মই তাৰ কাৰণে গেৰান্টি ল'ব নোৱাৰো। আমাৰ তাত জইন কৰক তেতিয়া সময় বেছি পাব। কিন্তু আপুনি পিং পংৰ দৰে থাকিলে বাকী একো উত্তৰ দিব নোৱাৰে গতিকে এইটো বাদ দিয়ক। কটনত থাকোতে আমি সৰু আছিলো, কিন্তু এতিয়া matured হ'লো। আপোনাৰ ল'ৰাই এতিয়া নামি পৰিলে , গতিকে দেউতাক হিচাপে অলপটো আমি maturity দেখুৱাব লাগিব। গতিকে এইবিলাক আমি নকৰো লাগিলে অধ্যক্ষ মহোদয়ক মই কম যে মোৰ কোটাৰ পৰা তিনিমিনিট আপোনাক দি দিয়ক। কিন্তু পিছত এই পিং পংটো কৰি নাথাকিব।

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া মই generation ৰ উত্তৰ দিম। কথাটো হ'ল যে অসমৰ power টোৰ পজিশ্যন কি? প্ৰথম মই কৈ লৈছো যে লোড শ্বেডিং নাই। আজিও লোড শ্বেডিং নাই, কালিও নহয়, পৰহিও লোড শ্বেডিং নহয় সেই কথাটোৰ গেৰাণ্টী দি মই বাকী কথাখিনি কৈ আছো। আপোনালোকে ভাবিব নালাগে যে মই লোড শ্বেডিং justify কৰি আছো। মাননীয় বিধান সভাৰ অধ্যক্ষ মহোদয়ৰ সন্মুখত মই এই কথাটো ঘোষণা কৰিলো। মাননীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াৰো এটা প্ৰশ্নৰ উত্তৰ দিছো। তেখেতে চাহ বাগিচাৰ লোকৰ মৰ্মবেদনাৰ কথা ক'লে। তেখেতে খোবাং চাহবাগিচাৰ ২৩০ গৰাকী, টিংখঙৰ ২৫০ গৰাকী, গেলেকীত ১৫০ গৰাকী ব্যক্তিক তেখেতে সাক্ষাৎ কৰাতো মই জানো। আমি যদি মাননীয়া মন্ত্ৰী অজন্তা নেওঁগ বাইদেউয়ে যিখন বাজেট দিছে সেই বাজেটখন লৈ গলো হেঁতেন সেই বাজেটত ইতিমধ্যে ঘোষণা কৰিছে যে চাহ বাগিচাৰ সকলো শ্ৰমিকৰ বকেয়া বিদ্যুতৰ ধন এইবছৰ আমি ৰেহাই কৰি দিম। That is already in the Budget. মই ভাবো যে অহা কালি- পৰহি কেবিনেটত আহিব যে বাগিচাৰ শ্ৰমিকৰ যিমান বকেয়া বিদ্যুতৰ বিল আছে ১ এপ্ৰিল পৰ্য্যন্ত আমি তেওঁলোকৰ সকলো মুকলি কৰি দিয়াৰ সিদ্ধান্ত আমি লৈছো। This is the part of Budget announcment. সেই মহিলা তিনিগৰাকীক হয় মই জনাব লাগিব নহ'লে মাননীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াই জনাব লাগিব। নাম তিনিটা দিলে মই জনাই দিম। আমি সময়ৰ কাম সময়ত কৰি গৈ আছো। এতিয়া সমস্যাটো হ'ল যে অসমত বিদ্যুতৰ চাহিদা বাঢ়িব সেই কথাটো যিকোনো কাৰণতে হওঁক অসমৰ পূৰ্বৰ বিদ্যুৎ মন্ত্ৰী সকলে যিধৰণে ভাবিব লাগিছিল তেওঁলোকে নাভাবিলে। এতিয়া বহুত সদস্যই কৈ আছে solar কৰিম বুলি কৈছিল, কিয় কৰা নহ'ল, আপোনালোকে উৎপাদন নকৰিলে। আঢ়ৈ বছৰত পৃথিৱীত কোনো power generation সম্ভৱ নহয়। বিদ্যুতৰ environmental clearence লোৱাৰ পৰা বিদ্যুৎ production লৈ আনিবৰ কাৰণে the gestation period is 7 to 10 years.

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** আপুনি ২৩ বছৰৰ পৰা আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মই ২৩ বছৰ কোনটো সংগ্ৰাম কৰি পাইছো সেই কথাটো মই জানো। বিৰোধী পক্ষৰ মোৰ প্ৰতি থকা মনোভাৱটোৰেই উন্মোচন কৰি দিয়ে যে তাত মই কিমান সংগ্ৰাম কৰি আছিলো। গতিকে এই কথাবিলাক বাদ দিয়ক। আপুনি যদি ভাবে মাননীয় শ্ৰী প্ৰদ্যুৎ বৰদলৈ ডাঙৰীয়াৰ বিভাগটো মই চলাইছিলো তেখেতক কিয় be little কৰে। আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী স্বৰ্গীয় তৰুণ গগৈ ডাঙৰীয়াৰ সময়চোৱাত শ্ৰী প্ৰদ্যুৎ বৰদলৈ ডাঙৰীয়া শক্তিমন্ত্ৰী আছিল। আপুনি যদি কয় যে মই তেওঁৰ বিভাগটো চলাইছিলো তেখেতে আপোনাক বেয়া পাব। তাৰ পিছত মাননীয় বিধায়ক ৰকিবুল হুছেইন ডাঙৰীয়া শক্তিমন্ত্ৰী হৈছিল। যদি ৰকিবুল হুছেইন ডাঙৰীয়াৰ বিভাগটো মই চলাইছিলো বুলি কওঁ তেনেহ'লে তেখেতৰ ব্যক্তিত্বক অপমানিত কৰা হ'ব। এতিয়া

আপোনালোকে India কৰি আছে। গতিকে নিজৰ মাজতে এইটো নকৰিব। কংগ্ৰেছ আৰু বি.জে.পি লৈ মই নাযাওঁ। কাৰণ কংগ্ৰেছ চৰকাৰৰ দিনত ৬-৭ ঘণ্টালৈকে বিদ্যুৎ নোহোৱা হৈছিল, বাঁহেৰে বিদ্যুৎ সংযোগ দিয়া হৈছিল। মাননীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াই জাষ্টিফিকেশ্যন কৰিছে যে তেতিয়া আমি দৰমহা দিয়াত ব্যস্ত আছিলো, তেতিয়া আমি আলফাক শান্তি আলোচনালৈ ঘূৰাই অনাত ব্যস্ত আছিলো। গতিকে তেওঁ নিজে কৈছে যে আমি electricity ৰ ক্ষেত্ৰত বিশেষ কৰিব পৰা নাছিলো। মই ২০১৬ চনৰ পৰা ক'ব খুজিছো। মই তাৰ আগলৈ যাব খোজা নাই। তাৰ আগলৈকে গ'লে political হৈ যায় , মই political কৰিব খোজা নাই। ২০১৬ চনত আমাৰ অসমৰ peak hour demand যদি আমি চাবলৈ যাওঁ তেতিয়া আমাৰ ডিমাণ্ড আছিল ১৫৩৫ মেগাৱাট। তাৰপিছত বঢ়া নাছিল। ২০১৭, ২০১৮ আৰু ২০১৯ চনতো ১৬০০ মেগাৱাট থাকিল। এই সময়চোৱাতে কিন্তু ৰাজীৱ গান্ধী বিদ্যুতিকৰণ যোজনা আৰু দীন দয়াল বিদ্যুতিকৰণযোজনাও হ'ল। মাননীয় বিধায়ক শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কৈছে যে উন্নয়ণৰ কাৰণে হোৱা নাই। ৰাজীৱ গান্ধী বিদ্যুতিকৰণ যোজনা হৈছিল 2009 to 2014. তাৰপিছত দীন দয়াল বিদ্যুতিকৰণ যোজনা 2014 to 2018 লৈ হ'ল। তথাপিতো অসমত বিদ্যুতৰ ডিমাণ্ড বঢ়া নাছিল। গতিকে মই ভাবো বিধান সভাত কিবা এটা কথা কোৱাৰ আগতে we have to generate enough statistic. ২০২০-২১ চনত ১৭০০ হ'ল। যেতিয়া বিদ্যুতৰ চাহিদা নাবাঢ়ে আমাৰ APDCL য়ে কোনো ধৰণে কতো বিদ্যুৎ generation ৰ কথা চিন্তা নকৰিলে আৰু কাৰো লগত কথাও নাপাতিলে। কাৰণ বিদ্যুতৰ contract কৰিলেই ৫০ শতাংশ দিব লাগে। বিদ্যুতৰ নিয়মটো হ'ল যে যদি আপুনি বিদ্যুৎ কোনোবা এটা বিদ্যুৎ generate কৰা corporation ক বা নিজে বনাই সেইটো অসমতে বনাওঁক বা বাহিৰতে বনাওঁক তেওঁলোকক গেৰাণ্টী দিব লাগিব যে আমি ১০০ শতাংশ বিদ্যুৎ কিনিম আৰু যদি নিকিনো তেতিয়াওঁ আমি বিদ্যুতৰ জৰিমণা দিব লাগে। কাৰণ তেওঁলোকে বিদ্যুৎ উৎপাদনৰ কাৰণে গেচ, কয়লা ৰ লগত contract কৰে। It is a very very technical field. মাননীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াই জানে কাৰণ তেওঁ শক্তি মন্ত্ৰী আছিল। এতিয়া NTPC বঙাইগাওঁৰ 2000generation হয়। অসম চৰকাৰে এই ২০০০ লৈ ল'ব পাৰিলে হেঁতেন। কিন্তু we took only 500. কাৰণ আমাৰ ভয় লাগে যে যদি আমি বিদ্যুৎ contract কৰো আৰু পিছত যদি নিকিনো, আমাৰ যদি চাহিদা নাবাঢ়ে তেতিয়া আমি জৰিমণাৰ লগতে বিদ্যুতৰ দামটোও দিব লাগিব। সেইকাৰণে অসমত ২০০১ চনৰ পৰা কাৰ্বি-লাংপি প্ৰকল্পটো চলি আছে। আজি আমাৰ মাননীয় সদস্য কৰিম উদ্দিন বৰভূঞা ডাঙৰীয়াই কৈছে যে আপোনালোকে কপিলী প্ৰকল্পটো কৰি নিদিয়ে কিয়। It took 26 years to complete the Karbi-Langpi. কিন্তু Lower Kopili Project টো আমি অহা বছৰ জুন মাহত মুকলি কৰি দিম। During the Congress period or let us not say Congress during the earlier regime complete Karbi-Langpi প্ৰকল্পটোৱে ২৬ বছৰ লৈছে। আমি দুবছৰত সম্পূৰ্ণ কৰিম। অহা জুন মাহত আপোনালোক সকলোৱে আহিব, আমি সকলোৱে একেলগে মাননীয়া মন্ত্ৰী শ্ৰীমতী নন্দিতা গাৰ্লোচা ডাঙৰীয়াণীৰ সমষ্টিলৈ গৈ উদ্বোধন কৰি দিম। কিন্তু সমস্যাটো এইটো নহয়। মই তাৰ গভীৰতালৈ হে যাব বিচাৰিছো। আমাৰ চৰকাৰ অহাৰ পিছত ২০২১-২২ চনত ১৮০০ মেগাৱাটৰ চাহিদাৰ প্ৰয়োজন হ'ল। গতিকে মই লোড শ্বেডিং কৰা নাই এই কথাষাৰ মই আগতেই কৈছো। We were defected by 5 Megawatts. একো সমস্যা নাছিল। ২০২২-২৩ চনত ১৯৭০ মেগাৱাটলৈ ক্ৰমান্বয়ে বাঢ়ি আহিব

ধৰিলে আৰু ২০২০-২১ চনত ১৭০০ ৰ পৰা ২০২২-২৩ চনত ২০০০ পালেগৈ। প্ৰথমবাৰ Assam has seen increase the power demand in the decade after 3 decade. এইধৰণে power ৰ চাহিদা বঢ়া দেখা পালো। এইবছৰ it has raised to 2400. এতিয়া কি হৈছে মই নিজেও নাজানো why it has increased so much and it has taken us off guard এতিয়া যদি মই কওঁ আপোনালোকে ব্যৱস্থা কৰা নাছিল নেকি? আমি কি ব্যৱস্থা কৰিম on statistic প্ৰত্যেক বছৰে বিদ্যুতৰ চাহিদা কিমান বাঢ়ে। অসমৰ বিদ্যুতৰ চাহিদা প্ৰতিবছৰে যিটো increase factor আছিল that is hardly 10% আৰু বিদ্যুতৰ চাহিদা অসমত বঢ়াই নাছিল। It was in a statics mode. এতিয়া মই যদি কওঁ বিকাশ হৈছে আপোনালোকে বেয়া পাব। এইবছৰ আমি কোনো ৰাজীৱ গান্ধী বৈদ্যুতিকৰণ যোজনাও কৰা নাই, দীন দয়াল বৈদ্যুতিকৰণ যোজনাও কৰা নাই। আনকি নতুনকৈ কোনো গাঁৱতে টো পোষ্ট ও লগোৱা নাই। কাৰণ already we have achieve 100%. এতিয়া হঠাৎতে আমাৰ অসমত বিদ্যুতৰ চাহিদা কেনেকৈ ইমান বাঢ়ি গ'ল এই বিষয়ে এতিয়া আমি চাব লাগিব। যোৱা বছৰেই আমি এটা অনুমান কৰিছিলো যে আমাৰ বিদ্যুতৰ চাহিদা বাঢ়িব নেকি? সেইকাৰণে আমি কিছুমান আগতীয়া পৰিকল্পনা লৈছিলো। কিন্তু advance planning লোৱাৰ আগতে মই আৰু এটা কথা ক'ব খুজিছো যে নুমলীগড়ত যিটো second expansion plant চলি আছে that will require. advance planing লোৱাৰ আগতে মই আৰু এটা কথা কব খোজে যে নুমলীগড় শোধনাগাৰ 2nd expansion plan ইয়াৰ পিছৰ বছৰত হৈ গলে ৪০০ মেগাৱাট পোৱা যাব। পেপচি আহিছে, তেওঁলোকক ২৫ মেগাৱাট লাগে। but we are in a very good discussion for setting up a semi conductor in Assam where investment will be around 40 thousand crores, discussion is going on, but now there is a big competition, going on between three states Gujarat has also put there bid Assam has also put there bid, Orissa has also put there bid and with that break through Assam will go to that another league of state যদি ৪০ হাজাৰ কোটি টকাৰ মেগাৱাটৰ industry হয়, অসমত ১ হাজাৰ মেগাৱটাৰ বিদ্যুৎ লাগিব। এতিয়া এই কথা বিলাকত আমি আগতে চোৱা নাছিলো, কাৰণ মই কংগ্ৰেছৰলৈ যাব খোজা নাই। The electricity demand has never increase in Assam. It was in a staticmode, অকনমান ৰাজীৱ গান্ধী, দীনদয়াল অহাৰ পিছত ১০০, ১০০ মেগাৱাট বাঢ়িছিলে, তাৰ বাবে বিদ্যুতৰ demand কেতিয়াও অসমত বঢ়া নাছিলে।

এতিয়া শেষৰ কিছু দিনৰ পৰা বিদ্যুৎৰ demand বাঢ়িছে, one of the reasons যদি এক লাখ মানুহৰ ঘৰত চৰকাৰী চাকৰি হয়, এখন ফেন আছিল, এতিয়া দুখন ফেন লগাইছে। যদি আমাৰ চৰকাৰৰ বাজেট ২০১৬ চনত ৪২ হাজাৰ কোটি টকা আছিল, এতিয়া ১ লাখ ৪৩ হাজাৰ কোটি টকা হয়, তাৰ মানে money to be gone to the people's pockets। আজি যি ধৰণে অসমৰ সমৃদ্ধি হৈছে, সমৃদ্ধিৰ লগত বিদ্যুতৰ demand বাঢ়িছে, আৰু এই কথাটোত মই অনুমান কৰিছিলো যে বিদ্যুতৰ demand বাঢ়িব। এতিয়া সদনৰ সদস্যসকলৰ লগত মই একমত যে অহা বছৰ ৩ হাজাৰ মেগাৱাট demand হ'ব। আৰু মই ভাৱো by end of this Government, এই Govt. খনে যেতিয়া পূৰ্ণ কাল শেষ কৰিব, অসমৰ বিদ্যুতৰ demand

চাহিদা ৪ হাজাৰ মেগাৱাটাৰ আশে পাশে হ'ব।

এতিয়া মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই বাৰে বাৰে কৈছে যে অসমত বিদ্যুৎ generate নকৰে। দুৰ্ভাগ্যবঃশত আমাৰ generation ৰ ক্ষেত্ৰত we have exhausted all the potential আমাৰ একো নাই generate কৰিবলগীয়া। এখন ঠাই আছে, মাৰ্ঘেৰিটাত আমি coal based electricity plan কৰিব পাৰো। কিন্তু অখিল গগৈ ডাঙৰীয়া আৰু এটা সংগঠনে ইতিমধ্যে আন্দোলন কৰি থৈ দিছে যে মাৰ্ঘেৰিটাৰ bio-diversity আমি নষ্ট কৰিব নিদিও। এতিয়া আমি অসমত ক'ত generation কৰিম। সদনে এটা তিনিজনীয়া সমিতি বনাই দিয়ক, যে অমুক ঠাইত generation কৰিব পাৰি। Assam Govt. will invest, অখিল গগৈ ডাঙৰীয়াৰ নেতৃত্বত এইখন সমিতি বনাই দিয়ক। Coal based ত আমি যদি নকৰো অসমত আজিৰ দিনত না গেছ আছে না পানী আছে। মোক যিটো বিষয়া সকলে জনাইছে আৰু মোৰ যিটো ক্ষুদ্ৰ জ্ঞান অসমত পানী আৰু নাই। কাৰ্বিলংপিত 2nd position ত ২৫ মেগাৱাট আমি কৰিব পাৰো, কপিলী, নামনি কপিলীত ১৫০ মেগাৱাট অহা বছৰ জুন মাহত আহি যাব। তাৰ বাহিৰে অসমত এটোপালো পানী নাই। য'ত নেকি আমি Hydel Electricity Project কৰিব পাৰো। Gas based বিদ্যুৎ কৰাৰ কাৰণে oil India ই হাত ডাঙি দিছে যে আমাৰ আৰু কোনো extra gas নাই। আৰু gas based বিদ্যুৎ উৎপাদন কৰিলে, তাৰ negativity ও মই বুজাই কৈ আছে, আমাৰ হাতত solar ৰ বিকল্পও নাই। But solar is only in day time, আৰু day time ত we are power surplus state. আমাক বিদ্যুৎ লাগে গধুলি, গতিকে বাৰে বাৰে যে কৈ আছে অসমত generation কৰিব লাগে, যদি generation কৰাৰ ক্ষমতা থাকিলে হেতেন, অন্ততঃ কংগ্ৰেছৰ দিনতো project ৰ লিখা লিখি আৰম্ভ হ'লহেতেন। আজি কংগ্ৰেছৰ দিনৰ ফাইল মই গোটকি চাইছো যে নামনি কপিলীৰ বাবে এটাও project ৰ কথা পতা নাছিল। আজি এইখন সদনতে কোনো এজন বিধায়কে কেতিয়াও question hour দিয়া নাই যে মোৰ সমষ্টিত পানী আছে, আপোনালোকে ইয়াত এটা power project কৰক। শেষত আমি এটা দেখিছো যে কুলসী নদীৰ ওপৰত মেঘালয়ে NOC দিলে আৰু ৫০ মেগাৱাটৰ এটা project কৰিব পাৰিম আৰু আমি কৰিম ক'ত, অসমৰ ভৈগলিক স্থিতিটো এনেকুৱা। immediate coal based project কৰিবলৈ হলে মাৰ্ঘেৰিটাত কৰিব পাৰো। কিন্তু মাৰ্ঘেৰিটাৰ bio-diversity ও আমি ৰক্ষা কৰিব লাগিব, ৩ হাজাৰ মেগাৱাটৰ Coal Based Project লগাই দিয়াৰ পিছত তাততো ঠাই নাথাকিব। গতিকে মই সদনত দায়িত্ব সহকাৰে কব খোজে যে অসমত power project কৰাৰ কোনো scope নাই। unless we start coal based power project, বাৰউনিৰ পৰা কয়লা আনি যদি ইয়াত coal based project নকৰো আৰু কোনো locality য়ে মাটি নিদিয়ে, coal based power project কৰাৰ কাৰণে, ইয়াৰ প্ৰদুষণৰ কাৰণে,কোনো সমষ্টিত কোনো বিধায়কে মাটি দিব নোৱাৰে। এই কথাবিলাকৰ কাৰণে আমি চিঞৰি চিঞৰি কৈছিলো যে Assam make support of Arunachal Pradesh. কাৰণ They have the deposit of water. সেই কাৰণে আমি কৈছিলো যে NHPC প্ৰকল্প কৰিব দিয়ক, ২০১১ চনত এই সদনত মই চিঞৰি চিঞৰি কৈছিলো এজন ব্যক্তিৰ অহমীকাৰ কাৰণে এই প্ৰকল্প ১০ বছৰ পিছুৱাই গ'ল। only for এজন ব্যক্তিৰ ৰাজনৈতিক আত্মপ্ৰকাশ হ'ব লাগে, সেই অহমীকাৰ কাৰণে that I need a political issue তাৰ কাৰণে নহ'ল। নহলে আজি ৫০০ মেগাৱাটৰ এটা project

থাকিলে হেতেন। এতিয়া কথাটো হ'ল বিদ্যুতৰ যদি কোনো অসুবিধা আছে, মাননীয় অধ্যক্ষ মহোদয়ৰ ওচৰত লিখিত পঠাব পাৰে, কথাটো হ'ল যে সেই সময়ত আমি সদনত কৈছিলো যে অসম সদায় একে নাথাকে। এটা সময় আহিব, অসমক ৪ হাজাৰ মেগাৱাট পাৱাৰ লাগিব, যদি এনেকৈ উন্নয়ন হৈ থাকে, যদি নুমলিগড় expansion হৈ যায় আৰু আমি যিকেইটা কথা পাতি আছো only industrial demand will go up by thousand megawatt by next few years। এতিয়া আমি generation ক'ৰ পৰা কৰিম। অসমৰ মুখ্যমন্ত্ৰী হিচাপে মোৰ দায়িত্ব যে পাৱাৰ দিব লাগে, কিন্তু পাৱাৰ আমি দিম ক'ৰ পৰা। অসমৰ কৰ পৰা উৎপাদন কৰিম। সকলো সদস্যই কয় অসমে মাত্ৰ ৪ শ মেগাৱাট generate কৰে that is the base scenario আৰু ১৫০ মেগাৱাট ইয়াৰ লগত আমি যোগ কৰিম নামনি কপিলী by next June, 25 মেগাৱাট আমি কাৰ্বিলংপিত যোগ কৰিম বাকী traditional power যোগ কৰাৰ source অসমত আৰু কতো নাই। এনে আবেগিক কথা ক'লে নহ'ব, গেছো নাই, পানীও নাই, যদি কয়লাৰে কৰাৰ কথা আহে তেতিয়া that is a deferent matter all together. এতিয়া আমি কেনেকৈ যোৰা মাৰিব খুজিছো। আমিটো কিবা এটা কৰিব লাগিব, সেইবাবে যোৱা কিছুদিনত আমি খুব aggressively পাৱাৰ কৰ পৰা পাঁও, সেইটোৰে চিন্তা, দামটো পিছত আহিব। কাৰণ মই স্বীকাৰ কৰো দাম যিয়ে নহওক আমি বিদ্যুৎ কিনিব লাগিব। That is the correct position. ৬২ লাখ মানুহক বিদ্যুৎটো দিব লাগিব। মই মাননীয় সদস্য সকলক ধন্যবাদ দিছো যে মোক এটা mandate দিছে যে আপোনালোকৰ সমষ্টিত ৰাস্তা ঘাট দলং ন বনালেও হ'ব, power ক main priority দিব লাগে। এতিয়া মুখ্য কথাটো হ'লে যে বিদ্যুৎ আমি ক'ৰ পৰা পাম । এই কথাটো আগতে চিন্তা কৰাৰ পৰিৱেশ নাছিল। মই কাকো ব্লেম নকৰো যিহেতু আগতে মোৰে চৰকাৰ আছিল আৰু মইয়ে বিত্ত মন্ত্ৰী আছিলো। কংগ্ৰেছলৈকে মই যাব বিচৰা নাই কাৰণ কংগ্ৰেছে ২০২২-২৩ চনত এনেকুৱা পৰিবেশ হ'ব বুলি হয়তো প্ৰদ্যুত বৰদলৈ ডাঙৰীয়াই শক্তি মন্ত্ৰী থাকোতে কল্পনা কৰিব পৰা নাছিল । তেতিয়া আমি ৮০০ মেগাৱাটৰ কথা পাতি আছিলো । Now, we are talking about 2500 MW and by next year talking by 3000 MW. এতিয়া আমি আশা কৰিছো যে জানুৱাৰী নহ'লেও জুন, ২০২৪ চনত আমি এন. এইচ. পি. চি. সোৱণশিৰিৰ পৰা ২০৮ মেগাৱাট বিদ্যুৎ পাম । আমি ভূটানৰ দুটা হাইড্ৰ' পাৱাৰৰ লগত কথা পাতি থৈছো । ইতিমধ্যে Punatsangchhu HPP-I and Punatsangchhu HPP-II ৰ লগত এগ্ৰিমেন্ট হৈছে। তেওঁলোকে 204 MW and 170 MW আমাক ২০২৪ চনৰ জুন মাহত দিব। পি. টি. চি. নিকাচু ৰ পৰা আমি এই বছৰৰ যিকোনো সময়ৰ ভিতৰত ৮০ মেগাৱাট পাম। আমাৰ নিজৰ জেনেৰেশ্যন ল'ৱাৰ কপিলীৰ পৰা ২০২৪ চনৰ জুন মাহত ১২০ মেগাৱাট হ'ব । কাৰ্বি লাংপিত মিডলত আমি কৰিব পাৰিম ২৪ মেগাৱাট আৰু কাৰ্বি লাংপি মিডল-১ ত ২২ মেগাৱাট আমি হাইয়েষ্ট যাব পাৰিম তাৰ পিছত অসমত স্কপ নাই । উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত কথা পাতি মই উত্তৰ প্ৰদেশৰ পাৱাৰ প্ৰজেক্ট ঘাটামপুৰত অসম চৰকাৰে বিনিয়োগ কৰাৰ কাৰণে প্ৰস্তাৱ দিছো যিহেতু তাত কয়লা আছে । তাত তেওঁলোকে আমাৰ বিনিয়োগ প্ৰপোজেলটো মানা নাই । কিন্তু মোক পাৱাৰৰ কাৰণে চিন্তা কৰিব নালাগে বুলি কৈছে । They have entering to agreement with us to give 492 MW of power by next year June, 2024. তাৰ পিছত এন. টি. পি. চি. তালচাৰত আৰু এটা প্ৰজেক্ট ১৫৪ সেইটো ২০২৭ চনত দিব । ২০২৮ চনত মই ভাবো অমসত ৪৫০০ মেগাৱাট পাৱাৰৰ

প্ৰয়োজন হ'ব । ২০২৮ চনৰ বাবে মই এতিয়াই আগতীয়াকৈ পৰিকল্পনা কৰি লৈছো যে মহানদী পাৱাৰৰ পৰা ১২৫০ মেগাৱাট একেলগে কিনিম । গতিকে অসম এতিয়া সুৰক্ষিত । কেতিয়াবা মিডিয়াও অসহিষ্ণু আৰু কেতিয়াবা বিধায়ক সকলো অসহিষ্ণু হয় । ক'ৰবাত তিনি দিন পাৱাৰ নোহোৱা হ'লে যদি আমি সভা স্থগিত প্ৰস্তাৱৰ কথা কওঁ তেন্তে মহাৰাষ্ট্ৰৰ নিচিনা ৰাজ্যত কি হ'ব ! তাত যিহেতু বহু খিনি পাৱাৰ নাটনি হৈ আছে । আমাৰ জি.ডি.পি হৈছে ৪ লাখ কোটি আৰু মহাৰাষ্ট্ৰ জি. ডি. পি হৈছে ২৫ লাখ কোটি । গতিকে মহাৰাষ্ট্ৰৰ লগত অসমৰ তুলনা হয় নেকি ? মহাৰাষ্ট্ৰত যিমান আছে তাতকৈ তেওঁলোকক বেছিকৈহে লাগে । They are deficit by 2000MW as per the Report of Central Electricity Authority. গুজৰাটেও এই সমস্যাৰ সন্মুখীন হৈছে । মই ক'ব বিচাৰো যে আজিৰ দিনটোত প্ৰত্যেক খন কংগ্ৰেছ শাসিত ৰাজ্যই এই সমস্যাৰ সন্মুখীন হৈ আছে । সকলো ঠাইতে যোৱা তিনিদিনত ল'ড শ্বেডিং হৈছে । আনকি দিল্লীটো ল'ড শ্বেডিং হৈছে । গতিকে দেশৰ সমস্যা সমাধানৰ ক্ষেত্ৰত অসহিষ্ণুতা উত্তৰ হ'ব নোৱাৰে । আপোনালোকে যি ধৰণে পাৱাৰ সংকট বনাই দিলে মইটো আচৰিত হৈ গৈছো । কাৰণ যোৱাকালিও আমি ২৩০০/ ২৪০০ মেগাৱাট পাৱাৰ তিনি কোটি টকাত আমি কিনি দিছো । নামনি অসমৰ সংখ্যালঘু অধ্যুষিত অঞ্চলত ট্ৰেন্সমিশ্যনৰ সমস্যা আছে । আজি অখিল গগৈ ডাঙৰীয়াই যিখন গাঁওৰ কথা কৈছে তাতো ট্ৰেন্সমিশ্যনৰ সমস্যা আছে । By 2028 I have organised 2678 MW of additional power. আজি মোৰ লগত ১৮০০ মেগাৱাট আছে তাৰ লগত ২৬৭৮ মেগাৱাট পাৱাৰ যোগ কৰক । অখিল গগৈ ডাঙৰীয়াই কোৱাৰ দৰে আমি মধ্যভোগীৰ পৰা পাৱাৰ নিকিনো। লাকুৱাত যেতিয়া অসমৰ জেনেৰেশ্যন কোম্পানীয়ে প্ৰতি মেগাৱাটত ৯ টকাকৈ পাৱাৰ বিক্ৰী কৰে আৰু মই যিকেইটা এগ্ৰীমেন্ট কৰিছো সেই কেইটা প্ৰতি মেগাৱাটত ৫ টকাকৈ । নামনি সোৱণশিৰিয়ে প্ৰতি মেগাৱাটত ৫ টকাকৈ, পোনাথাংচুৱে প্ৰতি মেগাৱাটত ৫ টকাকৈ, নিকাচুৰে প্ৰতি মেগাৱাটত ৪.১৫ টকাকৈ, ল'ৱাৰ কপিলিয়ে প্ৰতি মেগাৱাটত ৩.৩৭ টকাকৈ, ঘাটামপুৰে প্ৰতি মেগাৱাটত ৪.৫২ টকাকৈ, তালচাৰে প্ৰতি মেগাৱাটত ৩.৬০ টকাকৈ দিব আৰু মহানদীয়ে এতিয়ালৈকে ৰেটটো আমাক জনোৱা নাই কাৰণ এইটো ২০২৮ চনত লোৱা হ'ব । তাৰ বিপৰীতে নাহৰকটীয়াত আমাৰ দুটা পাৱাৰ ষ্টেশ্যন আছে তেওঁলোকক প্ৰতি মেগাৱাটত ৯ টকাকৈ দিব লাগে । আমি অসমৰ পাৱাৰ কোম্পানীক কৈছে যে তোমালোকে ১৫০ মেগাৱাট পাৱাৰ উৎপাদন নকৰিবা। কাৰণ তাত এভাৰেজ ৰেটটো হৈছে ৬.৫০ টকা। আমি হাইড্ৰ' কেইটা চলাব দিছো গেছ কেইটা চলাব দিয়া নাই। আমি তেওঁলোকক বন্ধ কৰাই থৈছো আৰু যোৱা পৰহিও চাৰেগুৱাৰ কৰি দিছো । তেওঁলোকক পাৱাৰ নালাগে বুলি কৈছো কাৰণ আমি প্ৰতি মেগাৱাটত ৯ টকাকৈ কেনেকৈ কিনিম কাৰণ আমি মানুহৰ পৰা প্ৰতি মেগাৱাটত ৪.৫০ ৰ পৰা ৫ টকাকৈ লওঁ। আজি আপোনালোকে গৌৰৱ অনুভৱ কৰিব যে আজি অসমত আমি বহুত আগবাঢ়িব নোৱাৰিলেও একেবাৰে পিছপৰি থকা নাই । মই যি কম ৰেকৰ্ড মতে ক'ব লাগিব নহলে কিবা ভুল তথ্য দিলে প্ৰিভিলাইজৰ সন্মুখীন হ'ব লাগিব । ঘটনাটো ষ্টেটত আমি কিমান পাৱাৰ উৎপাদন কৰো সেইটো নহয়, কথাটো হৈছে যে Cost of power generation in the state vis-a-vis power availability in the Nation. এতিয়া আমাৰ দেশ খন এটা গ্ৰীডত চলে। আমি ৰাতি প্ৰতি মেগাৱাটত দহ টকাকৈ আৰু দিনত তিনি টকাকৈ পাৱাৰ কিনো । মই আজি ক'ব পাৰো যে যোৱা দুদিনৰ পৰা ল'ড শ্বেডিং নাই আৰু আজিৰ পৰা ল'ড শ্বেডিং নহ'ব। আমি চাৰিশ মেগাৱাট পাৱাৰ উৎপাদন কৰো আৰু এশৈচ শ মেগাৱাট পাৱাৰ আমি বাহিৰৰ পৰা

আনো । অসমৰ দৰে ৰাজ্যত যদি ল'ড শ্বেডিং হয়, ল'ড শ্বেডিং বন্ধৰ পৰা খোলালৈকে মেক্সিমাম ৪৫ মিনিট মান সময় লাগিব । কৰবাত যদি দহ-পোন্ধৰ মিনিটৰ কাৰণে পাৱাৰ টিপিং হয় সেইটো হৈছে টিপিং প্ৰব্লেম। কৰবাত যদি বাহ গছ পৰি যায়, কৰবাত যদি দুডাল তাঁৰ একলগ হয় সেইটো হৈছে টিপিং প্ৰব্লেম। আগৰ পাৱাৰ মিনিষ্টাৰ সকলক সুধিব যে ল'ড শ্বেডিং দহ মিনিটৰ কাৰণে কেতিয়াও হ'ব নোৱাৰে । পঞ্চলিছ মিনিটতকৈ কম সময় পাৱাৰ কাট হ'লে এইটো ল'ড শ্বেডিং প্ৰব্লেম নহয়, এইটো হৈছে সেই অঞ্চলৰ টিপিকেল প্ৰব্লেম । বতাহ আহিলে কৰবাত যদি দুডাল তাঁৰ একলগ হয় তেতিয়া সেই অঞ্চলৰ ট্ৰেঞ্চফাৰ্মাটোৰ পাৱাৰ টিপ হৈ যাব । গতিকে যদি আমি ইমান অসহিষ্ণু হৈ যায় তেন্তে আমি ৰাজ্য চলাবলৈ অসমৰ্থ হম । ২০০৬ চনত ছয়ৰ পৰা সাত ঘন্টালৈকে পাৱাৰ কাট হৈছিলে । Atleast বিধায়ক সকল সহিষ্ণু হ'ব লাগে আৰু বুজাব লাগে ১০ মিনিটহে। যোৱা ২০০৬ চনত ৬ ঘণ্টা পাৱাৰ নাছিল। ৬ ঘণ্টা অসমে ১০ মিনিটলৈকে বিকাশ কৰিছিল। কোন চৰকাৰ, কি কথা বাদ দিয়ক। গতিকে These are achievement যে ৬ ঘণ্টাত আজি মই ২০০৯-২০১০ চনৰ পেপাৰ আনি দেখুৱাই দিব পাৰো একেখনেই পেপাৰ। যিখন পেপাৰ আপুনি পঢ়িছে। ৭-৮ ঘণ্টা, ৩ দিন বিজুলি নথকাৰো ৰেকৰ্ড আছে একেলগে। আপুনি স্বীকাৰ কৰাৰ কাৰণে ভাল লাগিছে যে ১০ মিনিটত। ৩১ তাৰিখে কিনি লোৱাটো মইয়ে কৈছো there was a load shadding ঠিক আছে ৬ দিন মানিলো। ৩৬৫ দিনৰ ৬ দিন সহিষ্ণুতা আমাৰ নাই নেকি? কোনেওটো ৰাষ্টাত নামি অহা নাই। কাৰণ মানুহে জানে এইখন চৰকাৰে ভাল কাম কৰি আছে। এই কাৰণে কোনোতো ৰাষ্টাত কতো মানুহ নামি নাহে। কিয় ওলাই নাহে মানুহ। মই গুৱাহাটীৰ কথা কওঁ উত্তৰটো আহিলে। জু-নাৰেংগীত fly over খন বনাই থকাৰ কাৰণে আমি পূজাৰ আগতে উদ্বোধন কৰিব লাগে। গতিকে জু-নাৰেংগী, নবিন নগৰ এৰিয়াত we are doing a plan shutdown. যাতে ঠিকাদাৰে কামখিনি শেষ কৰিব পাৰে and public notice was published. যে এই এৰিয়াটোত shutdown মাজে মাজে হৈ থাকিব। এইটো আজিৰ নহয়, এমাহৰ আগৰ পৰাই চলি আছে। কাৰণ মহা পঞ্চমীৰ দিনা আমি জু-ৰোডৰ fly over খন উলিয়াব লাগে। So it was a plan shut down. কোনো বেলেগ কথা একো নাই। গতিকে আজি আপোনালোকে চাওক যে এই চৰকাৰখনে নিষ্ঠাৰে কাম কৰিছে। মই মানুহক কথাখিনি জনাইছো আৰু বিদ্যুৎৰ বাবদ মই দিল্লীলৈ গৈছো। কাৰণ Indemocracy is communication is important. মই কৈছো, বঢ়াব লাগিব কিন্তু কৈ মই বঢ়োৱা নাই। I went to Delhi ৩০০ মেগাৱট মই লগে লগে ফাৰাকাৰ পৰা যোগাৰ কৰিছো। অলপ পিছতে চিঠি আহি পাব। ফাৰাকাৰ পৰা মই ৫ টকাতকৈ কম দামত যোগাৰ কৰি মই হাউচত কৈছো যে load shadding নহয়। মই এনেয়ে কোৱা নাই। Backgroun টো আপোনালোকক জানিবৰ কাৰণে দিছো যে অসমত কোনো generation ৰ capacity নাই। We have exhausted everything আৰু অসমৰ generation যদি gas base generation বনাব যাও cost of power will be 9 rupees. আৰু ৯ টকা হ'লে আমি বহুত পইচা দিব লাগিব। মইয়ে দিও বা আপুনিয়ে দিয়ক। চৰকাৰে দিলে চৰকাৰে tax হে বঢ়াই ল'ব। আজি যে কৈছে চৰকাৰে দি দিয়ক। চৰকাৰে দিব কিন্তু চৰকাৰেতো কৰোবাৰ পৰা উঠাবই। নাওঁবৈচাত মাজে মাজে মেচিনত টকা উৎপাদন হয়। ইয়াতো নহয়। গতিকে ইয়াত কৰোবাৰ পৰা উঠাব লাগিব। শেষত টুথপেষ্ট, চাবোন তাতে লগাই দিব লাগিব। গতিকে এইটো কোনো সমাধান হ'ব নোৱাৰে। মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ অসমত যিটো Lower transmission category আছে যিটো

জীৱন ধাৰা বুলি কওঁ তাতে unit add হৈছে ৪ টকা ৩৫ পইচা আৰু zero to 120 unit যদি আমি চাব যাওঁ আমাৰ rate হৈছে 5.25 paise. আমি প্ৰথম এই পৰ্য্যায়ত কৰি ল'ব বিচাৰিছো আমাৰ rate টো কিয় বেছি because we generate only 4 hundred magawats at the cost of Rs.9. We are depended state on power. কিন্তু তথাপিতো আমাৰ power ৰ rate in lower domestic category আজিৰ দিনতো মহাৰাষ্ট্ৰ, ৰাজস্থান, কৰ্ণাটকৰ দৰে, বিহাৰৰ দৰে ৰাজ্যতকৈ আমাৰ power কম। অখিল গগৈ ডাঙৰীয়াই ওলোটাকৈ ক'লে যে মাত্ৰ এইকেইখন ৰাজ্যক বাদ দি সকলোতকৈ বেছি। Source is same.

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মোক কেৱল তিনি মিনিট সময় দিব লাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ আপোনাক সময় দিয়া যাব। আমাৰ lower taris category আমাতকৈ generation থকা State বিহাৰ, কৰ্ণাটক, মহাৰাষ্ট্ৰ, ৰাজস্থানতকৈ আমাৰ দাম কম। Next categoryত বিহাৰ, কৰ্ণাটক মহাৰাষ্ট্ৰ, ৰাজস্থান কেৰেলাতকৈ আমাৰ দাম কম। মধ্য প্ৰদেশতকৈ আমাৰ দাম কম আৰু পেট্ৰল ডিজেলৰ দাম সকলোতকৈ কম, বেংগলুৰুতকৈ কম। তাৰপাছত small industry power ৰ ক্ষেত্ৰত আমি অন্ধ্ৰপ্ৰদেশ, বিহাৰ, দিল্লী, হাৰিয়ানা, মধ্যপ্ৰদেশ, মেঘালয়া, মিজোৰাম, কেৰেলা, কৰ্ণাটক, নাগালেণ্ড, পদুচেৰী, উৰিষ্যা, পাঞ্জাৱ, তামিলনাডু, অন্দামান নিকোৱৰ, লাক্ষাদ্বীপ, মহাৰাষ্ট্ৰ, ৰাজস্থান, তেলেংগানা, উত্তৰপ্ৰদেশ, ত্ৰিপুৰা, উত্তৰাখণ্ড, ৱেষ্ট বেংগল, ঝাৰখণ্ডতকৈয়ো কম আৰু Large industry ৰ ক্ষেত্ৰতঝাৰখণ্ডতকৈয়ো কম। Large Industry মানে অসমৰ যিকেইটা নিজৰ ৰিফাইনেৰী তাতো আমি বিহাৰ, চট্টিগড়, দিল্লী, হাৰিয়ানা মধ্যপ্ৰদেশ, মিজোৰাম, কেৰেলা, কৰ্ণাটকা, তামিলনাডু, অন্দামান নিকোৱৰ আইলেণ্ড, লাক্ষাদ্বীপ, মহাৰাষ্ট্ৰ, ৰাজস্থান, তেলেংগানা, উত্তৰপ্ৰদেশ, ত্ৰিপুৰা, ৱেষ্ট বেংগল, ঝাৰখণ্ডতকৈয়ো কম। ইয়াৰ লগত আৰু আমি কম অৰুণোদয় বেনিফিচিয়াৰী ২৭ লাখ পৰিয়ালক আমি আঢ়ৈশ টকাকৈ পাৱাৰ কিনিবৰ কাৰণে দিওঁ। সেইটো নিদি যদি মই free কৰি দিব পাৰো ইয়াতে নিদি আঢ়ৈ শ টকাটো মই তাত দি দিও power free বুলি মই declear কৰি দিব পাৰো যে, আপোনালোককো free কৰি দিছো। কিন্তু আমি সেইটো নকৰি বেনিফিচাৰীক কৈছো যে আপুনি নিজে দিয়ক। বাৰে বাৰে smart meter ত আপোনালোকে পইচা দিয়ে। ৬২ লাখ কাষ্টমাৰ আছে। Smart meter টো মাত্ৰ ৩ লাখৰ ঘৰত আছে। Smart meter টো আমি লগোৱাৰ আৰম্ভ হে কৰিছো। বাৰে বাৰে যিটো শব্দ কৈছে যে আমি advance পইচা দিওঁ। কোনে advance পইচা দিয়ে। অসমত smart meter মাত্ৰ ৬ লাখ লগোৱা হৈছে। ২ লাখ নে আঢ়ৈ লাখ charge কৰা হৈছে বাকীখিনি আমি charge কৰা নাই আৰু smart meter লগোৱাৰ কাৰণে যোৱা ৩ বছৰত যিসকলে smart meter লগাইছে 60% household power consumtion কমি গৈছে। নামে সৈতে লিষ্ট এখন মই ৰেডি কৰি ৰাখিছো কোনোবা এদিনা মই প্ৰেছত দিম বুলি ভাবি আছো। Every year power consumption has come down. কাৰণ এতিয়া তেওঁলোকে নিজে লাইটটো বন্ধ কৰি থয়। নাপাহৰে। আগতে পাহৰি গৈছিল আৰু কতো smart meter 62 lakh planatation হোৱাই নাই। বাৰে বাৰে যিটো কৈছে আগত পইচা দিয়ে। মই সন্মানীয় বিধায়ক সকলক সুধিব খুজিছো আপোনালোকৰ সকলোৰে গাওঁৰ ঘৰত smart meter আছেনে? এইবিলাক হৈছে these are media days on publicity against this government. একো কৰিব পৰা নাই এই চৰকাৰখনক। গতিকে these are publicity. মই ষড়যন্ত্ৰ বুলি নকওঁ these are publicity. য'ত কোনো

সঁচা নাইয়ে। কাৰণ ৬২ লাখ কাষ্টমাৰ ৬ লাখৰ ঘৰত smart meter লাগিছে, আঢ়ৈ লাখৰ ঘৰত activate কৰিছে। কেইদিনমান আগতে এটা টি.ভিত ৬ গৰাকী ভদ্ৰ মহিলাৰ interview ললে। Smart meter চাব গৈছে বাইদেউ সকলৰ খং। মই লগে লগে SP ক ক'লো এই মহিলা গৰাকীৰ নাম উলিয়াওক। তেওঁলোকৰ ঘৰত APDCL ৰ মানুহ লৈ গৈ smart meter check কৰক। মোক ক'লে চাৰ, এওঁলোকৰ ঘৰততো smart meter নাই। এটা থাকে যে টি.ভিত এটা বিশেষ এটা প্ৰশ্ন সুধি এটা উত্তৰ কি দিয়ে হিচাপ নিকাচ নোহোৱা হৈ যায়। তেওঁলোকে হয়তো electricity bill ৰ কথা কৈছে। Smart meter ৰ কথা কোৱা নাই। তেওঁলোকো সঁচা। লগাই দিছে যে, মানুহৰ পৰা লৈ আহিছে এতিয়া। চৰত গৈ যদি সুধে যে, smart meter ৰ ওপৰত কওঁক। চৰততো এটাও smartmeter লগোৱা নাই। smart meter লগালে মানুহৰ কষ্ট হ'ব বুলি। ভয় খুৱাই দিছে যে আমি advance পইচা দিওঁ, আপুনি কিয় advance পইচা দিব electricity ক। সেইটো ক'ত নিয়ম আছে। আমি তো কতো advance পইচা লোৱা নাই। এজন মানুহে load কৰে mobile ত যে মই ১ শ টকা load কৰি লৈছো। যদি মই তাতকৈ কম খৰচ কৰো পাছত load নকৰো। Mobile ততো এইটো সকলোৱে কৰে। Advance পইচা নিদিয়ে। That is the amount you have procure for your benefit you can maintain the cost. যে ৩ শ টকাৰ ভিতৰতে যে মই মিলাই ৰাখিম তাতকৈ মই budget নকৰো। কোনোবাই যদি কয়, মই post paid দিম খৰচ কৰাৰ পিছত । Postpaid হ'লেই হ'ল কিন্তু এনেকুৱা কতো নিয়ম নাই যিধৰণে আপোনালোকে ইয়াত ক'বলৈ আৰম্ভ কৰিছে । Smartmeter লগাই নাই, আপোনালোকে কৈ দিলে ৬২ লাখ লাগিছে। এইটো আমি লৈছো ৪ হাজাৰ কোটি টকা RDSS ত যে আমি দুটা বছৰৰ ভিতৰত লগাম। এতিয়া যদি আপোনালোকক আমি ক'ব খুজো যে, আমি ইয়াতে বৰ্তমান, আৰু এটা কথা power হ'লে নহ'ব। Power টো গৈ পাব লাগিব। আপোনালোকে জানি ভাল পাব যে Commercial Distribution Loss যোৱা বছৰলৈকে ২২ শতাংশ আছিল আৰু আমি এতিয়া ১৬ শতাংশলৈ কম কৰিছো। যদি আমি ইমানেই ডাটা চাওঁ তেতিয়াহ'লে আপোনালোকে দেখিব যে সৰ্বভাৰতীয় ৰেংকিঙৰ আমাৰ Distribution কোম্পেনীয়ে দুইবছৰত C কেটেগ'ৰীৰ পৰা A লৈকে আহিছিল। Now we are A category company because of steady supply, beacuse of non load shedding, beacuse of good prudent pratices. Now we are categorise as a A category distribution company along with six other states. All Congress rules states are below us except one or two states. কেৰল গুজৰাট আৰু তামিলনাডু A প্লাচ কেটেগ'ৰীত আছে আৰু আমি A কেটেগ'ৰীত আছো। আপুনি গোটেইখিনি চেক কৰি ল'ব আৰু I will be liable to privilege যদি মই এটা অসত্য কথা কৈছো। You put a Privilege Motion against me and I will request Hon'ble Speaker to admit the Privilege Motion against me. মোৰ গোটেই ষ্টেটমেণ্টৰ এটা কপি লৈ ল'ব, মই যদি এটাও মিছা কথা কৈছো File a Privilege Motion against me, nobody from my party will oppose the Privilege Motion. মই প্ৰিভিলেজ কমিটীৰ সন্মুখত থিয় হ'ম। ইমানখিনিলৈ মই কৈছো। মাত্ৰ চাৰি দিনৰ বিদুৎ যোগান নোহোৱা হোৱাৰ বাবে গোটেই অসম এনেদৰে বজালে যে As if we are fail. এনেকুৱা কৰিব নপায়। APDCL ৰ কৰ্মচাৰীসকলৰ ক্ষেত্ৰত সংবাদ মাধ্যমে

অন্যায় কৰিছে। এইবোৰ কৰিলে কৰ্মচাৰীসকল Vulnerable হৈ পৰে। গৰম দিনত মানুহৰ খং উঠি থাকে। কোনো কাক পিটি দিয়ে ঠিক নাই। সেয়েহে আমি এনেকুৱা কৰিব নাপায়। আমি নিজৰ চৰকাৰক বিশ্বাস কৰিব লাগে। চাৰিদিন এনেকুৱা হৈছে। মই গুৱাহাটীত নাছিলো, তিনিদিন পিছত মই গুৱাহাটীত আহি পাই সমস্যাটো বুজিলো। মই ফোন কৰিলো আৰু গম পালো যে তিনি শ মেগাৱাট আমি deficit ত চলি আছো। বি জে পি চৰকাৰ আছে আৰু মোৰ এইখিনি বাৰ্গেনিং পাৱাৰ আছে যে মই এইখিনি লৈ ল'ম। এইটো তিনি-চাৰি দিনৰ বাবে হৈছে। মাননীয় অধ্যক্ষ মহোদয় মই বিনম্ৰতাৰে সদনক জনাব বিচাৰিছো যে আমি ৰাইজৰ দুঃখ-দুৰ্দশাৰ প্ৰতি সংবেদনশীল। আমি যি ধৰণে কাম কৰিছো, অসমত load shedding ভাগৰানে কৰিলে কোনোবা বিশেষ ঠাইত ট্ৰান্সফ'ৰ্মাৰৰ বিজুতি ঘটিলে বেলেগ কথা, That phase we have overcome. Our track record of last two years is second to none. আমাৰ Power tariff ক লৈ মই সন্তুষ্ট নহয় আৰু Power tariff কমিব লাগে। দুৰ্ভাগ্য বশতঃ আমাৰ নিজৰ শক্তি উৎপাদন নাই আৰু অন্যৰ ওপৰত নিৰ্ভৰশীল ৰাজ্য। আমি যি সমূহ পাঁচ টকাৰ এগ্ৰিমেণ্ট কৰিছো আৰু অহা বছৰৰ ভিতৰত যদি সকলো শক্তি আহি যায় তেতিয়া আজি আমি যি সাত টকাৰ বিল দি আছো সেইটো পাঁচ টকা হৈ যাব। আমি তেতিয়া মানুহক অলপ সকাহো দিব পাৰিম, যদিহে অন্য কোনো ঘটনা নঘটে। আপোনালোকে যিখিনি কথা ক'লে যে দৰকাৰ হ'লে ৰাস্তা-ঘাট, ফ্লাইঅভাৰত লাইট কমাই দিয়ক, সেই পৰামৰ্শটো মই লৈ লৈছো। গোটেই কথাখিনিৰে মই এইটোৱেই ক'ব বিচাৰিছো যে আমি যি ধৰণে কথাখিনি কওঁ সেই ধৰণে নহয়। আমি অসহিষ্ণু হ'লে কৰ্মচাৰী সকল Vulnerable হৈ পৰে। সেইদিনাখন কোনোবাই মঙ্গলদৈৰ কৰ্মচাৰী এজনক গামোচা এখন পিন্ধাই দিছে। তেওঁনো কি কৰিব ? তেওঁৰো মাক-দেউতাক আছে, পৰিয়াল আছে। গামোচা পিন্ধালে মোক পিন্ধাব। মই যদি বেয়া কাম কৰিছো মই ইয়াৰ বাবে দায়ী। গতিকে APDCL ৰ কৰ্মচাৰীসকলক অপদস্থ কৰি লাভ নাই। কিবা কৰিবলগা আছে, মোক কৰক। আন্দোলন নকৰিব আৰু পোনপটীয়াকৈ মোৰ ঘৰলৈ আহি গোৱৰ মাৰি দিব। এইটোৱেই সকলোতকৈ উত্তম উপায়। কৰ্মচাৰী এজনক গামোচা পিন্ধাই লাভ নাই। তেওঁ ইউনিট বা মেগাৱট বুজিয়েই নাপায়, ঘাটামপুৰ, কপিলী, কাৰ্বি লাংপি ক'ত তেওঁ বুজিয়েই নাপায়। এইবোৰ কৰিবলৈ গ'লে তেওঁলোক Vulnerable হৈ পৰে। সেয়েহে এইবোৰ কৰিব নালাগে। This House is for debate. মাননীয় ৰকিবুল মহোদয়ে যিটো কথা কৈছিল, This is budget এতিয়া মই বনাই অনা নাই। Para no.-90. This year as a special relief all the arrear of electricity dues of tea-garden worker familes living in the lines will be wave of as a one time measure by Government and we will year mark 150 crores.. এতিয়া গোটেই মানুহখিনি যাৰ যাৰ এৰিয়াৰ বিল আছে তেওঁলোকৰ নাম আহি গ'ল আৰু মই ভাৱো আমি অহা এমাহৰ ভিতৰত এই প্ৰতিশ্ৰুতিটো পূৰণ কৰিব পাৰিম। সেই তিনি গৰাকী মহিলাৰ নাম তিনিটা ৰকিবুল হুছেইন ডাঙৰীয়াই পৰা পিযুষ হাজৰিকাক ল'বৰ বাবে অনুৰোধ কৰিম। যাতে তেওঁলোকৰ ঘৰত আমি লগে লগে ইনষ্টল কৰি দিব পাৰিম। তেখেতে আমাক যিটো কথা কৈছে সেইটো শুনাটো আমাৰ দায়িত্ব। আমি এইটো অতি সোনকালে কৰিম। কিন্তু কেৱল তিনি গৰাকীৰ বাবেই নহয়, অসমৰ যিমান চাহ বাগিচা আছে সেই সকলোৰে বকেয়া ধন আমি অহা মাহৰ ভিতৰত মাফ কৰি দিম।

**শ্ৰী অখিল গগৈ, বিধায়ক, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গাওঁৰ নকৰে নেকি ?

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** এতিয়া আপুনিয়েই গাওঁ আৰু বাগিচা লৈ আহিল। অলপ আগতে কংগ্ৰেছে কিয় গাঁৱে গাঁৱে নগ'ল বাগিচাই বাগিচাই গ'ল।

**শ্ৰী অখিল গগৈ, বিধায়ক, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই গাওঁৰ কৰিব নে নকৰে সেইটো সুধিছো। আপোনাক এইটোক লৈ ৰাজনীতিকৰণ কৰিবলৈ কোৱা নাই। মই কৈছো যে বাগানৰ যিহেতু কৰিম বুলি কৈছে, গাওঁৰো কৰক।

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** গাওঁত যেতিয়া কৰিব লাগে আমি এখন বাজেট কৰিম। কিন্তু আপুনি বাগানৰ মানুহক কিয় ইমান বেয়া পায়। বাগান বুলি কওঁতেই বাগানক প্ৰতিযোগিতাত লৈ আহিল।

**শ্ৰী অখিল গগৈ, বিধায়ক, (শিৱসাগৰ) ঃ** মই প্ৰতিযোগিতাত অনা নাই। আপোনালোকে বাগানক দিলে আৰু মই লগতে গাওঁকো দিয়ক, সেইটো আপুনিহে ৰাজনীতিকৰণ কৰিছে।

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** বাগানৰ মানুহে ভাৱিব যে আপুনি আমাকতো বেয়াই পায়। কেৱল এটা বিশেষ কমিউনিটিৰ কথাহে কৈ থাকে। সদায় আপুনি এটা কমিউনিটিৰ কথাই কৈ থাকে। মই জানো যে শিৱসাগৰত আপোনাক ভোট সকলোৱেই দিছে। দুঃখ কাতি কৰি চকুপানী পেলাই আপোনাক ভোট দিছে।

**শ্ৰী অখিল গগৈ, বিধায়ক, (শিৱসাগৰ) ঃ** গাওঁৰ মানুহক দিব নে নাই সেইটোহে ক'ব লাগে। আপুনি Petty Politics বোৰ বাদ দিয়ক। তৰল পলিটিকচবোৰ বেয়া। আমি ক'বলৈ সময় নাপাওঁ। কেৱল তিনিমিনিট সময়হে দিয়ে, উত্তৰো দিব নোৱাৰো। তাৰ পিছত বাহিৰত ক'লে কয় যে আমি চুঙা কেইটাৰ আগত কথা কওঁ। এইটো কি কথা? আপুনি আটাইতকৈ সংবাদ মাধ্যম ৰ আগত কথা কয় আৰু আমি ক'লে আমাক চুঙাৰ আগত কথা কোৱা বুলি কয়।

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মইতো কোনো সংবাদ মাধ্যমৰ নামেই কোৱা নাই। আপুনিহে সংবাদ মাধ্যমৰ কথা কৈছে। মই তো চুঙাৰ কথাহে কৈছো। চুঙা মানে সংবাদ মাধ্যম নেকি? মই সংবাদ মাধ্যম বুলি কৈছো তেতিয়া সংবাদ মাধ্যম ৰেফাৰো কৰিছো। এই মাত্ৰ বিৰোধী দলৰ উপ-দলপতি ৰকিবুল হুছেইন ডাঙৰীয়াই যেতিয়া বাগানৰ কথাটো ক'লে তেতিয়াতো আপুনি থিয় হৈ কোৱা নাছিল যে গাওঁৰ কথাওঁ কওঁক। এতিয়া মই কওঁতেই কিয় সেই শব্দটো ক'লে?

**শ্ৰী অখিল গগৈ, বিধায়ক, (শিৱসাগৰ) ঃ** মই কেৱল গওঁকো লাগে বুলিহে কৈছো।

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মই কৈছো যে প্ৰশ্নটোৰ শিতান আছে, তাত আপুনি প্ৰশ্ন আনিব যে অসম চৰকাৰে চাহ বাগিচা দিম বুলি কৈছে, গাওঁৰ ৰাইজকো দিয়াৰ পৰিকল্পনা আছে নেকি? তেতিয়া আমি তৎক্ষণাতে উত্তৰ দিম। মই যেতিয়া বাগিচাৰ কথা কওঁ তেতিয়া আপুনি এক মিনিটতে পিংপঙৰ নিচিনাকৈ গাওঁৰ কথা ক'ব, তেতিয়া আপোনাৰ মনত যে বাগিচাৰ প্ৰতি বিদ্বেষ আছে, সেই কথাটো প্ৰকাশ হৈ যায়।

**শ্ৰী অখিল গগৈ, বিধায়ক, (শিৱসাগৰ) ঃ** এনেকুৱা ধৰণৰ তৰল ৰাজনীতিবোৰ বৰ বেয়া। মুখ্যমন্ত্ৰীৰ আসনত থকা ব্যক্তি এজনে এনেকুৱা তৰল ৰাজনীতি কৰাটো ভুল। আমি যেতিয়া গুৰুত্বপূৰ্ণ কথা এটা কওঁ যে গাওঁৰ দুখীয়া মানুহৰ ক্ষেত্ৰতো এইটো কৰিব লাগে আপুনি প্ৰত্যেকটো কথাতে তুলনাটো কিয় কৰে? বেলেগ ৰাজ্যত যেতিয়া উৎপাদনত কম বুলি ক'লো তেতিয়া আপুনি তুলনা নকৰে।

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** সদনৰ মোক ধৰি এশ পঁচিশজন মানুহৰ ভিতৰত কেৱল এজনৰ গাতে খজুৱতি লাগি থাকে। কিবা পানীৰ অসুবিধা আছে নেকি? পৌৰনিগমৰ মন্ত্ৰী অশোক সিংহল ডাঙৰীয়াই এটা ঘৰৰ পানী টেপৰ পৰীক্ষা কৰিব। তাত নিশ্চয় কিবা অসুবিধা আছে।

নহ'লে একেখিনি কথা ছয় মিনিটৰ ভাষণত ক'ব পাৰিলেহেঁতেন। অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে বাগিচাৰ কাৰণে ৰেহাই দিয়াৰ কথা কৈছে। মই সদনত অনুৰোধ কৰিছো যে গাওঁৰ কাৰণেও ৰেহাই দিয়ক। বাজেট বক্তৃতাত অখিল গগৈ ডাঙৰীয়াই এবাৰো কোৱা নাই যে বাগিচাৰ দৰে গাওঁৰ মানুহৰো ৰেহাই দিয়ক। মই আপোনাৰ ভাষণ কালিয়েই প্ৰডিউচ কৰি দিম। মই তৰল কথা নকওঁ। তিনি মিনিটত আপুনি গাওঁৰ মানুহৰ কথা নক'ব। চাৰি মিনিটত কংগ্ৰেছ আৰু বি জে পিক গালি পৰা বাদ দি গাওঁৰ মানুহৰ কথা কিয় নকয়? মোৰ পৰা ট্ৰেইনিং ল'ব, মই শিকাই দিম কেনেকৈ তিনি মিনিটত পটক পটক ক'ব লাগে যে বুলেট পইণ্ট-১. গাওঁৰ মানুহৰ বিজুলী মাফ দিয়ক। ২-জলসিঞ্চনৰ বিজুলী মাফ দিয়ক। ৩-শিৱসাগৰ জিলাক অমুকটো কৰক। আপুনি গোটেই পৃথিৱীখন নিয়ন্ত্ৰণ কৰিবলৈ আৰম্ভ কৰে। সেয়েহে ভাষণ নহয়গৈ। তিনি মিনিটত সংসদত কিমান ডাঙৰ ডাঙৰ বক্তাই ভাষণ দিয়ে। আপুনি সমসদৰ ভাষণ চাব। এইছ ডি দেৱ গৌৰা দেৱে তিনি মিনিট কয়, চন্দ্ৰ শেখৰ দেৱে তিনি মিনিট কৈছিল আৰু সেইখিনি সময়তে গোটেই সংসদ কপি গৈছে। অসমৰ হেম বৰুৱাই কিমান মিনিট সময় পাইছিল? তেখেতে দুই মিনিট সময় পাইছিল আৰু সমসদ কপাই দিছিল। বিশ্বজিৎ দৈমাৰী দেৱে বড়ো আন্দোলনৰ পিছত যি তিনি মিনিট সময় পাইছিল তেওঁ পৃথিৱী কপাই দিছিল। চামচুলা খংগুৱা বসুমতাৰীয়ে তিনিমিনিটত সংসদ কঁপাই দিছিল। দুই মিনিটত ভাষণ কেনেকৈ দিব লাগে আপুনি শিকক। বাস্তৱত আপুনি তিনিমিনিট পাব আৰু অহা পঁঞ্চাশ বছৰলৈ যে আপুনি দহ মিনিট পাব মোৰ সন্দেহ আছে। এইটো বাস্তৱ। গতিকে তিনি মিনিটত ৰাইজৰ কথা কেনেকৈ ক'ব লাগে সেই বিষয়টো শিকক। মই যদি কোনোবা ঠাইত মৰাণৰ কথা কওঁ, তেতিয়া চুতীয়াৰটো কেতিয়া দিব আৰু মই যদি উজনি অসমৰ কথা কওঁ তেন্তে নামনি অসমত কেতিয়া দিব বুলি প্ৰশ্ন কৰে। এইবিলাকে মানুহৰ মনত এটা feelings সৃষ্টি কৰে। গতিকে, ভাষণটো শেষ হৈ যোৱাৰ পিছত আমি এনেদৰে ক'ব লাগে যে বিত্ত মন্ত্ৰীক আমি ধন্যবাদ দিছো। চাহ-বাগিচাত আপুনি দিব বিচাৰিছে অত্যন্ত ভাল কথা, মোৰ সমষ্টিত বহুত বাগিচা আছে, তেওঁলোক দুৰ্দশাত থাকে, গতিকে পাৰিলে আমাৰ গাঁৱৰ BPL খিনিৰ কথাও চিন্তা কৰিবচোন। মই শিকাই দিছো, বেয়া নাপাব, কটনত মোৰ জুনিয়ৰ আছিল। This is the way you put the word. আমি গাঁৱত অৰুণোদয় দি আছো, গাঁৱৰ মাতৃসকল আমাৰ মাতৃ। গাঁৱত অৰুণোদয়, ৰেচন কাৰ্ড সকলো দিছো। গাঁৱত আৰু কি কি নিদিম, নদন-বদন কৰি দিম। আপুনি একেবাৰে চিন্তা নকৰিব। গতিকে, অধ্যক্ষ মহোদয় অসমত আৰু লোড শ্বেডিং আদিৰ প্ৰয়োজনীয়তা নহ'ব বুলি মই পবিত্ৰ সদনত প্ৰতিশ্ৰুতি আগবঢ়ালো। হঠাৎ কিবা development হ'লে মই সদনত জনাম। Normally we have crossed that phase. যদি গোটেই ভাৰতৰ factory বোৰ বন্ধ হৈ যায়, তেতিয়া মোৰ উপায় নাই। Otherwise we come back to normal situation. এইখিনি কৈ মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা)ঃ** মাননীয় মুখ্যমন্ত্ৰীয়ে গোটেইখিনি ব্যাখ্যা কৰিছে, কিন্তু APDCL ৰ কাৰণে অসম চৰকাৰে এটা emergency reserve fund ৰাখিব নোৱাৰে নেকি?

**ডঃ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, টকাৰ প্ৰয়োজনৰ অভাৱ নহয় কিন্তু কথাটো হ'ল ১০ টকাত যদি মই বিদ্যুৎ ক্ৰয় কৰো তেন্তে সদায় মোক ৬ কোটি টকা লাগে, মাহত ১৮০ কোটি টকা। ১৮০ কোটি টকাৰ লগত যদি ৪ মাহো ধৰো, তেন্তে ৬০০-৭০০ কোটি টকা। এইটো কৰিলে মোৰ বছৰটোৰ যি planning, সেইটো ক'ৰবাত নহয় ক'ৰবাত compromise হয়।

মই বিত্ত মন্ত্ৰী বা মুখ্যমন্ত্ৰী হিচাপে সদায় চেষ্টা কৰিম যাতে মোৰ planning টো বাচি থাকে। কিন্তু, ভৰত নৰহ ডাঙৰীয়াৰ এইটো পৰামৰ্শ বিবেচনা কৰিম যে ক'ৰবাত ৩০০ কোটি টকা APDCL ক emergency fund হিচাপে দি থব পাৰো নেকি, যাতে এনেকুৱা ঘটনা হ'লে জোৰা-টাপলি মাৰিব পাৰি। I take this suggestion with lot of positivities and we will consider that also.

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বাগানৰ সম্পৰ্কত মই কোৱা কথাখিনিৰ ওপৰত যিখিনি কৈছে তাৰ বাবে মই ধন্যবাদ জনাইছো। মই বুজাব পৰা নাই তিনিগৰাকীয়ে আহি গোটেই মানুহখিনিৰ কথা কৈছে। গতিকে, গোটেই মানুহখিনিকে যাতে দিয়ে আৰু যেতিয়ালৈকে পইচাটো নাপায়, immediately connection বোৰ কৰি দিব নেকি যিহেতু ৰেহাই পাব। গোটেইখিনি মানুহে যদি পাই যায়, গৰমৰ দিনত বাকীখিনিৰ সুবিধা হ'ব। এতিয়া কিন্তু কাৰেণ্টটো কাটি থোৱা হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, specifically যদি ৩ গৰাকী মানুহৰ কথা কৈছে তেন্তে আজি গধূলিয়েই মই restore কৰি দিম। যদি দুখন বাগিচাৰ কথা কৈছে তেন্তে অহাকালি কৰি দিম। কিন্তু যদি সমগ্ৰ বাগিচাৰ কথা কৈছে তেন্তে মোক ১৫ দিন সময় দিয়ক। কাৰণ বাজেট sanctionৰ প্ৰক্ৰিয়াটো চলি আছে আৰু দুই-এখন কেবিনেট হোৱাৰ পিছত অহা মাহৰ ভিতৰত আমি সকলো বাগিচাৰ শ্ৰমিককেই কৰিব পাৰিম। ৰকিবুল হুছেইন ডাঙৰীয়াই অকল এখন বাগান বা বিশেষ কোনো ব্যক্তিৰ কথা কৈছে তেন্তে পীযুষ হাজৰিকা ডাঙৰীয়াই আপোনাক ফোন কৰিব, আপুনি নাম দিলে মই অহাকালিয়েই কৰি দিম।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, এইটো ভাল আলোচনা হৈছে। ১৫ মিনিট আগত সমগ্ৰ বাগিচাতে তেনেকুৱা হৈছে। ১৫ দিনেই লাগক, ১৫ দিনৰ ভিতৰত যাতে গোটেই মানুহখিনিয়ে পায় তাৰ বাবে অনুৰোধ জনাইছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** বাজেটৰ পৃষ্ঠা নং ৯০ ত আমি কৈয়ে থৈছো, পঢ়ি ল'ব।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)ঃ** Implement হোৱা নাই। হৈ গ'লে ভাল হয়। সময় লাগে মই বুজি পাইছো, কিন্তু যেতিয়ালৈকে দিয়া নাই, তেতিয়ালৈকে সংযোগখিনি যদি কৰি দিব পাৰে নেকি বুলি অনুৰোধ কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰকিবুল হুছেইন ডাঙৰীয়া মন্ত্ৰী আছিল। তেওঁৰ লগত মই বিতৰ্কত সোমাব ভাল নালাগে কাৰণ তেওঁ ১৫-২০ বছৰ মন্ত্ৰী আছিল। এখন বাজেট ১ এপ্ৰিলত পাচ হয় আৰু ৩১ মাৰ্চত শেষ হয়। গতিকে, mid term কেনেকৈ এটা process ত চলি থাকে, আমি সকলোৰে চৰকাৰী বিভাগ চলাই আহিছো, কোনোবা বিভাগ আগত যায় কোনোবা বিভাগ পিছত যায়, resource position ৰ কথা আছে। এই বছৰৰ আমাৰ commitment and we will fulfill. কিন্তু, এতিয়া মই জানো যে file টো মোৰ টেবুলত আহি পাইছে, so it will take maximum 15 days।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** মুখ্যমন্ত্ৰী মহোদয়ে positive কথাই কৈছে। তেওঁ ২৫০ টকা নিদি বিনামূলীয়া বিদ্যুৎ দিয়াৰ ব্যৱস্থা কৰিব পাৰি নেকি সেই বিষয়ে কৈছে। গতিকে, এই ব্যৱস্থাটো কৰাৰ বাবে মই অনুৰোধ জনাইছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুটা কথা আছে যে আপুনি কোনখন হাতেৰে খাব আৰু কেনেকৈ খাব। এটা হৈছে মানুহক empower কৰা। কেজৰিৱাল ডাঙৰীয়াই

কয় মই বিদ্যুৎ বিনামূলীয়াকৈ দিছো। তেওঁ ৭০০ টকা প্ৰত্যেক পৰিয়ালক দিয়ে। কিন্তু, আমি সেই মানুহখিনিক empower কৰিব বিচাৰিছো, financial inclusion কৰিব বিচাৰিছো, আমি দিয়াৰ সলনি তেওঁলোকে দিব। আমি তেওঁলোকৰ একাউণ্টত ১২৫০ টকা দি আছো আৰু মই চিঠি লিখি দিছো যে ২৫০ টকা বিদ্যুতৰ কাৰণে। খুব সোনকালে এইটো ১৪০০ টকা হ'ব। তেতিয়াও মই লিখি দিম যে অতিৰিক্ত ১০০ টকা বিদ্যুৎ মাচুলৰ বাবে দিব। তাৰ মানে অসমে বিনামূলীয়া বিদ্যুৎ দিব বুলি claim কৰা নাই। কিন্তু, সেইটোকে যদি মই জনসাধাৰণক নিদি APDCL ক দি দিওঁ তেন্তে মইও বিনামূলীয়া বিদ্যুৎ দিয়া বুলি ক'ব পাৰো। আপোনালোকে এটা কথা জানিব যে অসমত ৬২ লাখ গ্ৰাহকৰ ভিতৰত ২৭ লাখ গ্ৰাহকে Govt. subsidy পাই আছে। ১২৫০ টকাকৈ 50% customer has already been subsidized. এইটো বহুত বেছি। We spend 400 crores annually. কংগ্ৰেছৰ সময়ত গেছৰ চিলিণ্ডাৰৰ কাৰণে কোম্পানীক subsidy দিছিল। কিন্তু, মোডী চৰকাৰৰ দিনত মোডী ডাঙৰীয়াই ক'লে যে ২০০ টকা subsidy গ্ৰাহকৰ বেংক একাউণ্টত পঠাই দিব। It is a way of doing things. ২ অক্টোৱৰৰ পৰা আমি আৰু ৬ লাখ লোকক অৰুণোদয় দিম। আমি ২৭ লাখ পাম। সকলো বিধায়কক মিটিঙলৈ অহাৰ বাবে অনুৰোধ কৰিছো। এই বছৰতেই আমি ৩৫ লাখলৈ যাম। এই গোটেই ৩৫ লাখেই বিদ্যুতৰ গ্ৰাহক। তাৰ মানে ৬২ লাখ গ্ৰাহকৰ ৩৫ লাখ গ্ৰাহকেই subsidy পাব। 27 lakh customers are already under the net. গতিকে, অসমেও একেবাৰে কম কৰি থকা নাই। দুখীয়া মানুহৰ বাবে আমি বহুত কৰি আছো।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে load shedding ৰ কথা কৈছে। শুনি ভাল লাগিল। কিন্তু, মোৰ সমষ্টিৰ ফকিৰগঞ্জ এলেকাত ২৪ ঘণ্টাৰ মাত্ৰ এক ঘণ্টা বিদ্যুৎ থাকে। যোৱাকালিলৈকে একেই অৱস্থা। গতিকে, সেই অঞ্চলটোৰে ২৪ ঘণ্টা বিদ্যুৎ পাব নে মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন-উত্তৰ নকৰো, কিন্তু ওয়াজেদ আলী চৌধুৰী ডাঙৰীয়া আমাৰ সদনৰ জ্যেষ্ঠ সদস্য, গতিকে, তেওঁৰ উত্তৰটো দি লৈছো। মানকাচাৰত গ্ৰীড নাছিল। আমিনুল ইছলাম ডাঙৰীয়াই জানে। মেঘালয়ৰ টুৰাৰ পৰা আমি গ্ৰীড বহাইছো। এতিয়া গ্ৰীডটো charge হৈছে। গতিকে, মই ভাৰো এতিয়া 33 KV line ৰ পৰা ওলোৱা আৰম্ভ কৰিব। ইমান দিনে আপুনিও বিধায়ক হৈ আছে, আপুনিও মন্ত্ৰী আছিল, মই আপোনাকো blame নকৰো। কংগ্ৰেছে ৬০ বছৰ শাসন কৰিছিল, মই কংগ্ৰেছকো blame নকৰো। ধেমাজিত গ্ৰীড নাছিল, কংগ্ৰেছৰ দিনত ধেমাজিত গ্ৰীড কৰা হৈছে। মই ভালটোও ক'ম। ধেমাজিত আগতে লখিমপুৰৰ পৰা power নগৈছিল। সৰু সৰু এডাল লাইনেৰে গৈছিল। কংগ্ৰেছৰ দিনতে প্ৰথম গ্ৰীড বহালে। আমাৰ দিনত আমি শদিয়ালৈকে লৈ গ'লো। এইবাৰ আমি মানকাছাৰত যোগ কৰি দিলো। গতিকে, মই ভাৰো দক্ষিণ শালমাৰা জিলাৰ বিদ্যুতৰ সমস্যাটো not about the quantity, it is about the distribution. সেইয়া মই আজি আলোচনা কৰা নাই। হাফলং, বৈঠালাংচুৰো বহু ঠাইত বিদ্যুৎ নাপায়, চৰত নাপায়, মই নিজেই স্বীকাৰ কৰিছো that is not about electricity's availability, সেইটো হ'ল লাইনডালৰ সমস্যা। তাৰ কাৰণে আমি এতিয়া ADB ৰ পৰা লোন লৈছো। আমি কাম কৰি আছো আৰু মই নিজেও খুৱ সন্তুষ্ট। আমি মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ লগত কথা পাতি যেনেতেনে তুৰাৰ পৰা মানকাচাৰলৈ লাইনটো আনিব পাৰিলো। এতিয়া মুখ্য লাইন যিহেতু আহি গ'ল গতিকে আটাইবিলাক এতিয়া বহাব লাগিব। আমি

বিধায়ক সকলৰ লগত কাম কৰিম আৰু মই ভাৱো যে within one year South Salmara District ত কাৰেণ্টৰ প্ৰভিজনটো আগতকৈ ভাল হ'ব।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে transmiter ৰ problem লগতে transformer ৰো problem. এটা যদি ১০০ কেজি transformer আছে, ২০০-৩০০ মানুহ তাতে connect হৈ আছে। গতিকে এই বিষয়টো গুৰুত্ব সহকাৰে ল'ব লাগে আৰু ২৫ টো উঠাই দিব লাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মই বহুত ক'ব নোৱাৰো। আপোনালোকৰ যিকেইটা সংখ্যালঘু আৰু পাহাৰীয়া সমষ্টি আছে, সেইকেইটাত প্ৰতিটোতে ১০ টাকৈ 63 KB transformer আজিয়ে মই announce কৰি দিছো। ---হুলস্থুল------

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়টো ইতিমধ্যে আলোচনা কৰা হ'ল আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই তাৰ উত্তৰো দিলে। মাননীয় দেৱব্ৰত শইকীয়া ডাঙৰীয়া, অখিল গগৈ ডাঙৰীয়া আৰু মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই বিদ্যুৎ নাটনি আৰু বিদ্যুৎ মাচুল বৃদ্ধিৰ ওপৰত যি সভা স্থগিত প্ৰস্তাৱ আলোচনালৈ আনিছিলে, এই প্ৰস্তাৱটো এতিয়া আপোনালোকে উঠাই ল'বনে?

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গোটেই কথাখিনি বিস্তৃতভাৱে বৰ্ণনা কৰিছে। আমি তাৰবাবে তেখেতক ধন্যবাদ জনাইছো। মাত্ৰ demand and supply Central Electricity Authority ৰ মতে ২,৬১৭। কিন্তু আমি availability পাইছিলো ১৭৫৯। এইটো হয়তো আমাৰ তথ্য বিভ্ৰান্তি হৈছে। সেইখিনি মিলাই ল'বলৈ অনুৰোধ কৰিলো। লগতে জনাওঁ যে এইক্ষেত্ৰত আমাৰ কোনো আপত্তি নাই।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমি যি প্ৰস্তাৱ অনিছিলো সেই প্ৰস্তাৱ আলোচনা হোৱাৰ কাৰণে অধ্যক্ষ ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই অতি চতুৰতাৰে প্ৰশ্নবিলাকৰ উত্তৰ দিলে। কিন্তু ব্যক্তিগতভাৱে মই ক'ব খুজিছো যে তেখেতৰ উত্তৰত মই সন্তুষ্ট নহয়। -----হুলস্থুল------মূলতঃ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'লে যে অসমত বিদ্যুৎ উৎপাদন কৰা নহয়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া এইবিলাক কথা কোৱাৰ প্ৰয়োজন নাই। প্ৰস্তাৱটো আপুনি উঠাই ল'বনে?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰস্তাৱটো উঠাই ল'ব নালাগে। প্ৰস্তাৱটো আলোচনা হলেই। আমি বিদ্যুৎ সংকট জোৰা মাৰিবৰ কাৰণে চৰকাৰৰ ফালৰ পৰা যিধৰণৰ response আৰু যিধৰণৰ কাৰ্য্যপ্ৰণালী বিচাৰিছিলো, সেই সম্পৰ্কে নকৈ অকল বিদ্যুৎ management ৰ কথা ক'লে।

**মাননীয় অধ্যক্ষ ঃ** বিষয়টো যিহেতু আলোচনা হৈ গ'ল এতিয়া আপুনি মাত্ৰ ক'ব পাৰে যে প্ৰস্তাৱটো আপুনি withdraw কৰিব নে নকৰে?

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই withdraw নকৰো।

**মাননীয় অধ্যক্ষ ঃ** যিসকল সদস্য-সদস্যাই অখিল গগৈ ডাঙৰীয়া আৰু মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াৰ প্ৰস্তাৱৰ সপক্ষে আছে তেখেতসকলে কওঁক হয়, যিসকলে বিপক্ষে আছে কওঁক তেখেতসকলে নহয়। ----intrruption----

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়ে কোনো ধৰণৰ

মন্তব্য দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। তেতিয়াহ'লে যিসকল সদস্য-সদস্যাই অখিল গগৈ ডাঙৰীয়াৰ প্রস্তাৱৰ সপক্ষে আছে তেখেতসকলে কওক হয়, যিসকলে বিপক্ষে আছে তেখেতসকলে কওক নহয়। মই ভাৱো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে তেখেতৰ স ভা স্থগিত প্রস্তাৱ নাকচ হ'ল।

এতিয়া আমাৰ আৰু দুটা বিষয়ৰ ওপৰত কৈছিলে, এই দুটা বিষয়ত আমাৰ চৰকাৰৰ তৰফৰ পৰা এটা clarification দিব। আমাৰ প্রথমতে অছে মাননীয় বিধায়ক হাফিচ বছিৰ আহমেদ আৰু তেখেতৰ সতীৰ্থ। আপোনালোকৰ মাজৰ কোনোবা এজনক ইয়াৰ ওপৰত ক'বলৈ অনুৰোধ জনালো।

**শ্রী আমিনুল ই ছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এই বিষয়টো এই কাৰণেই উত্থাপন কৰিছো যে এতিয়াই যদি এই বিষয়টোৰ ওপৰত চৰকাৰে এটা কঠোৰ পদক্ষেপ লৈ লয় তেনেহ'লে অনাগত দিনত আমি আশংকা কৰিছো যাতে সেই পৰিস্থিতিৰ পৰা অসমখন ৰক্ষা পৰে। যোৱা বছৰ ধুবুৰী জিলাৰ গোলোকগঞ্জৰ কোনোবা এটা চৰ এলেকাত বজৰং দলে এনেদৰে এটা প্রশিক্ষণ কৰি গৈছিল কিন্তু চৰকাৰে সেইটো আওকান কৰিছিল। সেই বিষয়টো শাম কটাৰ এবছৰৰ পাছত আকৌ মঙ্গলদৈ চহৰত বজৰং দলৰ প্রশিক্ষণ হৈ গ'ল। ৰাষ্ট্রীয় বজৰং দল নামৰ যিটো সংগঠনে এই প্রশিক্ষণটো দিছে তাৰ গোটেই ভিডিঅ' সমূহো আমি বাতৰিত দেখিছো। তাত আমি দুটা অতি আপত্তিজনক বস্তু দেখিলো। প্রথমটো হ'ল তাত বিষাক্ত ভাষণ দিয়া হৈছে, কোনো জনগোষ্ঠীৰ বিৰুদ্ধে তেওঁলোকক প্রৰোচিত কৰা হৈছে, তেওঁলোকৰ মনত ঘৃণা আৰু হিংসাৰ বিহ সোমোৱাই দিয়াৰ চেষ্টা কৰা হৈছে। ইয়াৰ লগতে তেওঁলোকক সমান্তৰালকৈ আন training দিয়া হ'ল। তাৰমানে তেওঁলোকক কোনো জনগোষ্ঠীৰ বিৰুদ্ধে প্রৰোচিত কৰি অস্ত্রৰ প্রশিক্ষণ দিয়া হ'ল। ইয়াৰ দুদিনমানৰ পাছতে নেলী আহঁতগুৰিৰ ওচৰত ৰাতি কাবাডী খেলৰ পৰা ঘূৰি আহোঁতে বৰযুণৰ বাবে লৰা কেইজনে যেতিয়া চালিৰ তলত আশ্রয় লৈ আছিল তেওঁলোকক দলবদ্ধভাৱে আক্রমণ কৰিলে। সেই আক্রমণত দুজন খুৱ গুৰুতৰভাৱে আহত হ'ল আৰু বাকী তিনিজনে আহত হৈছিল যদিও কোনোমতে পলাই প্রাণ ৰক্ষা কৰে। যেতিয়া তেওঁলোকৰ দুজন মৃতুমুখত পৰে তেতিয়া গৰুচোৰৰ সন্দেহত তেওঁলোকক মাৰপিট কৰা বুলি কয়। সেই একেটা ৰাতিতে গোৱালপাৰা জিলাতো তেনেধৰণৰ ঘটনা সংঘটিত হ'ল। এই বিষয়টোক লৈ আমি কোনো ৰাজনীতি কৰিব বিচৰা নাই বা চৰকাৰী পক্ষও ইয়াত কোনো ৰাজনৈতিক লাভালাভৰ অংক কৰিব নালাগে। আমি এই বিষয়টো সদনত এই কাৰণেই আনিছো যাতে অনাগত দিনত অসমত লাহে লাহে এটা বিষাক্ত বা ৰক্তাক্ত পৰিৱেশ সৃষ্টি কৰাৰ বাবে যিটো সংগঠনে চেষ্টা কৰি আছে, চৰকাৰে আজি আমাক এই সদনত কওঁক যে আমি এইটো এতিয়াৰ পৰা কেতিয়াও হ'ব নিদিওঁ, কঠোৰ পদক্ষেপ লম। দ্বিতীয় কথাটো হ'ল, মঙ্গলদৈ চহৰত যিটো প্রশিক্ষণ হ'ল সেইটো প্রশাসনৰ অজ্ঞাতে কেতিয়াও হোৱা নাই। তৃতীয়তে, ৰেলীত যেতিয়া সমদল কৰি উলিয়াইছিল, আৰক্ষীয়ে তেওঁলোকক নিৰাপত্তা দি গৈছিল তাৰমানে আৰক্ষী জ্ঞাত। আৰক্ষীৰ জ্ঞাতসাৰে এনেকৈ অবৈধভাৱে বিনা অনুমতিত প্রশিক্ষণ দিয়াটো আপত্তিজনক কথা। তাতোকৈ আপত্তিজনক কথাটো হ'ল এই অবৈধ প্রশিক্ষণটোক লৈ শাসকীয় দলৰ কোনোবা এজন বিধায়ক আৰু এজন প্রাক্তন বিধায়কে তেওঁলোকক সমৰ্থন কৰি মন্তব্য দিছে। সেইটোক লৈ আমি বেছি সংকিত হৈছো। তেওঁলোকে কৈছে যে হিন্দু সকলৰ সুৰক্ষাৰ্থে এইটো কৰা হৈছে। গতিকে হিন্দু সকলৰ সুৰক্ষাৰ্থে এনেকৈ অবৈধ ভাৱে প্রশিক্ষণ দিব

লাগিব নেকি ? চৰকাৰ আছে, বি জে পি চৰকাৰ আছে, আৰক্ষী বাহিনী আছে, সামৰিক, অৰ্দ্ধসামৰিক আদি সকলো ধৰণৰ institutional force আছে। প্ৰথম কথা হ'ল যি গৰাকী বিধায়ক আৰু প্ৰাক্তণ বিধায়কে সমৰ্থন কৰিলে যে, হিন্দুসকলৰ সুৰক্ষাৰ কাৰণেহে কৰা হৈছে। তেওঁলোকে কওঁক যে আমাৰ বিজেপি চৰকাৰে হিন্দুসকলক সুৰক্ষা দিব পৰা নাই গতিকে অবৈধভাবে প্ৰশিক্ষণ দিয়া হৈছে। গতিকে আল্টিমেটলী এইক্ষেত্ৰত চৰকাৰকো ব্লেম দিয়া হৈছে যে চৰকাৰ বিফল হৈছে বুলি। গতিকে কথাবিলাক আমি ৰাজনৈতিক দৃষ্টিকোণেৰে চাব নালাগে  আমি এই কাৰণে কৈছো যে প্ৰশাসনৰ জ্ঞাতসাৰে  বা চৰকাৰৰ মন্ত্ৰী আৰু প্ৰাক্তণ বিধায়কে যিটো সমৰ্থন কৰিছে এইটো স্পষ্ট হ'ব লাগে । ইয়াত আমি বিচাৰো যে, এইখন অসমত যদি কোনোবা মুছলমান সংগঠন এটাও ওলায় আৰু তেওঁলোকে হিন্দু বা অন্য জনগোষ্ঠীৰ বিৰুদ্ধে যদি মন্তব্য দি কিছু লোকক ট্ৰেইনিঙ দিয়ে তেনেহ'লে তাৰ বিৰুদ্ধেও  আমি কঠোৰ পদক্ষেপ ল'বলৈ দাবী জনাম। ঠিক সেইদৰে কোনো হিন্দু সংগঠনেও আন আন জনগোষ্ঠীৰ বিৰুদ্ধে যাতে বিষাক্ত মন্তব্য দি এনেধৰণৰ অস্ত্ৰ প্ৰশিক্ষণৰ দ্বাৰা অসমত এটা ৰক্তপাতৰ সুচনা যাতে কৰিব নোৱাৰে তাৰ বাবে মই চৰকাৰক কাতৰ আহ্বান জনাম । আমাৰ অসমখনত শংকৰ- আজানৰ সাতামপুৰুষীয়া ঐক্য - সম্প্ৰীতি যাতে অটুট থাকে আৰু অসমখনক ৰক্তাক্ত কৰাৰ  যিয়ে ব্লু প্ৰিন্ট কৰিছে তাৰ বাবে আমি শাসক- বিৰোধী সকলোৰে মিলি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আৰ্মচ এক্টত আমি যিটো দেখিছো আণ্ডাৰ চেকশ্যন- ২৫ ইয়াত আছে জৰিমনাৰ লগতে দুইৰ পৰা তিনি বছৰলৈ আৰু আণ্ডাৰ চেকশ্যন ওৱান (এ) তাত পাঁচৰ পৰা দহ বছৰলৈ জেইল দিয়াৰ  কথা উল্লেখ আছে কিন্তু ইতিমধ্যে যিদুইজন লোকক গ্ৰেপ্তাৰ কৰা হৈছিল তেওঁলোকক লগে লগে বেইল দিলে । এই ধাৰা অনুসৰি কিয় সেই দুইজনক  গ্ৰেপ্তাৰ কৰা নাই সেইটো চৰকাৰেহে জানিব?  এই ক্ষেত্ৰত একাংশই এইটো পুতলা পিস্তল বুলি কৈ ৰক্ষণা-বেক্ষণ দিছে । এই কথাবিলাক যাতে গাপ দি নাৰাখে মই আপোনাৰ জৰিয়তে চৰকাৰক জনাইছো অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** মই কৈছো যে, এই বিষয়টোৰ ওপৰত ডিচকাশ্যন কৰিব নালাগে টু দি পইন্ট ক'লে ভাল হয় কাৰণ এই বিষয়টো চাবজুডিছ হৈ আছে গতিকে আমি ডিচকাশ্যন কৰিব নোৱাৰো।

**শ্ৰীপিযুষ হাজৰিকা, মন্ত্ৰী , সংসদীয়  পৰিক্ৰমা ইত্যাদি ঃ** ছাৰ , বি এ চি  মিটিঙত এইটো সিদ্ধান্ত কৰা হৈছিল যে, এজনে প্ৰশ্নটো আনিব আৰু উত্তৰটো দিয়া হ'ব । এই বিষয়ত কোনোধৰণৰ ডিচকাশ্যনৰ কথা নাছিলে। মাননীয় আমিনুল ইছলাম ডাঙৰীয়াও মিটিঙত উপস্থিত আছিল । এটা বিষয়ত এডজৰ্ণমেন্ট মোশ্যনৰ ডিচকাশ্যন আছিল । এজন বিধায়কে ক'ব আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব । এইটো বিষয়ত ডিচকাশ্যন নহয় ।

.............. হুলস্থুল......

**বিৰোধী পক্ষৰ পৰা মন্তব্য ঃ** বিষয়টো স্পৰ্শকাতৰ গতিকে ইয়াৰ ওপৰত আলোচনা হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** বহক .... বহক মই কৈ আছো। এইটো বিষয়ত ডিচকাশ্যন নহয় ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো ৰুলে নকয় । মই আমিনুল ইছলাম ডাঙৰীয়াক অনুৰোধ কৰিম যে এই টপিকটো পিছত শূন্যকালীন ঘন্টাত আনিব পাৰিব। কিন্তু ইয়াৰ আগতে আমাৰ জ্যেষ্ঠ বিধায়ক ফণীভূষণ ডাঙৰীয়াই কৈছে যে সভা স্থগিত প্ৰস্তাৱ এটাহে হয় গতিকে ইতিমধ্যে এটা সভা স্থগিত প্ৰস্তাৱ হৈ গৈছে । মই ইয়াৰ মই গোটেইখিনিৰ উত্তৰ একেলগে দিম ।

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ, মানকাছাৰ) ঃ** ইমান চিৰিয়াচ এটা ইছ্যু মই মাত্ৰ দুই মিনিটহে ক'ব বিচাৰিছো- এই পৰিস্থিতিটো কি হ'বলৈ গৈ আছে । ৪০০ ল'ৰাই  ইয়াত আৰ্মচ ট্ৰেইনিঙ ল'লে ।

ইয়াত বন্দুক ক'ৰ পৰা আহিছে, কিয় মাত্ৰ দুই জনক এৰেষ্ট কৰা হ'ল ? আৰ্টিকুল- ২১ আৰু আৰ্টিকূল আৰ্মচ- ১৪ (৩) এতিয়া ক'ত গ'ল?

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক । মই কৈ আছো শুনক .. । ইতিমধ্যে আমি বি এ চি মিটিঙত এই বিষয়ে আলোচনা কৰিছো । এডজৰ্ণমেন্ট মোশ্যন হিচাপে বিদ্যুৎ বিভাগটো লোৱা হৈছে । ইয়াৰ পিচত আপোনালোকে উত্থাপন কৰা বিষয়টো অতি গুৰুত্বপূৰ্ণ কিন্তু যিটো কথা ৰেইজড কৰিলে সেই বিষয়টো চাব জুডিছ হৈ আছে । ইয়াৰ ওপৰত আমি আলোচনা কৰিলে বিভিন্ন কথা ওলাব আৰু এচ পাৰ ৰুল হিচাপে আমি ডিচকাচ কৰিবই নোৱাৰো । আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোৱাৰ বাবে আৰু মই নিজে অধ্যক্ষ হিচাপে এই সিদ্ধান্তটো বি এ চি মিটিঙত আলোচনা কৰিছিলো যে আপোনালোকে এই ইছ্যুটো উত্থাপন কৰিব আৰু চৰকাৰৰ ফালৰ পৰা উত্তৰটো দিব কিন্তু আলোচনা কৰিব নোৱাৰে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মঙ্গলদৈৰ যিটো ঘটনা আমিনুল ইছলাম ডাঙৰীয়াই সদনত উত্থাপন কৰিছে । ইতিমধ্যে আপোনালোক সকলোৰে অৱগত যে, অসম পুলিছে ইয়াৰ ওপৰত গোচৰ ৰুজু কৰিছে আৰু ইয়াৰ তদন্তও আৰম্ভ কৰিছে । তদন্তৰ পৰিপ্ৰেক্ষিতত যিটো ভাৰতীয় দণ্ডবিধিৰ চেকশ্যনত আমি অভিযোগ পাম সেই চেকশ্যনমতে যিসকল দোষী সেইসকলক আমি চাৰ্জশ্বীট দিয়াৰ বাবে ব্যৱস্থা কৰিম । আপোনালোকৰ মনত কিবা থাকিব পাৰে যে ৰাষ্ট্ৰীয় বজৰং দলটো আৰ এচ এচৰ কিবা সংগঠন নেকি বা বিজেপিৰ লগত জড়িত নেকি ? প্ৰথমতে মই এই সদনক জনাব খোজো যে, ৰাষ্ট্ৰীয় বজৰং দলৰ লগত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ দুৰ দূৰনিলৈকে কোনো সম্পৰ্ক নাই । প্ৰথম ক্লেৰিফিকেশ্যনটো হ'ল যে আপোনালোকৰ মনত এই কথা লৈ বহুতো ক্ৰিয়া বা জল্পনা- কল্পনা থাকিব পাৰে । আপোনালোকে যদি অলপ আগলৈ চাব যায় বিশ্ব হিন্দু পৰিষদ আৰু বজৰং দল এই দুয়োটা সংগঠনৰ নামতে দুটা পেৰেলেল সংগঠন হৈ তেওলোকে নিজৰ বিভিন্ন কাম কৰে । তাৰ লগত আমাৰ বিজেপিৰ লগতে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰো কোনো সম্পৰ্ক নাই । দ্বিতীয় কথাটো হ'ল যে, তেওঁলোকে আগ্নেয়স্ত্ৰ ব্যৱহাৰ কৰাটো আমাৰ হাতত কোনো তথ্য নাই । এইটো হৈছে এয়াৰ গান বা আনধৰণৰ 'নন লিথেল ' বুলি যাক কয় । এই ক্ষেত্ৰত যদি ভিজুৱেল আছে - য'ত আপোনালোকে ধোঁৱা ওলোৱা দেখিছিলে তেনেক্ষেত্ৰত আপোনালোকে এইটো আৰক্ষীৰ হাতত জমা দিব পাৰে । তেতিয়া যদি সঁচাই আগ্নেয়স্ত্ৰ আছিলে আমি নিশ্চয় ব্যৱস্থা ল'ম । ৪০০ ল'ৰাক আগ্নেয়স্ত্ৰ দিব কাৰণে যদি কাৰোবাৰ হাতত আন লাইচেঞ্চড ওৱেপন আছিলে তেনেহ'লে চৰকাৰেতো ব্যৱস্থা ল'বই লাগিব তাত আমাৰ কোনো অসুবিধা নাই । যিসময়ত এই ট্ৰেইনিঙটো লোৱা হৈছে তাৰ সমান্তৰালভাবে গৌৰীপুৰ চ'ৰ আদিৰ কথা আপোনালোকে কৈছে মই নাম ক'ব খোজা নাই । কিন্তু এটা বিশেষ ধৰ্মক কেন্দ্ৰ কৰি - মই নাভাবো যে তেওলোকে কোনো ধৰ্মক বিভ্ৰান্তি কৰিছে বা ধৰ্মক লৈ বেয়া কাম কৰিছে । যিটো এটা 'অল কায়দা' নেটৱৰ্ক অসমত গঢ়ি উঠিছে সেইটো এটা চিন্তনীয় বিষয় । তাৰ লগতে অল কায়দা- ইণ্ডিয়েন চাব কন্টিনেন্ট, ইণ্ডিয়েন মুজাহিদিন তেনেধৰণৰ পাঁচটাকৈ মডিউল আমি ধৰিছো । আৰু সেই মডিউলৰ চাৰিজন বাংলাদেশী নাগৰিক এতিয়া মুক্ত হৈ আছে । গতিকে এই গোটেইবিলাক বিষয়ৰ ওপৰত, মঙলদৈৰ ঘটনাটো মঙলদৈ টাউনত হৈছে কিছু মানুহে যিটো কৰিছে আজিলৈ মই জনাত কোনো আগ্নেয়স্ত্ৰ নহয়, যদি আপোনালোকৰ হাতত কিবা প্ৰমাণ আছে সেইটো বেলেগ কথা । ইতিমধ্যে তাৰ ওপৰত পুলিছে ষ্ট্ৰিক্টলী একশ্যন লৈছে আৰু লগে লগে পুলিছে ডিজ'লভ কৰিছে যে আমাৰ লগত কোনো সম্পৰ্ক নাই আৰু তেনেকৈ কোনো ধৰ্মক ৰক্ষণা-বেক্ষণ দিব পাৰি বুলি আমি বিশ্বাস নকৰো । মই বহুদিনৰ পৰা সদনত আছো। আছোঁ। This is one ex-

ample. But other side there are lot of example. গতিকে হাউচৰ সকলোৱে লগ লাগি কোনো ক্ষেত্ৰতে কোনো ধৰ্মৰ নামত, আমি ধৰ্ম ভালপোৱা মানুহ সকলে কোনোৱে নকয়, ধৰ্মৰ নামত উন্মদনা সৃষ্টি কৰা কোনো শক্তিকে আমি প্ৰশ্ৰয় দিব নালাগে। আৰু সেইটো ক্ষেত্ৰত মই ভাৱো যে আজি AIUDF দলে যিটো প্ৰশ্ন আনিছে ল'ৰা কেইটা হিন্দু হ'ল বুলি প্ৰস্তাৱ আনিছো এনেকুৱা নহয়, এনেকুৱা যদি আলকাইডাৰো আহে কোনোবা বিজেপিয়ে আনাৰ আগতে যদি আপোনালোকেও লৈ আহে তেতিয়া অসমত ধৰ্মীয় উন্মদনাতো কমাৰ ক্ষেত্ৰত আৰু সহায় কৰিব। তেনেকৈ মঙ্গলদৈ, বৰপেটা আপোনালোকে অনাৰ আগতে যদি কোনোবা বিজেপি এজনে আনে আৰু ভাল হ'ব। গতিকে তেনেকৈ আমি ধৰ্মীয় উন্মদনাৰ বিৰুদ্ধে যুজিব লাগিব আৰু মঙ্গলদৈৰ ঘটনাৰ লগত জড়িত কাৰো লগত আমাৰ দূৰ দূৰণিৰ সম্পৰ্ক নাই। আমি আইন মতে যি ব্যৱস্থা ল'ব লাগে আমি নিশ্চয় লম। পবিত্ৰ সদনত মই আশ্বাস দিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্বেৰমান আলী আহমেদ।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) ঃ** অধ্যক্ষ মহোদয়, Withdraw কৰি দিয়ক, বাকী আগৰ দুটা Withdraw কৰাইছে।

**মাননীয় অধ্যক্ষ ঃ** আমি adjournment motion ত।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) ঃ** অধ্যক্ষ মহোদয়, আমি adjournment motion আনিছো, BAC ত কোৱাৰ অধিকাৰ দিছে, মই বন্ধ কৰিছোঁ। এতিয়া Withdraw কৰিব বিচাৰিছোঁ। আপুনি মোক দিব লাগিব, বাকীবোৰক দিছে।

**মাননীয় অধ্যক্ষ ঃ** আমি BAC ত এইটো আলোচনা কৰিম।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) ঃ** অধ্যক্ষ মহোদয়, আমাৰ অখিল গগৈ ডাঙৰীয়াই যিটো আনিছিল সেইটো Withdraw কৰিব দিছে।

**মাননীয় অধ্যক্ষ ঃ** বিদ্যুৎ টো এটা বিষয় হিচাপে লোৱা হৈছে। বিশেষ ভাৱে চৰকাৰৰ clarification ৰ কাৰণে সেইটো লৈছে। এতিয়া শ্বেৰমান আলী আহমেদ।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো বিষয়ত সভা স্থগিত প্ৰস্তাৱ আনিছিলোঁ বিষয়টো অত্যান্ত গুৰুত্বপূৰ্ণ। বিষয়টো হ'ল যে আমাৰ বৰপেটা জিলাৰ গুৰুজনাৰ কীৰ্তি চিহ্ন হিচাপে সপোন হৈ আছে আমাৰ বহৰীৰ পৰা বাঘবৰলৈ বহৰী সত্ৰ আছে, দথেশ্বৰ মন্দিৰ আছে, কনৰা সত্ৰ, বৈঠাগত সত্ৰ এই গোটেই কেইটা কীৰ্তি চিহ্ন ব্ৰহ্মপুত্ৰ নদীত জাহ যাও যাও অৱস্থা। যোৱ বছৰ বৈঠাগত সত্ৰত তেনেকুৱা, মাননীয় মন্ত্ৰী মহোদয়ে তাত গৈছিল, বহ্মপুত্ৰ নদীৰ বুকুত জাহ যাও যাও অৱস্থা হওতে মই প্ৰতিবাদ কৰিলোঁ, আমাৰ স্বৰ্গীয় বৰপেটাৰ বুঢ়াসত্ৰীয় গৰাকীয়েও কাতৰ ভাৱে আহ্বান জনালে, পৰৱৰ্তী পৰ্য্যায়ত চৰকাৰে তাত ২.৩৯ কোটি টকা দিলে। কিন্তু দূৰ্ভাগ্যৰ কথা হ'ল মাননীয় অধ্যক্ষ মহোদয়, যি সত্ৰ বৈঠাগত সত্ৰ ৰক্ষণা-বেক্ষণৰ কাৰণে মাননীয় জল সম্পদ মন্ত্ৰীয়ে তাত গৈ আহি অতি শীৰ্ঘে ২.৩৯ কোটি টকা দিলে ১৩ মাৰ্চ, ২০২৩। আজি ৬ মাহ পাৰ হোৱাৰ পিছতো সেই প্ৰজেক্টটো implementation হোৱা নাই। Work order দিয়াৰ আজি তিনি মাহ হৈ গ'ল, মই বাৰে বাৰে executive engineer ক অনুৰোধ জনোৱাৰ পিছতো He has given a damn to my request. এই কথাটো আপোনাক জনালোঁ। আপোনাৰ নিশ্চয় মনত আছে যে যোৱা মাৰ্চৰ বিধান সভাত মনমৈ টাউনৰ বৰদলনীৰ গড়াখহনীয়া হোৱা কাৰণে মই আপোনাক অনুৰোধ জনাইছিলোঁ আৰু আপুনি অতিৰিক্ত মুখ্যসচিবক specialy request কৰি ৩২ লাখ টকা চেনচন কৰি ৩ এপ্ৰিলত ঘটনাৰ গুৰুত্ব বুজি Sub-

estimate, কিন্তু ৩ এপ্ৰিলৰ পৰা ৬ মাহ পাৰ হৈ গ'ল। আজিলৈ একো টেণ্ডাৰে হোৱা নাই। This is the way Hon'ble Minister the department is functioning.

**মাননীয় অধ্যক্ষ ঃ** সময় ২ বাজিলে, গতিকে সময়টো extend কৰা হ'ল।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** এতিয়া বহৰীৰ পৰা বাঘবৰলৈ যি গড়াখহনীয়াৰ গুৰুত্ব হৈছে, যোৱা বছৰো আপুনি গৈছিল আমি চেঙাৰ বিধায়ক সহ আছিলো, আপুনি নিজে জানে, Asian Development Bankৰ অৰ্থ সাহাৰ্য্যত এই প্ৰজেক্ট টো include কৰা হৈছিল। কিন্তু পৰৱৰ্তী পৰ্য্যায়ত PIL ৰ কাৰণে এই প্ৰজেক্টটো delay হৈ যোৱা হ'ল। আমাৰ আপত্তি নাই, বহৰীৰ পৰা বাঘবৰলৈ এই তীৰ্থস্থান সমূহ সংৰক্ষণ হ'ব লাগে কিন্তু PIL কেছত আপুনি নিশ্চয় বিভাগত খবৰ কৰিলে জানিব মই জনাত central water commission is also under pressure, central water commission য়ে মুখ্যঅভিযন্তাই কয় অতিৰিক্ত মুখ্যসচিবক ফোন কৰি কৈছে যে আমি কিমান আৰু querry কৰি থাকিম, আপোনালোকে উত্তৰ দি থাকিব, আপোনালোকে দুজন মান অভিযন্তা পঠিয়াই দিয়ক দিল্লীত বহি এইখিনি সমধান কৰিব লাগে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ জ্ঞাতাৰ্থে জনাব খোজো ইতিমধ্যে আপোনাক ফোনত জনাইছোঁ। Your engineer and SD আজিলৈ দিল্লীলৈ যোৱা নাই। যদি এই ধৰণে থাকে য'ত CWC য়ে কৈছে যে দুজন মানুহ পঠিয়াই দিয়ক সোনকালে হ'ব লাগে। CWC য়ে reply খিনি দিয়া আজিলৈকে যোৱা নাই, আমি যিমান প্ৰজেক্ট ধৰো আমাৰ ৰক্ষণা-বেক্ষণ হে হ'ব লাগে, যদি অহা বাৰিষাত যি ধৰণে তেওঁলোকে গুৰুত্ব দি আছে বৰপেটা জিলা পৰ্য্যায়ত অহা বাৰিষাৰ আগত কাম হোৱাৰ সম্ভৱনা নাই। মাননীয় মন্ত্ৰী মহোদয়ৰ জ্ঞাতাৰ্থে আৰু এটা মই বিষয় জনাব খোজো the way of Barpeta Water resource department is functioning. কুৰাৰদিলৰ বস্তু আপুনি কিহৰ কাৰণে দিয়ে অতি গুৰুত্বপূৰ্ণ ঠাইত, তৎক্ষণাত পেলাবলৈ। মই যোৱা ৫ আগষ্টত মুখ্য অভিযন্তাক infrom কৰিলো যে মোৰ তাত কেইবাটাও ঠাইত ভাঙি আছে আপুনি অলপ পাৰ কৰি দিয়ক, মাত্ৰ ১০ মিনিটৰ ভিতৰত purpose is sanction ৫ আগষ্টত। আজিলৈ সেই পাৰ্কো লঙ্গিং কৰা হোৱা নাই। আপোনাৰ অতিৰিক্ত মুখ্য সচিবে গৈছিল তেতিয়া তেওঁ চাই আহিছিল। There are lame excuses by the Executive Engineer. মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু জলসম্পদ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যে অহা বাৰিষাৰ আগত PIL case য়ে হওঁক Assian development বেংকে হওঁক আমাৰ এই কীৰ্তি চিহ্নবোৰ ৰক্ষণা-বেক্ষণ দিব লাগে। আমি বহুত বিভিন্ন ধৰণৰ গালি শুনি আহিছোঁ, মইনবৰী সত্ৰৰ গড়াখহনীয়া হয় কিন্তু গালি শুনো আমি। বাঘবৰৰ বিধায়ক জনীয়াৰ বিধায়ক গতিকে আৰু যাতে আমি গালি নুশুনো সেই কাৰণে মই আজি বাঘবৰৰ বিধায়ক হিচাপে এই সত্ৰ ৰক্ষণা বেক্ষণাৰ কাৰণে এই সদনত দাবি জনাইছোঁ। মাননীয় মন্ত্ৰী মহোদয় আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয় দুয়োজন আছে, মই আৰু এটা অনুৰোধ জনাব খোজো যদি সচাঁকৈ কীৰ্তি চিহ্নবোৰ ৰক্ষা কৰিব খোজে প্ৰজেক্ট চেনচন কৰোৱাৰ লগে লগে তাত যিজন কাৰ্যবাহী অভিযন্তা আছে আৰু এচ ডি অ' আছে তৎক্ষণাত বদলি কৰণ কৰিব লাগে। নহলে ব্ৰহ্মপুত্ৰ, বেকী, আইনা, জলজলী, দলনীয়ে ৫ খন নদীৰ গড়াখহনীয়াৰ তাণ্ডৱ তাত চলি আছে। যদি এই কাৰ্যবাহী অভিযন্তা আৰু এচ ডি অ' থাকে just aware you cannot do the work. মই অনুৰোধ জনাইছোঁ। কাক দিব আপোনালোকৰ কথা। এজন ভাল কাৰ্যবাহী অভিযন্তা আৰু এচ ডি অ' দিয়ক যাতে আমাৰ এই কীৰ্তি চিহ্নবোৰ ৰক্ষণা-বেক্ষণ হয় আৰু এই PIL য়ে হওঁক অহা বাৰিষাৰ

আগত যাতে কাম হয়।

**শ্ৰীআশ্ৰাফুল হুছেইন (চেঙা)** ঃ অধ্যক্ষ মহোদয়।

**ড° ৰফিকুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়।

................(হুলস্থূল)...............

**মাননীয় অধ্যক্ষ** ঃ Discussion নহয়। মন্ত্ৰীয়ে Statement দিব। Please unnecessary কিয় থিয় হ'ব আপুনি? বহক।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা)** ঃ অধ্যক্ষ মহোদয়, ১৪ মাহৰ ভিতৰত কাম হ'ব বুলি কৈছিল। এই সদনত কৈছিল। মই কেতিয়াও সদনত বাজে কথা কোৱা নাই, মাত্ৰ ২ মিনিট সময় দিয়ক। আপুনি সময় দিব পাৰে।

**মাননীয় অধ্যক্ষ** ঃ নিয়ম মানি চলক। সন্মানীয় সদস্য, সদায় তেনেকুৱা ধৰণৰ ব্যৱহাৰ কৰিব নাপায় সদনত। কালি পৰহি সদন আছে, তেনেকুৱা যদি কিবা আছে, ৩০১ আছে ৫৪ আছে, তাত আনক। আজি ইয়াত সন্মানীয় সদস্য এজনে নিজৰ কিবা এটা বিষয়ৰ ওপৰত ইয়াত আনিছে আজি সকলোৱে আলোচনা কৰি এগ্ৰী হৈছে, চৰকাৰো এগ্ৰী হৈছে ষ্টেটমেন্টৰ কাৰণে। ইয়াত কোনো প্ৰশ্ন বা ওপৰেঞ্চি আলোচনাৰ ব্যৱস্থা নাই। জবৰদস্তি কৰিলে মই কি কৰিব পাৰো? মাননীয় মন্ত্ৰী .............

(সদনত হুলস্থূল)

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো ভালকৈ দিম বুলি ভাবিছিলো, কিন্তু মই এতিয়া থাপিথুপি থৈ দিম। মই কৈ দিম যে পুঁজি সাপেক্ষে কৰিম পুঁজি নাথাকিলে মই নকৰো। এনেকৈ দিলে হ'ব উত্তৰ? অধ্যক্ষ ডাঙৰীয়া বহৰীক্ষেত্ৰ, দৰকেশ্বৰ মন্দিৰ, কনড়াক্ষেত্ৰৰ, বৈঠাপোটা সত্ৰ এই গোটেইকেইখনতে temporary nature ৰ কাম চলি আছে। অধ্যক্ষ ডাঙৰীয়া তেখেতে যিটো ক'লে, আমাৰ যিটো SDRF ৰ কাম বন্ধ হৈ আছে। যে আপুনি মোক সোধক কিয় কামটো বন্ধ হৈ আছে? এইখন সদনত যোৱা দুবছৰত বহুতবাৰ কৈছো যে Water Resource Department টোএনেকৈ চলে যে temporary work আৰু permanent work.মে'ৰ পৰা অক্টোবৰলৈ অকল temporary work চলে। আৰু যদি আগৰ permanent প্ৰটেকশ্যনৰ কাম কমপ্লিট নহ'ল, সেইটো বন্ধ হৈ যাব। কামটো নষ্ট হ'ব দিব নোৱাৰো। বহুতবাৰ কৈছো আপোনালোকক কিন্তু আপোনালোকে নুশুনেই। এইকেইদিন আমি কি কৰো ফ্লাড হওঁক বা আমাৰ section -50 হওঁক এই সমূহেৰে temporary কাম কৰো। আপুনি সেইদিনাখন ফোন কৰিছে ফোন কৰাৰ পিছত লগত কাম কৰিছেনে? পিছ দিনাখন মই খবৰ লৈছো, উপায়ুক্তক খবৰ লৈছো, ইঞ্জিনিয়াৰক খবৰ লৈছো। বহৰীৰ আগুৱাৰত এমেনাৰৰ কাম চলি আছে, পৰকেশ্বৰৰ আগুৱাৰত ফ্লাড ডিলৰ কাম চলি আছে। কনড়াক্ষেত্ৰৰ কাম ইতিমধ্যে হৈ গৈছে, অধ্যক্ষ ডাঙৰীয়া, তেখেতে মোক ফোন কৰিছে লগত লগত মই বৰপেটাৰ উপায়ুক্তক ফোন কৰিছো ইঞ্জিনিয়াৰক ফোন কৰিছো, আৰু পিছৰ দিনা খবৰ লৈছো কাম আৰম্ভ হৈছে আৰু তেখেতেওঁ মোক কৈছে। মোৰ বোধেৰে মাননীয় সদস্যগৰাকী অফিচাৰ আছিল, তেওঁ কিয় এতিয়া বিধান সভাত অফিচাৰকেই গালি পাৰি থাকে? কথা নাই বতৰা নাই সকলো ফালে তেওঁ অফিচাৰকেই গালি পাৰি থাকে। কাম কিয় হোৱা নাই মই কওঁ? কাম অহা বছৰ আপোনালোকৰ তাত আৰম্ভ হ'ল হয়। কিন্তু এতিয়া নহয়। কিয় নহয় সেইটো মোক সোধক? অধ্যক্ষ ডাঙৰীয়া, duplicacy হ'ব নোৱাৰে। ওৱৰ্ল্ড বেংকে যেতিয়া কাম কৰে ADB য়ে যেতিয়া কাম কৰে,

তেতিয়া ৰাজ্যচৰকাৰে আমি ফাণ্ড দিব নোৱাৰো। তাৰ কাৰণে যোৱা বছৰ আমাৰ ওৱৰ্ল্ডবেংকৰ প্ৰজেক্ট এক বছৰ পিছুৱাই গ'ল। duplicacy হোৱাৰ কাৰণে। আমি ৰাজ্য চৰকাৰেও কাম কৰি দিওঁ, কাম কৰি দিলে তেওঁলোকেও ইতিমধ্যে চেংশ্যন কৰি দিয়ে, তেওঁলোকৰ সময় থাকে, তেওঁলোকে ক'ব আপোনালোকে কামটো কৰিছে আমাৰ পৰাও আপোনালোকে কিয় আকৌ পইচা ù ûþÃ Ý»‹ ÊÂÑËßÁÕ±÷±ßÁ ôÂòôËûþ ËßÁ ÏûþäÂßÁË1 ôËûþ¼ËßÁ ÏûþäÂßÁ1 ৯০ শতাংশ আৰু আমাৰ ৰাজ্য চৰকাৰৰ ১০ শতাংশ। এইটো অসম চৰকাৰৰ পইচা, ভাৰত চৰকাৰৰ পইচা। ওৱৰ্ল্ডবেংকে আমাক অনুদান নিদিয়ে। এতিয়া মই কি ক'ব খুজিছো আপোনালোকে এৰিয়াটোত এই গোটেইখিনি ADB ত চেংশ্যন হৈ আছিল। এইখিনি আমি অহাবছৰ আৰম্ভ কৰিলো হয়। 1st phase and 2nd phase. এইবাৰ1st phase ৰ কাম আৰম্ভ হৈছে ইতিমধ্যে। টেণ্ডাৰ অলৰেডি হৈ গৈছে। আপোনালোকৰ ADB ৰ 2nd phaseৰ কাম আছিল তাৰ মাজতে কেইগৰাকীমান ব্যক্তি, টাইজুদ্দিন আহমেদ আৰু অন্যান্য চাৰিজন, হাচিম আলী, অৰনী কুমাৰ দাস, অমল কুমাৰ চন্দ্ৰ আৰু চাহজাহান তালুকদাৰ। এওঁলোকে গৈ কোৰ্টত কেচ কৰিলে যে ADB ৰ যিটো প্ৰজেক্ট is not enough to protect Barpeta District. So, we need more fund সেই কাৰণে কি হ'ল এতিয়া আমাৰ বিভাগে সিদ্ধান্ত ল'লে, যিহেতু কোৰ্টে ইন্টাৰফেয়াৰ কৰিলে আমি সিদ্ধান্ত ল'লো যে এইটো ৩০০-৩৫০ কোটি টকাৰে কৰিব নোৱাৰো। গতিকে আমি central water commission ত আমি এটা প্ৰজেক্ট দিছো ৫২৪ কোটি টকাৰ। কিমান হয় নাজানো, আমি প্ৰজেক্ট দিছো তেওঁলোকে চাব ৪০০ দিয়ে, ৪৫০ দিয়ে, ৩০০ দিয়ে তেওঁলোকৰ কথা। গতিকে অধ্যক্ষ ডাঙৰীয়া তেতিয়াহে কাম আৰম্ভ হ'ব। সেই কথাখিনি বুজাটো দৰকাৰ, হুলস্থুল কৰিলেই চিঞৰ বাখৰ কৰিলেই , বিধান সভাখন কপাঁই দিলেই সমষ্টিত ইলেকশ্যন জিকিব নোৱাৰি। গতিকে অলপ চিচষ্টেমত যাব লাগে। temporary কাম ভালকৈ কৰি আছো। প্ৰত্যেক গৰাকী বিধায়কে কয় লগে লগে সঁহাৰি জনাও। আমাৰ জনীয়াৰ বিধায়কে মোক ফোন কৰে, চেঙাৰ বিধায়কে ফোন কৰে, মই সঁহাৰি জনাও। মই আকৌ কৈছো এই কেইদিন temporary কামে হ'ব আৰু বানপানী শেষ হোৱাৰ পিছত permanent কাম হ'ব। কিন্তু বৰপেটা জিলাত অহা বছৰ permanent কাম almost একো নহয়। কিয় নহয়, এইখন PIL কৰাৰ কাৰণে। এই PIL খন শেষ হ'ব আৰু যদি central water commission এ বা আমাৰ ভাৰত চৰকাৰে ফাণ্ড চেংশ্যন কৰে, তেতিয়া হয়তো বৰপেটা জিলাত আমি কাম আৰম্ভ কৰিবলৈ সক্ষম হ'ম। গতিকে অধ্যক্ষ ডাঙৰীয়া কামখিনি কৰিবলৈ চেষ্টা কৰি আছো। আপোনালোকে মাজত গণ্ডগোল কৰে, আপোনালোকৰ মানুহে গণ্ডগোল কৰে আমি কি কৰিম? কোনোবা PIL কৰিবলৈ গ'লে আমি কি কৰিম? PIL নকৰাকৈ যদি আমাক আহি কলেহেতেন, এইখিনি কাম হ'ল আৰু অলপ কাম দিয়ক। তেতিয়া মই PIL লৈ যাব নালাগে,অহা বছৰ কাম আৰম্ভ হৈ গ'ল হয়। কিন্তু এইবাৰটো আমি আৰম্ভ কৰিব নোৱাৰো। গতিকে আপোনালোকৰ তাতে গণ্ডগোলবোৰ ঠিক কৰিব আমি নিশ্চয়কৈ কাম কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী মৰ্ম্মে সমিতিৰ প্ৰতিবেদন ২৩০ ৰ অধীনত অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যসূচীৰ নিয়ম ১২৬ ৰ অধীনত অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন সভা অধ্যক্ষৰ কাৰ্য্যালয়ৰ সভা কক্ষত যোৱা ১০ ছেপ্তেম্বৰ ২০২৩ তাৰিখে অনুষ্ঠিত কৰা হয়। সভাত শৰৎকালীন অধিবেশনৰ খচৰা দিন পঞ্জীখন আৰু বেলটৰ তাৰিখ আৰু প্ৰশ্ন সমূহৰ জাননী প্ৰাপ্তিৰ অন্তিমখন তালিকা চূড়ান্ত কৰা হয়। সভাই অহা ১৪ আৰু ১৫ ছেপ্তেম্বৰ ২০২৩

তাৰিখে সদনৰ কাৰ্য্যসূচী দুয়োবেলা অনুস্থিত কৰাৰ কথা সিদ্ধান্ত লয় আৰু বিধেয়ক সমূহৰ আলোচনাৰ সময়সূচী ১১ ছেপ্তেম্বৰ ২০২৩ তাৰিখৰ কাৰ্য্য উপদেষ্টা সমিতিৰ সভাত নিৰ্ধাৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কিন্তু আজি সেইটো নহ'ব কাৰণ আজি আগৰ পেণ্ডিং বিল এখন আলোচনা কৰাৰ কাৰণে লোৱা হৈছে। গতিকে ইয়াৰ দিনটো আকৌ ঠিক কৰা হ'ব। ইতিমধ্যে চলিত শৰৎকালীন অধিবেশনৰ দিন পঞ্জীখন সদনৰ সকলো মাননীয় সদস্য- সদস্যাৰ মাজত বিতৰণ কৰা হৈছে। আশা কৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনৰ অনুমোদন আছে। এতিয়া ৪ নং কাৰ্য্যসূচী ঘোষণা অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম নং ১ৰ অধীনত পঞ্চদশ অসম বিধান সভাৰ শৰৎকালীন অধিবেশন পৰিচালনা কৰিবৰ বাবে নিম্ন লিখিত মাননীয় সদস্য কেইগৰাকীক সভাপতি হিচাপে মনোনীত কৰা হ'ল। শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা, শ্ৰী ৰকিবুল হুছেইন, শ্ৰী বিদ্যাসিং ইংলেং, শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া। এতিয়া কাৰ্য্যসূচী নং -৭ মাননীয় মন্ত্ৰী শ্ৰী পৰিমল শুক্ল বৈদ্য ডাঙৰীয়াই The Assam motor vehicle Taxation (amendment)Ordinance, ২০২৩ খন সদনত দাঙি ধৰিব।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই The Assam motor vehicle Taxation (amendment)Bill, ২০২৩ বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ আগবঢ়ালো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া বিত্ত মন্ত্ৰী শ্ৰীমতা অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে Extra ordinary gazette notification সদনত দাখিল কৰিব।

**কাৰ্য্যসূচী নং- ৮**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিত্ত মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়াণীয়ে Extraordinary Gazette Notification dtd. 18-03-2023 to 12-07-2023 of the Finance (Taxation) Department, Govt. of Assam" খন সদনত দাখিল কৰিব।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী) ঃ**

মাননীয় অধ্যক্ষ মহোদয়, মই "Extraordinary Gazette Notification dtd. 18-03-2023 to 12-07-2023 of the Finance (Taxation) Department, Govt. of Assam" ৰ ২০ (বিশ) খন প্ৰতিবেদন সদনত দাখিল কৰিলোঁ।

**কাৰ্য্যসূচী নং- ৯**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী শ্ৰীৰণজিৎ কুমাৰ দাসে 11-07-2023 তাৰিখৰ "Assam Food Security (Amendment) Rules, 2023" ৰ অসাধাৰণ ৰাজপত্ৰখন সদনত দাখিল কৰিব।

**শ্ৰীৰণজিৎ কুমাৰ দাস (মাননীয় মন্ত্ৰী, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 11-07-2023 তাৰিখৰ "Assam Food Security (Amendment) Rules, 2023" ৰ অসাধাৰণ ৰাজপত্ৰখন সদনত দাখিল কৰিলোঁ।

**কাৰ্য্যসূচী নং- ১০**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী শ্ৰীবিমল বৰাই ১২-০৭-২০২৩ তাৰিখৰ "The Assam Micro, Small and Medium Enterprises (Facilitation of

Establishment and Operation) Rules, 2023" খন সদনত দাখিল কৰিব।

**শ্ৰীবিমল বৰা (মাননীয় মন্ত্ৰী, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান ইত্যাদি) ঃ**

মাননীয় অধ্যক্ষ মহোদয়, মই ১২-০৭-২০২৩ তাৰিখৰ "The Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and Operation) Rules, 2023" খন সদনত দাখিল কৰিলোঁ।

**কাৰ্য্যসূচী নং- ১১**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয়া মন্ত্ৰী শ্ৰীমতী নন্দিতা গাৰ্লোছা ডাঙৰীয়ানীয়ে ২০২১-২২ চনৰ "Assam Power Generation Corporation Ltd."ৰ বাৰ্ষিক হিচাবৰ প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**Smti. Nandita Gorlosa (Minister, Power etc.):**

Sir, with your permission, I beg to lay the Annual Report and Accounts of "Assam Power Generation Corporation Ltd." for the year 2021-22.

**কাৰ্য্যসূচী নং- ১২**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয়া মন্ত্ৰী শ্ৰীমতী নন্দিতা গাৰ্লোছা ডাঙৰীয়ানীয়ে ২০২১-২২ চনৰ "Assam Electricity Grid Corporation Ltd."ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**Smti. Nandita Gorlosa (Minister, Power etc.):**

Sir, with your permission, I beg to lay the Annual Report of "Assam Electricity Grid Corporation Ltd." for the year 2021-22.

**কাৰ্য্যসূচী নং- ১৩**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই বন আৰু পৰিৱেশ বিভাগৰ ২০১৯-২০২২ চনৰ "Parivesh Batori- the Newsletter of Pollution Control Board আৰু বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মাননীয় মন্ত্ৰী, পৰিৱেশ আৰু বন ইত্যাদি) ঃ**

মাননীয় অধ্যক্ষ মহোদয়, মই ২০১৯-২০২২ চনৰ বন আৰু পৰিৱেশ বিভাগৰ "Parivesh Batori- the Newsletter of Pollution Control Board আৰু বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলোঁ।

**কাৰ্য্যসূচী নং- ১৪**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী শ্ৰীঅশোক সিংহল ডাঙৰীয়াই ০২-০৯-২০২৩ তাৰিখৰ "The Assam Public Safety (Measures) Enforcement Rules, 2023" খন সদনত দাখিল কৰিব।

**শ্ৰীঅশোক সিংহল (মাননীয় মন্ত্ৰী, গৃহ আৰু নগৰ পৰিক্ৰমা) ঃ**

মাননীয় অধ্যক্ষ মহোদয়, মই ০২-০৯-২০২৩ তাৰিখৰ “The Assam Public Safety (Measures) Enforcement Rules, 2023” খন সদনত দাখিল কৰিলোঁ।

**কাৰ্য্যসূচী নং- ১৫**

এতিয়া মাননীয় মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়াণীয়ে অসম চৰকাৰৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠান সমূহৰ আৰু নগৰৰ স্থানীয় নিকায় সমূহৰ ২০২১-২২ চনৰ একত্ৰীকৃত হিচাপ পৰীক্ষাৰ প্ৰতিবেদন দাখিল কৰিব।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী) ঃ**

মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠান সমূহৰ আৰু নগৰৰ স্থানীয় নিকায় সমূহৰ ২০২১-২২ চনৰ একত্ৰীকৃত হিচাপ পৰীক্ষাৰ প্ৰতিবেদনখন অসম বিধান সভাৰ পবিত্ৰ সদনত দাখিল কৰিলোঁ।

**কাৰ্য্যসূচী নং- ১৬**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰী পিয়ুষ হাজৰিকা ডাঙৰীয়াই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগ সমূহৰ ওপৰত ২০২২ চনৰ ৩১ মাৰ্চত সমাপ্ত বৰ্ষৰ (২০২৩ চনৰ ৩ নং) প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰী পিয়ুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগ সমূহৰ ওপৰত ২০২২ চনৰ ৩১ মাৰ্চত সমাপ্ত বৰ্ষৰ বাবে (২০২৩ চনৰ ৩ নং) প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**কাৰ্য্যসূচী নং- ১৭**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰী পিয়ুষ হাজৰিকা ডাঙৰীয়াই ভাৰতৰ নিয়ন্ত্ৰক আৰু হিচাপ পৰীক্ষকৰ ২০১৭-১৮ ৰ পৰা ২০২০-২১ বৰ্ষৰ বাবে স্থানীয় নিকায় সমূহৰ ২০২৩ বৰ্ষৰ প্ৰতিবেদন নং ২ অসম চৰকাৰ সম্পৰ্কীয় প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰী পিয়ুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাৰতৰ নিয়ন্ত্ৰক আৰু হিচাপ পৰীক্ষকৰ ২০১৭-১৮ ৰ পৰা ২০২০-২১ বৰ্ষৰ বাবে স্থানীয় নিকায় সমূহৰ ২০২৩ বৰ্ষৰ প্ৰতিবেদন নং ২ অসম চৰকাৰ সম্পৰ্কীয় প্ৰতিবেদনখন সদনত দাখিল কৰিলো। **কাৰ্য্যসূচী নং- ১৮**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয়া মন্ত্ৰী শ্ৰীমতী নন্দিতা গাৰ্লোছা ডাঙৰীয়ানীয়ে ২০২১-২২ চনৰ “Assam Power Distribution Company Ltd.”ৰ ১৯ তম্ বাৰ্ষিক হিচাবৰ প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**Smti. Nandita Gorlosa (Minister, Power etc.):**

Hon'ble Speaker Sir, with your permission, I beg to lay the 19th Annual Report and Accounts of “Assam Power Distribution Company Ltd.” for the year 2021-22.

**কাৰ্য্যসূচী নং- ১৯**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় অসম বিধান সভাৰ ৰাজহুৱা হিচাপ সমূহৰ সমিতিৰ সভাপতিয়ে সমিতিৰ ১৮১তম, ১৮২ তম আৰু ১৮৩ তম প্ৰতিবেদন কেইখন সদনত দাখিল কৰিব।

**শ্ৰীওৱাজেদ আলী চৌধুৰী, (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ৰাজহুৱা হিচাপ সমূহৰ সমিতিৰ ১৮১তম, ১৮২ তম আৰু ১৮৩ তম প্ৰতিবেদন তিনিখন সদনত দাখিল কৰিলো।

**কাৰ্য্যসূচী নং-** ২০

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় অসম বিধান সভাৰ প্ৰাক্কলন সমিতিৰ মাননীয় সভাপতি শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়াই সমিতিৰ ৯০ তম্, ৯১ তম্ আৰু ৯২ তম্ প্ৰতিবেদন তিনিখন সদনত দাখিল কৰিব।

**শ্ৰী প্ৰশান্ত ফুকন, (ডিব্ৰুগড়) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰাক্কলন সমিতিৰ ৯০ তম্, ৯১ তম্ আৰু ৯২ তম্ প্ৰতিবেদন তিনিখন সদনত উত্থাপন কৰিলো।

**কাৰ্য্যসূচী নং-** ২১

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিৰ মাননীয় সভাপতি শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই সমিতিৰ ৮১ তম, ৮২,৮৩ তম আৰু ৮৪ তম প্ৰতিবেদন কেইখন সদনত দাখিল কৰিব।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিৰ ৮১ তম, ৮২, ৮৩ তম আৰু ৮৪ তম প্ৰতিবেদন চাৰিখন সদনত দাখিল কৰিলো।

**কাৰ্য্যসূচী নং-** ২২

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় অসম বিধান সভাৰ "নিয়োগ পৰ্য্যালোচনা" সমিতিৰ মাননীয় সভাপতি শ্ৰী লৰেন্স ইশ্লাৰী ডাঙৰীয়াই সমিতিৰ ৫০ আৰু ৫১ তম প্ৰতিবেদন কেইখন সদনত দাখিল কৰিব।

**শ্ৰী লৰেন্স ইশ্লাৰী, (কোকৰাঝাৰ) ঃ** Hon'ble Speaker Sir,I beg to present the report of the50th and 51st Employment Review Committee Assam Legislative Assembly.

**কাৰ্য্যসূচী নং-** ২৩

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় অসম বিধান সভাৰ "স্থানীয় নিকায় সমূহৰ হিচাপ" সমিতিৰ মাননীয় সভাপতি শ্ৰী চক্ৰধৰ গগৈ ডাঙৰীয়াই সমিতিৰ সপ্তম, অষ্টম, নৱম আৰু দশম প্ৰতিবেদন কেইখন সদনত দাখিল কৰিব।

**শ্ৰীচক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ "স্থানীয় নিকায় সমূহৰ হিচাপ" সমিতিৰ সপ্তম, অষ্টম, নৱম আৰু দশম প্ৰতিবেদন কেইখন সদনত দাখিল কৰিলো।

**কাৰ্য্যসূচী নং-** ২৪

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই প্ৰস্তাৱ কৰিব।

**শ্ৰীপীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সদনে অসম

বিধান সভাৰ বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৪২ ৰ অধীনত একল সংক্ৰমণীয় ভোটেৰে আনপাতিক প্ৰতিনিধিত্ব নাতি অনুসৰি সদনৰ সদস্য সকলৰ মাজৰ পৰা তেৰজন সদস্যৰে গঠন হ'বলগীয়া অসম বিধান সভাৰ 'ৰাজহুৱা হিচাপ সমূহৰ' সমিতিৰ পৰৱৰ্ত্তী কাৰ্য্যকালৰ বাবে সদস্য সকলক নিৰ্বাচন কৰিব। গঠন হ'বলগীয়া সমিতিয়ে ৩০ মাহতকৈ অনধিক কাৰ্য্যনিৰ্বাহ কৰিব।

**কাৰ্য্যসূচী নং ২৫ ঃ**

**শ্ৰী পীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সদনে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৪৪(১) ৰ নিয়ম অনুসৰি অসম বিধান সভাৰ প্ৰাক্কলন সমিতি গঠন কৰিবলৈ অসম বিধান সভাৰ ১৩ জন সদস্য নিৰ্বাচন কৰে, যি সমিতিয়ে গঠন হোৱা তাৰিখৰ পৰা অনধিক ৩০ মাহ কাৰ্য্যকালৰ বাবে ২৪ নৱেম্বৰ, ২০২৩ চনৰ পৰা কাৰ্যনিৰ্বাহ কৰিব।

**কাৰ্য্যসূচী নং ২৬ ঃ**

**শ্ৰী পিয়ুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ**

মাননীয় অধ্যক্ষ মহোদয়, এই সদনে অসম বিধান সভাৰ বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৬০ খ(১) ৰ অধীনত একল সংক্ৰমণীয় ভোটেৰে আনুমানিক প্ৰতিনিধিত্ব নীতি অনুসৰি সদনৰ সদস্য সকলৰ মাজৰ পৰা তেৰজন সদস্যৰে গঠন হ'বলগীয়া অসম বিধান সভাৰ 'ৰাজহুৱা উদ্যোগ সমূহৰ' সমিতিখন পঞ্চদশ বিধান সভাৰ বাকী থকা কাৰ্য্যকাল তথা অত্যধিক ৩০ মাহৰ বাবে সদস্য সকলক নিৰ্বাচন কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালো।

**কাৰ্য্যসূচী নং ২৭ ঃ**

**শ্ৰী পীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া প্ৰস্তাৱ উত্থাপন কৰিব বিচাৰিছো যে অসম বিধান সভাৰ বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৬০ ঘ (১) ৰ নিয়ম অনুসৰি অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি সমূহৰ কল্যাণ সমিতি গঠন কৰিবলৈ অসম বিধান সভাৰ তেৰজন সদস্য নিৰ্বাচন কৰে, যি সমিতিয়ে গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্য নিৰ্বাহ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ২৮ ।

**কাৰ্য্যসূচী নং ২৮ ঃ**

**শ্ৰী পীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৬০ ছ(১) ৰ অধীনত একল সংক্ৰমণীয় ভোটেৰে আনুপানিক প্ৰতিনিধিত্ব নীতি অনুসৰি সদনৰ সদস্য সকলৰ মাজৰ পৰা তেৰজন সদস্যৰে গঠন হ'বলগীয়া অসম বিধান সভাৰ 'অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ সমিতিৰ' পঞ্চদশ অসম বিধান সভাৰ বাকী থকা কাৰ্য্যকাল তথা অত্যধিক ৩০ মাহৰ বাবে সদস্য সকলক নিৰ্বাচন কৰাৰ বাবে প্ৰস্তাৱ কৰিলো।

**কাৰ্য্যসূচী নং ২৯ ঃ**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিত্ত মন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০২৩-২৪ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰী সমূহ আৰু পৰিপূৰক বিনিয়োজনৰ তালিকা সদনত উপস্থাপন কৰিলো।

**माननीय अध्यक्ष ঃ** এতিয়া  কাৰ্যসূচী নং ৩০।

**THE ASSAM MOBILITY OF EMPLOYEES OF STATE GOVERNMENT AND OTHER ESTABLISHMENT (FOR OPTIMUM UTILIZATION OF AVAILABLE MANPOWER FOR EFFICIENCY) BILL, 2023**

**শ্ৰী পীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ আৰু আপোনাৰ অনমতি সাপেক্ষে " The Assam Mobility of Employees of State Government and other establishment(for optimum utilization of available manpower for efficiency)Bill, 2023 বিধেয়ক খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল, বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
বিধেয়কখন উত্থাপন হ'ল।

**माननीय अध्यक्ष ঃ** এতিয়া  কাৰ্যসূচী নং -৩১।

মাননীয় অধ্যক্ষ ঃ ৰাজভৱনৰ পৰা এটা বাণী আছে।
বাণীটো হ'ল-

**Under the provision of Article 207 (1) of the Constitution of India, I Shri Gulab Chand Kataria, Governor of Assam recommend the introduction of "The Assam Micro Finance Institutions (Regulation of Money Lending (Amendment) Bill, 2023" in the Assam Legislative Assembly.**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয়া বিত্ত মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়াণী।

**শ্ৰীমতী অজন্তা নেওঁগ, বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Assam Micro Finace Institutions (Regulation of Money Lending(Amendment) Bill, 2023 খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল
বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
বিধেয়কখন উত্থাপন হ'ল।

**এতিয়া কাৰ্য্যসূচী নং ৩২ ।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল,

"The Assam Micro Finance Institution (Regulation of Money lending (Amendment) Bill, 2023"

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
বিধেয়কখন উত্থাপন হ'ল।

**এতিয়া THE ASSAM GOODS AND SERVICES TAX (AMENDMENT) BILL, 2023**

ৰাজভৱনৰ পৰা এটা বাণী আছে।
বাণীটো হ'ল-

**Under the provision of Article 207 (1) of the Constitution of India, I, Gulab Chand Kataria Governor of Assam recommend the introduction of "The Assam Goods and Services Tax (Amendment) Bill, 2023" in the Assam Legislative Assembly.**

মই মাননীয়া বিত্ত মন্ত্ৰী, শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানীয়ে বিধেয়কখন উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**শ্ৰীমতী অজন্তা নেওগ, বিত্ত মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Assam Goods and Services Tax (Amendment) Bill, 2023" বিধেয়কখন সদনত উত্থাপন বাবে প্ৰস্তাৱ আগবঢ়াইছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল,

"The Assam Goods and Services Tax (Amendment) Bill, 2023" বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
বিধেয়কখন উত্থাপন হ'ল।

**কাৰ্যসূচী নং- ৩৩**

THE GUWAHATI METROPOLITAN DEVELOPMENT AUTHORITY (AMENDMENT) BILL, 2023, মই মাননীয় মন্ত্ৰী শ্ৰীঅশোক সিংহল ডাঙৰীয়াক বিধেয়কখন উত্থাপনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

মন্ত্ৰী শ্ৰীঅশোক সিংহল, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰীঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Guwahati Metropolitan Development Authority (Amendment) Bill, 2023" বিধেয়কখন সদনত উত্থাপন বাবে প্ৰস্তাৱ আগবঢ়াইছো।

**মাননীয় অধ্যক্ষ** ঃপ্ৰশ্নটো হ'ল,

"The Guwahati Metropolitan Development Authority (Amendment) Bill, 2023" বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি

আছেনে ?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
বিধেয়কখন উত্থাপন হ'ল।

**কাৰ্যসূচী নং- ৩৪**

## THE GURUCHARAN UNIVERSITY BILL, 2023

ৰাজভৱনৰ পৰা এটা বাণী আছে।
বাণীটো হ'ল-

**Under the provision of Article 207 (1) of the Constitution of India, I Shri Gulab Chand Kataria, Governor of Assam recommend the introduction of "The Gurucharan University Bill, 2023" in the Assam Legislative Assembly.**

মই মাননীয় শিক্ষামন্ত্ৰী, ডাঃ ৰণোজ পেগু ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

ডাঃ ৰণোজ পেগু শিক্ষামন্ত্ৰীঃ মাননীয় অধ্যক্ষ মহোদয়,"THE GURUCHARAN UNIVERSITY BILL, 2023" বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো। বিধেয়কখন

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে ?
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
বিধেয়কখন উত্থাপন হ'ল।

**কাৰ্যসূচী নং- ৩৫**

## THE BONGAIGAON UNIVERSITY BILL, 2023

**মাননীয় অধ্যক্ষ ঃ** ৰাজভৱনৰ পৰা এটা বাণী আছে। বাণীটো হ'ল-

**Under the provision of Article 207 (1) of the Constitution of India, I Shri Gulab Chand Kataria, Governor of Assam recommend the introduction of "The Bongaigaon University Bill, 2023" in the Assam Legislative Assembly.**

মাননীয় শিক্ষা মন্ত্ৰী, ডাঃ ৰণোজ পেগু ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়,"**THE BONGAIGAON**

**UNIVERSITY BILL, 2023"** বিধেয়কখন সদনত উত্থাপন বাবে প্ৰস্তাৱ আগবঢ়াইছো।

**মাননীয় অধ্যক্ষ** ঃপ্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

বিধেয়কখন উত্থাপন হ'ল।

**কাৰ্যসূচী নং- ৩৬**

**THE JAGANNATH BAROOAH UNIVERSITY BILL, 2023**

**মাননীয় অধ্যক্ষ** ঃ ৰাজভৱনৰ পৰা এটা বাণী আছে। বাণীটো হ'ল-

**Under the provision of Article 207 (1) of the Constitution of India, I Shri Gulab Chand Kataria, Governor of Assam recommend the introduction of "The Jagannath Barooah University Bill, 2023" in the Assam Legislative Assembly.**

মাননীয় শিক্ষা মন্ত্ৰী, ডাঃ ৰণোজ পেগু ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়,**"THE JAGANNATH BAROOAH UNIVERSITY BILL, 2023"** বিধেয়কখন সদনত উত্থাপন বাবে প্ৰস্তাৱ আগবঢ়াইছো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

বিধেয়কখন উত্থাপন হ'ল।

**কাৰ্যসূচী নং- ৩৭**

**THE NORTH LAKHIMPUR UNIVERSITY BILL, 2023**

**মাননীয় অধ্যক্ষ** ঃ ৰাজভৱনৰ পৰা এটা বাণী আছে।

বাণীটো হ'ল-

**Under the provision of Article 207 (1) of the Constitution of India, I Shri Gulab Chand Kataria, Governor of Assam recommend the introduction of "The North Lakhimpur University Bill, 2023" in the Assam Legislative Assembly.**

মাননীয় শিক্ষা মন্ত্ৰী, ডাঃ ৰণোজ পেগু ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়,**"THE NORTH**

**LAKHIMPUR UNIVERSITY BILL, 2023"** বিধেয়কখন সদনত উত্থাপন বাবে প্ৰস্তাৱ আগবঢ়াইছো।

’ বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ’ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওক ‘হয়’

যিসকল বিপক্ষে আছে, তেখেতসকলে কওক ‘নহয়’

মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,

বিধেয়কখন উত্থাপন হ’ল।

**কাৰ্যসূচী নং- ৩৮**

**THE NAGAON UNIVERSITY BILL, 2023**

মাননীয় অধ্যক্ষ ঃৰাজভৱনৰ পৰা এটা বাণী আছে।

বাণীটো হ’ল-

**Under the provision of Article 207 (1) of the Constitution of India, I Shri Gulab Chand Kataria, Governor of Assam recommend the introduction of “The Nagaon University Bill, 2023” in the Assam Legislative Assembly.**

মাননীয় শিক্ষা মন্ত্ৰী, ডাঃ ৰণোজ পেগু ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়,**"THE NAGAON UNIVERSITY BILL, 2023"** বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো। ’ বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ’ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক ‘হয়’

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক ‘নহয়’

মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,

বিধেয়কখন উত্থাপন হ’ল।

**কাৰ্যসূচী নং- ৩৯**

**THE BODOLAND UNIVERSITY (AMENDMENT) BILL, 2023**

মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়,**"THE BODOLAND UNIVERSITY (AMENDMENT) BILL, 2023"** বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো। ’ বি

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ’ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
বিধেয়কখন উত্থাপন হ'ল।

**কাৰ্যসূচী নং- ৪০**

**THE ASSAM SCIENCE AND TECHNOLOGY UNIVERSITY (AMENDMENT) BILL, 2023**

**माननीय অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ কৰাৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়,**"THE ASSAM SCIENCE AND TECHNOLOGY UNIVERSITY (AMENDMENT) BILL, 2023"** বিধেয়কখন সদনত উত্থাপন বাবে প্ৰস্তাৱ আগবঢ়াইছো।

মাননীয় অধ্যক্ষ ঃ প্ৰশ্নটো হ'ল,
বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
বিধেয়কখন উত্থাপন হ'ল।

**কাৰ্যসূচী নং- ৪১**

**THE ASSAM WOMEN'S UNIVERSITY (AMENDMENT) BILL, 2023**

মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু শিক্ষামন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়,**"THE ASSAM WOMEN'S UNIVERSITY (AMENDMENT) BILL, 2023"** বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল,
বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
বিধেয়কখন উত্থাপন হ'ল।

**কাৰ্যসূচী নং- ৪২**

**THE COTTON UNIVERSITY (AMENDMENT) BILL, 2023**

মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই বিধেয়কখন

উত্থাপনৰ কৰাৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃমাননীয় অধ্যক্ষ মহোদয়,"**THE COTTON UNIVERSITY (AMENDMENT) BILL, 2023**" বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

বিধেয়কখন উত্থাপন হ'ল।

**কাৰ্যসূচী নং- ৪৩**

## THE SIBSAGAR UNIVERSITY BILL, 2023

**মাননীয় অধ্যক্ষ ঃ** ৰাজভৱনৰ পৰা এটা বাণী আছে।

বাণীটো হ'ল-

**Under the provision of Article 207 (1) of the Constitution of India, I Shri Gulab Chand Kataria, Governor of Assam recommend the introduction of "The Sibsagar University Bill, 2023" in the Assam Legislative Assembly.**

মই মাননীয় মন্ত্ৰী, ডাঃ ৰণোজ পেগু ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু শিক্ষামন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়,"**THE SIBSAGAR UNIVERSITY BILL, 2023**" বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো। বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

বিধেয়কখন উত্থাপন হ'ল।

**কাৰ্যসূচী নং- ৪৪**

## THE GAUHATI UNIVERSITY (AMENDMENT) BILL, 2023

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়,"**THE GAUHATI UNIVERSITY (AMENDMENT) BILL, 2023**" বিধেয়কখন সদনত

উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো।

**মাননীয় অধ্যক্ষ** ঃপ্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

বিধেয়কখন উত্থাপন হ'ল।

**কাৰ্যসূচী নং- ৪৫ ঃ**

**THE MADHABDEV UNIVERSITY (AMENDMENT) BILL, 2023**

মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, **"THE MADHABDEV UNIVERSITY (AMENDMENT) BILL, 2023"** বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

বিধেয়কখন উত্থাপন হ'ল।

**কাৰ্যসূচী নং- ৪৬ঃ**

**THE KUMAR BHASKAR VARMA SANSKRIT AND ANCIENT STUDIES UNIVERSITY (AMENDMENT) BILL, 2023**

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, **"THE KUMAR BHASKAR VARMA SANSKRIT AND ANCIENT STUDIES UNIVERSITY (AMENDMENT) BILL, 2023"** বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

বিধেয়কখন উত্থাপন হ'ল।

**কাৰ্যসূচী নং- ৪৭**

## THE ASSAM REPEALING BILL, 2023

**মাননীয় অধ্যক্ষঃ** ৰাজভৱনৰ পৰা এটা বাণী আছে।

বাণীটো হ'ল-

**Under the provision of Article 207 (1) of the Constitution of India, I Shri Gulab Chand Kataria, Governor of Assam recommend the introduction of "The Assam Repealing Bill, 2023" in the Assam Legislative Assembly.**

**মাননীয় মন্ত্ৰী, ডাঃ ৰণোজ পেগু** ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ কৰাৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam Repealing Bill, 2023" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো। বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

বিধেয়কখন উত্থাপন হ'ল।

**কাৰ্যসূচী নং- ৪৮**

### ASSAM MOTOR VEHICLE TAXATION (AMENDMENT) BILL, 2023

**মাননীয় অধ্যক্ষ ঃ** ৰাজভৱনৰ পৰা এটা বাণী আছে।

বাণীটো হ'ল-

**Under the provision of Article 207 (1) of the Constitution of India, I Shri Gulab Chand Kataria, Governor of Assam recommend the introduction of "Assam Motor Vehicle Taxation (Amendment) Bill, 2023" in the Assam Legislative Assembly.**

**মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী, শ্ৰীপৰিমল শুক্লবৈদ্য** ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**শ্ৰীপৰিমল শুক্লবৈদ্য, (মন্ত্ৰী)ঃ** মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "Assam Motor Vehicle Taxation (Amendment) Bill, 2023" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো।

' বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল,
বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
বিধেয়কখন উত্থাপন হ'ল।

**কাৰ্যসূচী নং- ৪৯৪**

## THE ASSAM PANCHAYAT (AMENDMENT) BILL, 2023

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী শ্ৰীৰণজিৎ কুমাৰ দাস ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam Panchayat (Amendment) Bill, 2023" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল,
বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক
'হয়' যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
বিধেয়কখন উত্থাপন হ'ল।

**কাৰ্যসূচী নং- ৫০**

## THE ASSAM GRATUITY (AMENDMENT) BILL, 2023

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী শ্ৰীসঞ্জয় কিষাণ ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**শ্ৰীসঞ্জয় কিষাণ, মন্ত্ৰী ঃ** মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam Gratuity (Amendment) Bill, 2023" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ

আগবঢ়াইছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল, বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে? যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়' যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়' মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, বিধেয়কখন উত্থাপন হ'ল।

**কাৰ্যসূচী নং- ৫১**

## ASSAM PUBLIC SAFETY (MEASURES) ENFORCEMENT (AMENDMENT) BILL, 2023

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী শ্ৰীঅশোক সিংহল ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**শ্ৰীঅশোক সিংহল, (মন্ত্ৰী) ঃ** মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam Public Safety (Measures) Enforcement (Amendment) Bill, 2023" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল,
বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক
'হয়' যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
বিধেয়কখন উত্থাপন হ'ল।

**এতিয়া সদন কাইলৈ ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।**